ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

# OFFICIAL REPORT

JANUARY SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JANUARY SESSION

## VOL. I

NO. 6

The 29th January, 1986

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

(January Session)

**Volume—1**

**No. 6**

Dated, the 29th January, 1986

Contents


| | | Pages |
|---|---|---|
| 1. | Questions ...... ... .. | 1—21 |
| 2. | Miscellaneous Matter ... ... | 21 |
| 3. | Calling Attention ... ... ... | 21—22 |
| 4. | Matter under Rule 301 ... ... | 22—25 |
| 5. | Report of the Business Advisory Committee. | 25 |
| 6. | Laying of Report ... ... | 25 |
| 7. | Debates on the Governor's Address ... | 26—52 |
| 8. | Government Resolution ... ... | 52 |
| 9. | Consideration and Passing of Government Bill. | 52—54 |
| 10. | Announcement from the Chair ... | 54—57 |
| 11. | Adjournment ... ... | 57 |

Proceedings of the January Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Wednesday the 29th January, 1986 with the Hon'ble Speaker in the Chair, 14 (fourteen) Ministers, 6 (six) Ministers of State, 100 (one hundred) Members present.

## STARRED

## QUESTIONS AND ANSWERS

### Dated : 29th January 1986

### (To which oral replies were given)

বিঃ ৰাষ্ট্ৰীয় নিৰাপত্তা আইন

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

*৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিদেশী নাগৰিক বহিস্কাৰ সম্পৰ্কীয় আন্দোলনত জৰিত বুলি কিমান লোকক নিৰাপত্তামূলক ব্যৱস্থা বুলি আটক কৰিছিল আৰু অসম চুক্তি সম্পাদনাৰ দিনলৈ এনে আটক বন্দীৰ সংখ্যা কিমান আছিল ?

(খ) ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত আটক কৰা বন্দী আন্দোলনকাৰী দেশপ্ৰেমিক আজিলৈ সকলৰ নামৰ তালিকা জনাবনে?

(গ) আন্দোলনকাৰী আটক বন্দী কেইজনক উচ্চ ন্যায়ালয়ে মুক্তি দিছিল ? (নামবোৰ জনাব)

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩। (ক) এই সংক্ৰান্তত ৩০৫ জন লোকক ২১।৬।৮৫ তাৰিখলৈ ১৯৮০ চনৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত আটক কৰা হৈছিল।

অসম চুক্তি সম্পাদন হোৱাৰ দিনলৈ (১৫।৮।৮৫) এনে আটক বন্দীৰ সংখ্যা ৭ জন আছিল।

(খ) এনে তথ্য চৰকাৰৰ হাতত নাই।

(গ) ১৪০ জন আটক বন্দীক উচ্চ ন্যায়ালয়ে মুক্তি দিছিল। সেই সকলৰ নামৰ তালিকাখন সদনৰ মেজত ৰখা হল।

শ্ৰীজয়নাথ শৰ্ম্মা :—মাননীয় অধ্যক্ষ মহোদয় ,ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত শাস্তি দিবৰ কাৰণে গ্ৰেপ্তাৰ কৰা নহয়। কিন্তু যি সকলক এই আইনৰ অধীনত গেপ্তাৰ কৰা হৈছিল সেই সকলক পুলিচে মাৰপিত কৰিছিল। এই বিষয়ে তদন্ত কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :- এই সম্পৰ্কত বিতং তথ্য পাতি দিব পাৰিলে অনুসন্ধান কৰা হব।

শ্ৰীহেমেন দাস :- মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই চৰকাৰে কোনো মানুহক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত গ্ৰেপ্তাৰ কৰিবনে নকৰে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :- এই কথাটো চৰকাৰৰ নীতিৰ লগত জৰিত। এতিয়াই এইটো কথা কব পৰা নহব।

শ্ৰীগোলক ৰাজবংশী :- এই সম্পৰ্কত চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :—তেনে ধৰনৰ সিদ্ধান্ত এতিয়ালৈকে লোৱা হোৱা নাই।

শ্ৰীহেমেন দাস :- ইতিমধ্যে গ্ৰেপ্তাৰ এই আইনত হৈছে নেকি তদন্ত কৰিবনে ? মই জনাত এচমাত গ্ৰেপ্তাৰ কৰা হৈছে।

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :- এইটো খবৰ আমি পোৱা নাই।

শ্ৰীহেমেন দাস :- ইলেকট্ৰিচিটি বৰ্ডৰ কিছুমান কৰ্মীক এচমাত গ্ৰেপ্তাৰ কৰা হৈছে। এই সম্পৰ্কত তদন্ত কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :- এই সম্পৰ্কত বিতং তথ্য দিলে তদন্ত কৰা হব।

বিঃ গ্ৰাম্য বৈদ্যুতিকৰণ।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

*৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্ত্তমানলৈ কিমান গাওঁত বৈদ্যুতিকৰন কৰিবলৈ বাকী আছে ?

(খ) এই বৈদ্যুতিকৰন নোহোৱা গাওঁবোৰ বৈদ্যুতিকৰন সম্পৰ্কে চৰকাৰৰ আচঁনি কিবা আছেনে?

(গ) ১৯৮০ চনৰ পৰা ১৯৮৪ চনৰ ডিচেম্বৰ মাহলৈ বিদ্যুৎ পৰিষদৰ উৎপাদন কিমান ?

শ্ৰীদীগেন বৰা ( বিদ্যুৎ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪। (ক) ১৯৭১ চনৰ লোক পিয়ল মতে মুঠ গাওঁৰ সংখ্যা ২১,৯৯৫। তাৰ ভিতৰত ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে ৯,৪৪৮ খন গাওঁত বৈদ্যুতিকৰন কৰিবলৈ বাকী আছে।

(খ) হয় আছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে আচনি প্ৰনয়ণ কৰিছে।

(গ) ১৯৮০ চনৰ ১জানুৱাৰীৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিদ্যুৎ উৎপাদন হল ৪৫৮৭·২৮ নিযুত ইউনিট।

শ্ৰীজয়নাথ শৰ্ম্মা :- মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত অসমৰ বহুত বিলাক ঠাইত এটা বা দুটা বিদ্যুতৰ খুটা পুতিয়েই বিজুলি যোগান দিয়া হৈছে বুলি কৈছে। এই সম্পৰ্কত খবৰ লৈ তদন্ত কৰিবনে ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) :- এই সম্পৰ্কত স্পষ্ট ভাবে জনালে খবৰ লব পৰা হব।

শ্ৰীশ্ৰীদেবেশ্বৰ বৰা :— বোকাখাট বিধান সভা সমষ্টিত বিজুলি যোগানৰ কাৰণে খুটাবিলাক পুতিলে যদিও বিজুলি যোগান নিদিয়াত মানুহে তাৰ, তাঁৰ বিলাক কাপোৰ মেলাত ব্যৱহাৰ কৰিছে। এই সম্পৰ্কত খবৰ লৈ প্ৰকৃত ব্যৱস্থা কৰিবনে ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) :— এই সম্পৰ্কত খবৰ লৈ প্ৰকৃত ব্যৱস্থা কৰিম।

শ্ৰীমইদুল ইচলাম বৰা :- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মোৰ কমলপুৰ সমষ্টিৰ বৰকা, পানীটেমা অঞ্চলত লাইটৰ খুটা পোতা হৈছে যদিও বিজুলি যোগান দিয়া নাই। তথাপিও এই কামৰ কাৰণে এজন কাৰ্য্যবাহী অভিযন্তাই পুৰস্কাৰ পাইছে। এইটো অনুসন্ধান কৰিবনে ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) :- এইটো অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

শ্ৰীদিলিপ শইকীয়া :- ধেমাজি অঞ্চলৰ ৫৫ খন গাৱঁত বিজুলি যোগান ধৰা হৈছে বুলি কৈছে যদিও প্ৰকৃততে তাত বিজুলি যোগান ধৰা হোৱা নাই। এইটো অনুসন্ধান কৰি ব্যৱস্থা লবনে ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) :- এইটো অনুসন্ধান সাপেক্ষে ব্যৱস্থা লোৱা হব।

শ্ৰীশান্তি ৰঞ্জন দাস গুপ্ত :- অসমত ২১,৯৯৫ খন গাওঁ আছে। তাৰ ভিতৰত মোৰ ডায়েৰি মতে ৯৯৫০ খনত বিজুলি যোগান ধৰা হৈছে। এই হিচাবে হলে অসমত মন্ত্ৰী মহোদয়ে কো?াৰ দৰে কেনেকৈ ৯৪৪৮ খন বাকী থাকিব পাৰে ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) :- ডায়েৰি খন কোন চৰকাৰে উলিওৱা।

শ্ৰীশৰত চন্দ্ৰ সিংহ :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে আচলতে কিমান খিনি গাওঁত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে সেই কথাটো সুধিছে।

শ্ৰীদীগেন বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ লোকপিয়লমতে অসমত মুঠ গাওঁৰ সংখ্যা ২১,৯৯৫। তাৰ ভিতৰত ১১,৮০৬ গাওঁত বৈদ্যুতিকৰণ কৰা হৈছে।

শ্ৰীশান্তি ৰঞ্জন দাস গুপ্ত :— কিমান চনত এই বাকী থকা গাওঁ খিনিত বৈদ্যুতিকৰণ কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদীগেন বৰা (মন্ত্ৰী) :— উত্তৰটো এতিয়াই দিব পৰা নহব।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী :— বাকী থকা গাওঁবোৰত কিমান দিনৰ ভিতৰত বৈদ্যুতিকৰণ কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদীগেন বৰা (মন্ত্ৰী) অসম বিদ্যুত পৰিষদে আঁচনি প্ৰস্তুত কৰি আছে, কিমান সময়ৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰা হব এতিয়াই কব পৰা নহব।

শ্ৰীদেৱ বৰা :— অধ্যক্ষ মহোদয়, যিবিলাক গাওঁ এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছিল তাৰ ভিতৰত কিছুমান গাঁওক বঞ্চিত কৰি কিছুমান সুবিধাবাদীয়ে সুবিধা লৈ আছিল, এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে বিচাৰ কৰি বিহিত ব্যৱস্থা লবনে ?

শ্ৰীদীগেন বৰা (মন্ত্ৰী) :— আগৰ চৰকাৰৰ দিনত এনে হৈছিল, বৰ্ত্তমান সকলো গাওঁকে অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হব।

Shri CHARAN NARZARI :—Mr. Speaker, Sir, the informations given by the Hon'ble Minister are furnished by the officers. Is the Hon'ble Minister aware that the electrication of many villages in the whole State is only in papers ? Will the Hon'ble Minister make a thorough investigation into this matter ?

শ্ৰীদীগেন বৰা :— (মন্ত্ৰী)—সেইটো কৰাত অধ্যক্ষ মহোদয় আমাৰ আপত্তি নাথাকিব।

শ্ৰীঅৰ্দ্ধেন্দু দে :— অধ্যক্ষ মহোদয়, কেতিয়াবা কেতিয়াবা ৰাতি ১০ বজাতহে লাইত আহে, ইয়াৰ লগত এই ইণ্ডাষ্ট্ৰিৰ মালিকৰ কিবা সম্পৰ্ক আছে নেকী ?

উত্তৰ নাই

Re : Memorandum of settlement between the Centre and A. A. G. S. P.

Shri BINAI KHUNGUR BASUMATARI asked :

*5. Will the Chief Minister be pleased to state—

(a) Whether the Chief Minister is a signatory in the Memorandum of settlement arrived at amongst the Central Government, State Government, AASU and AAGSP on 15th August, 1985 at New Delhi ?

(b) If so, whether it is true that in this Accord, at clause 6 (six) Cultural, Social, Linguistic safeguards shall be provided to "The Assamese People" ?

(c) If so, how will the interests of original people of Assam from Bodo-Kachari, Rava, Mising, Lallung, Deuri and other Scheduled Tribe communities be safeguarded in Assam ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

5. (a)—The Chief Minister, Assam is not a signatory to the Memorandum of Settlement signed at New Delhi

on 15th August, 1985. Shri Prafulla Kumar Mahanta, in his capacity as President of the All Assam Students Union on that date, is a signatory to the Memorandum of settlement.

(b)—Clause 6 of the Memorandum of settlement provides that "Constitutional, legislative and administrative safeguards, as may be appropriate shall be provided to protect, preserve and promote the cultural, social, linguistic identify and heritage of the Assamese people.

(c)—It has been clarified that the reference to "Assamese people" is to be construed as reference to the people of Assam, and it will include different linguistic, ethnic, racial and religious groups whoever permanently reside in Assam.

Paragraph 6 does not refer to any particular religious, linguistic, cultural or ethic group.

Shri BINAI KHUNGUR BASUMATARI.—Sir, since the clarification purported to be given in reply to 5 (c) is made by the Government of Assam and it is not made by the tripartite authorities which concluded the Accord, will the Government take steps so that the clarification now given by the Assam Government is agreed to by all the parties concerned in the Accord ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, চুক্তি উপনিত হোৱাৰ সময়ত এইটোৱেই লক্ষ আছিল।

Shri BINAI KHUNGUR BASUMATARI .—Sir, because we have seen the clarification given by the Assam Government and that itself is not enough. We want a categorical assurance-whether this clarification has the approval of the Central Government and also the Prime Minister of India ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, স্পষ্টীকৰণৰ কোনটো বেঁচি লাগে সেইটো স্পষ্ট ভাৱে জনাব লাগে।

Shri CHARAN NARZARI .—Sir, in the Assam Accord it has been stated that the Union Home Ministry will act as the nodal authority for the implementation of the provsion of the Assam Accord. May I know from the Hon'ble Chief Minister as to whether the Union Home Ministry has already evolved out any concrete formula for implementing clause (6) of the Assam Accord ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে তেনে কোনো ব্যৱস্থা তেওঁলোকে কৰা নাই।

Shri BINAI KHUNGUR BASUMATRI.—Sir, the Hon'ble Chief Minister wanted to know in what connection the clarification is required ? I would like to go back to question No. 5

Mr. SPEAKER : Now I come to Question No. 6.

Re : Clause 10 of Assam Accord.

Shri BINAI KHUNGUR BASUMATARI asked :

*6. Will the Chief Minister be pleased to state—

(a) If he is a signatory in the Memorandum of Settlement between the Central and State Government on one side and AASU and AAGSP on the other side, on the 15th August, 1985 at new Delhi in presence of the Prime Minister of India ?

(b) If so, whether it is true that at clause 10 (ten) "unauthorised encroachers" "of Government lands and lands in tribal belts and blocks" will be evicted ?

(c) If so, whether there are Government land within tribal belts and blocks ?

(d) If so, is the Government aware that due to non-operation of settlement surveys and regularisation of settlement after Independence in 1947, thousands of Scheduled Tribes within Tribal Belts and Blocks are likely to be treated as "unauthorised encroachers" ?

How does the Government propose to import justice to such tribal settlers ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

6. (a)—The Chief Minister, Assam is not a signatory to the Memorandum of Settlement signed on 15th Augst, 1985. Shri Prafulla Kumar Mahanta in his capacity on that date as president, All Assam Students' Union, is a signatory.

(b)—Clause 10 provides that it will be ensured that relevant laws for encroachment of government lands and lands in tribal belts and blocks are strictly enforced and unauthorised encroachers evicted as laid down under such law.

(c)—Yes, there are Government land within tribal Belts and Blocks.

(d)—Tribal Belts and Blocks are constituted to safeguard the interest of Scheduled Tribes and other protected classes as laid down under Chapter-X of the Assam Land and Revenue Regulation 1886. The cases of settlers in the Tribal Belts and Blocks belonging to Scheduled Tribes and other protected classess will be protected as provision of Chapter-X of the A. L. R. R., 1886.

Shri BINAI KHUNGUR BASUMATARI.—Sir, my question is very clear and the Hon'ble Chief Minister had admitted in reply to 6 (c) that there are Government land in tribal belts and blocks. My question is this-in the tribal belts and blocks where the tribal people had settled for ages, they will be considered technically as encroachers because settlement operation has not been done. So what will happen these technical encroachers—will they be evicted as per the Accord ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে চৰকাৰে পৰীক্ষা কৰি আছে।

Shri SANTI RANJAN DASGUPTA:—Will the Hon'ble Chief Minister say whether those people who are living in tribal belts and blocks since before the formation of the tribal belts and blocks-what will happen to those people and those who are non-tribal ?

Mr. SPEAKER .—The reply is already given-Government is examining.

Shri SANTI RANJAN DASGUPTA .—Sir, my question is about non-tribals and he is examining about tribals.

Shri DEWAN JOYNAL ABEDIN :—Sir my question is the same. How the Government proposes to safeguard the interest of those people who have been occupying Government has land in tribal belts or blocks or any other areas ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) গোটেই বিষয়টো মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে বিবেচনা কৰি আছে।

বি ঃ ষ্টেটফেডৰ লাভালাভ ও নিয়োগ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

* ৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৩, ১৯৮৪, ১৯৮৫ চনলৈ ষ্টেটফেডৰ লাভ লোকচান কিমান হল ?

(খ) ১৯৮৩ চনৰ পৰা ৩০।১১।৮৫ তাৰিখলৈ ষ্টেটফেডৰ বিভিন্ন পৰ্য্যায়ত কিমান লোকক নিযুক্তি দিয়া হল ?

(গ) এই নিযুক্তিবোৰৰ ভিত্তি আৰু নীতি কি ?

(ঘ) লিখিত বা মৌখিক পৰীক্ষা নিযুক্তি দিয়াৰ আগতে হৈছিল নে ?

(ঙ) যদি হোৱা নাই ইয়াৰ বাবে দায়ী বিষয়া জনক দোষী সাব্যস্ত কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৭। (ক) ১৯৮২-৮৩, ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ সমবায় বছৰত ষ্টেটফেডৰ লাভ লোকচান পৰিমাণ তলত দেখুৱাৰ দৰে।

১৯৮২-৮৩ (—) ৩৪,৮৭,৬৬২·১৩ টকা ( লোকচান )

(বিভাগীয় হিচাব পৰীক্ষাকৃত খতিয়ান মতে), ১৯৮৩—৮৪ (+) ৮,৯৪,২৪১·২৬ টকা লাভ ( অপৰীক্ষিত প্ৰপত্ৰ হিচাবৰ খতিয়ান মতে ) ১৯৮৪—৮৫ (+) ৮৬,৫১,০৪৫·২৭ টকা লাভ (অপৰীক্ষিত প্ৰপত্ৰ হিচাবৰ খতিয়ান মতে )।

(খ) ১৯৮৩ চনৰ পৰা ৩০।১১।৮৫ তাৰিখলৈ বিভিন্ন পৰ্য্যায়ত নিয়োগৰ সংখ্যা মুঠ ১৯১ জন। ইয়াৰ ভিতৰত ৩ জন গাননীক ও সহকাৰী গাননীক বিষয়া, ৬৬ জন কাৰিকৰী পদবী (বনস্পতি ও অন্য ধৰণৰ প্ৰকল্পৰ বাবে), ৪২ জন তৃতীয় শ্ৰেণী আৰু ৮০ জন চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী।

(গ) বৰ্দ্ধিত ব্যৱসায় ও প্ৰকল্প সমূহৰ প্ৰয়োজন সাপেক্ষে বিজ্ঞাপন ও সাক্ষাৎকাৰৰ জৰিয়তে নিয়োগৰ ব্যৱস্থা কৰা হয়। বিভিন্ন পৰ্য্যাৰ পদ সমূহৰ নিৰ্বাচন ব্যৱস্থা একো একোখন কমিটিৰ ওপৰত ন্যস্ত কৰা হয়। কমিটি সমূহৰ অনুমোদন অনুযায়ী নিয়োগ কৰা হয়।

(ঘ) কোনো লিখিত পৰীক্ষা লোৱা হোৱা নাছিল। মৌখিক ভাবে পৰীক্ষা কৰা হৈছিল।

(ঙ) লিখিত পৰীক্ষা লোৱা আৱশ্যক বুলি ষ্টেটফেডে বিবেচনা নকৰিলে কিন্তু আমি তদন্ত কৰাৰ ব্যৱস্থা কৰিম।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই যি ১৯১ জন মানুহক ষ্টেট ফেডত নিযুক্তি দিছিল, সেই সম্পৰ্কত মৌখিক পৰীক্ষা লোৱা হৈছিল নে বাতৰি কাকতত বিজ্ঞাপন আদি দিয়া হৈছিল জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ৰ নথি সম্পৰ্কত আমাৰ হাতত এতিয়া নাই, পিচত জনাব পাৰিম।

শ্ৰীজয় নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, এই মৌখিক পৰীক্ষা কৰোতে ঘৰৰ পৰা মাতি অনা হৈছিল নে দৰ্খাস্ত আদি লোৱা হৈছিল মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটোৰ কোনো লিখিত পৰীক্ষা হোৱা নাছিল মৌখিকহে হৈছিল।

শ্ৰীজয় নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মৌখিক পৰীক্ষা লওঁতে যি আবেদন লোৱা হৈছিল সেইবোৰ কি ধৰণৰ আছিল সেই সম্পৰ্কত তদন্ত কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— ধন্যবাদ, সেই সম্পৰ্কত মই চাম।

শ্ৰীজয় নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, এই যি সকলক নিযুক্তি দিয়া হৈছিল সেই সকলৰ বাসস্থান আচলতে কত আছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, বাসস্থান সম্পৰ্কত আমি চাব লাগিব।

শ্ৰীজয় নাথ শৰ্ম্মা :— এই নিযুক্তি দিয়া সকলৰ জিলা ভিত্তিত পৰিমাণটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, বিষয়টো পিচত জনাব পৰা হব।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনৰ যি লোকচান দেখুৱাইছে, সেই সম্পৰ্কত ইমান টকা কেনেকৈ লোকচান হবলৈ পালে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যক মই ধন্যবাদ জনাই কওঁ এইটো আমাৰ দিনত হোৱা নাছিল গতিকে এইটো ভালকৈ চাই লৈ পিচত জনাব পাৰিম। এতিয়াই এইটো জনাব পৰা নহব।

শ্ৰীঅভিজিত শৰ্ম্মা :— অধ্যক্ষ মহোদয়, যি সকল মানুহক নিযুক্তি দিয়া হৈছিল তেওঁলোকক লিখিত পৰীক্ষা নোলোৱাকৈ নিযুক্তি দিয়া বিষয়া সকলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— ইতিমধ্যে মই এটা প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে তদন্ত কৰাৰ ব্যৱস্থা কৰিম।

Shri ALTAF HUSSAIN MAZUMDAR.—Mr. Speaker, Sir, in reply to the supplementary the Hon'ble Minister has said it relates to the period of the previous Government. Sir, constitutionally Government is a continuity-leaders may change, party may change. So when an answer is sought it should be given whichever Government it relates to does not matter.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, যদি কিবা বিশেষ 'অবজেকশ্যন' পাওঁ নিশ্চয় তদন্ত কৰাৰ ব্যৱস্থা কৰিম।

শ্ৰীদিলীপ শইকীয়া :— অধ্যক্ষ মহোদয়, আজি এখন বাতৰিৰ কাকতত বাতৰি ওলাইছে যে ২৬ কোটি টকা ষ্টেট ফেডৰ পৰা চৰকাৰে পাবলৈ বাকী আছে, এই টকা আচলতে আগৰ চৰকাৰে খৰছ কৰিছে, ইয়াৰ এটা তদন্ত মন্ত্ৰী মহোদয়ে কৰিব বুলি অনুৰোধ কৰিলো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, অৱস্থাটো বেয়া হৈছে সেইটো মই নিজেই মন্ত্ৰী হৈ উপলব্ধি কৰিছো, গোটেই বিষয়টো ভালদৰে চাই ভাল কৰাৰ ব্যৱস্থা কৰাৰ বিবেচনা আমাৰ চৰকাৰে কৰিছে।

বি: মাৰ্ঘেৰিটাত অগ্নিনিৰ্ব্বাপক বাহিনী।

শ্ৰীকুল বাদুৰ ছেত্ৰীয়ে সুধিছে :

*৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মাৰ্ঘেৰিটাত "অগ্নি নিৰ্ব্বাপক বাহিনী" নথকাত ৰাইজে বহুত অসুবিধা ভোগ কৰা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে শীঘ্ৰে সু-ব্যৱস্থা লৈ মাৰ্ঘেৰিটাত "অগ্নি নিৰ্ব্বাপক বাহিনী" দিয়া হবনে?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮। (ক) জানে।

(খ) আৱশ্যকীয় পুজি পোৱাৰ ওপৰত নিৰ্ভৰ কৰি বিবেচনা কৰা হব।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে অগ্নি নিৰ্ব্বাপক বাহিনী নাই। তিনিচুকীয়াৰ পৰা অৰুণাচললৈকে এই প্ৰায় ১০০ কি: মি: ৰাস্তাৰ ঠাইখিনিৰ মাজত ফায়াৰ ব্ৰিগেড নাই —— — —(সদনত হুলস্থুল, একো শুনা নাযায়)। আগৰ চৰকাৰে কৰিবৰ কাৰণে ব্যৱস্থা কৰিছিল টকা পইচাও দিছিল কিন্তু কামটো নহলগৈ সেয়ে ৰাইজৰ অসুবিধা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই বৃহত্তৰ ৰাইজৰ সুবিধাৰ কাৰণে সোনকালে ফায়াৰ ব্ৰিগেডৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে মাৰ্ঘেৰিটাত অগ্নি নিৰ্বাপক বাহিনী নোহোৱাৰ কাৰণে অসুবিধা হৈছে আৰু অৱশ্যকীয় পুঁজি আদি পালেই সোনকালে ব্যৱস্থা কৰা হব।

বি: স্কুল মাতৃৰ সংখ্যা।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

*৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত প্ৰাথমিক বিদ্যালয় সমূহত ৩০।১২।৮৫ তাৰিখলৈ স্কুল মাতৃৰ সংখ্যা কিমান ?

(খ) এই স্কুল মাতৃৰ নিযুক্তিৰ ভিত্তি কি ?

(গ) এই স্কুল মাতৃ সকলক কোন শ্ৰেণীৰ চৰকাৰী চাকৰীয়াল হিচাবে চৰকাৰে গণ্য কৰে ?

(ঘ) এই স্কুল মাত্ৰ সকলৰ বৰ্ত্তমান দৰমহাৰ নিৰিখ কি ?

(ঙ) এই স্কুল মাত্ৰ সকলৰ মাহিলি দৰমহা সম্পৰ্কে যোৱা অসম দৰমহা আয়োগৰ ৰায় কি আছিল আৰু চৰকাৰে দৰমহা আয়োগৰ ৰায় মতে এই স্কুল মাত্ৰ সকলক দৰমহা দিছেনে আৰু যদি দিয়া নাই, কিয় ?

(চ) এই স্কুল মাত্ৰ সকলক চৰকাৰী ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী হিচাবে সকলো সুবিধা দিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৯।(ক) ৩০-১১-৫৮ তাৰিখলৈকে প্ৰাথমিক বিদ্যালয় সমূহত ৫০৬ গৰাকী স্কুল মাত্ৰ আছে।

(খ) ষাঠি দশকত অসম ৰাজ্যিক প্ৰাথমিক পৰিষদৰ নিৰ্দেশত আঞ্চলিক বোৰ্ডসমূহে স্কুল মাত্ৰৰ নিযুক্তি দিছিল। সেই সময়ত যিহেতুকে ক শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ ৫ টা শ্ৰেণী আছিল আৰু ছাত্ৰ ছাত্ৰীৰ বয়স ৫ বছৰ আছিল কণ কণ ছাত্ৰ ছাত্ৰীৰ সকলক চোৱাচিতা কৰিবলৈ স্কুল মাত্ৰ সকলক নিযুক্তি দিছিল বুলি ঠাৱৰ কৰিব পাৰি।

(গ) দৰ্মহা নিৰিখ অনুযায়ী স্কুল মাত্ৰসকলক কোনো শ্ৰেণীতে অন্তৰ্ভুক্ত কৰিব পৰা নাযায়।

(ঘ) মাহিলি ৩০০ ( তিনি শ ) টকাকৈ নিৰ্দিষ্ট বেতন দিয়া হয়।

(ঙ) যোৱা দৰমহা আয়োগে স্কুল মাত্ৰ সকলৰ মাহিলি দৰমহা ৩০০ টকাকৈ নিৰ্দিষ্ট কৰি দিছিল। সেই অনুমোদন মতেই স্কুল মাত্ৰ সকলক দৰমহা দি থকা হৈছে।

(চ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আগৰ চৰকাৰৰ মতে স্কুল সমূহত এই মাত্ৰ সকলৰ প্ৰয়োজন আছে বুলি কৈছে। মই বৰ্ত্তমান মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰো যে, প্ৰত্যেকখন স্কুল মাত্ৰ সকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে ষাঠিদশকত অসম ৰাজ্যিক প্ৰাথমিক পৰিষদৰ নিৰ্দ্দেশত আঞ্চলিক বোৰ্ডসমূহে স্কুল মাত্ৰৰ নিযুক্তি দিছিল। কাৰণ সেই সময়ত যিহেতুকে ক শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈকে ৫ টা শ্ৰেণী আছিল আৰু ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ বয়স আছিল ৫ বছৰ। বৰ্ত্তমান সেইটো বিছৰাধীন হৈ আছে। সেইটো প্ৰয়োজনৰ ওপৰতহে নিৰ্ভৰ কৰিব।

শ্ৰীদেবেশ্বৰ বৰা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, যি ৫০৬ গৰাকী মাত্ৰক নিযুক্তি দিয়া হৈছিল। তেওঁলোকে স্কুললৈ নোযোৱাকৈয়ে দৰমহা লৈ আছে ? ইয়াৰ এটা তদন্ত কৰিব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, যদি নিৰ্দ্দিষ্ট অভিযোগ আছে, নিশ্চয় ইয়াৰ তদন্ত কৰি বিহীত ব্যৱস্থা লম।

শ্ৰীদেব কুমাৰ বৰা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, কিছুদিন আগতে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত গ্ৰেজুৱেট আৰু আণ্ডাৰ গেজুৱেট শিক্ষকক নিযুক্তি দিবলৈ এখন চিলেকচন কমিটি আছিল। আৰু সেই কমিটিয়ে চিলেকচন কৰি দিয়া শিক্ষক স্কুল সমূহত এতিয়াও চলি আছে নেকী? যদি আছে ইয়াৰ এটা বিহীত ব্যৱস্থা লব নেকী?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ উত্তৰত কব খোজো যে, আমি নতুন চৰকাৰ গঠন কৰাৰ পাচত বিশেষকৈ শিক্ষা বিভাগত অত্যন্ত বেমেজালি ব্যাপক ভাবে আমি লক্ষ্য কৰিছো। শ শ অভিযোগ মোৰ টেবুললৈ আহি আছে। আপোনালোকে হয়তো লক্ষ্য কৰিছে যে এই বিধান সভাৰ কক্ষলৈ সোমাওতেও মোৰ সদয়ে অলপ পলম হয়। ইয়াৰ কাৰণ জনতা ভৱনৰ বাহিৰত বা ভিতৰত এনে ধৰণৰ শিক্ষা বিভাগৰ আশোআহ আৰু অভিযোগ লৈ বৈ থকা। বৰ্ত্তমান এই বেমেজালি আৰু আষুআহ দূৰ কৰি প্ৰগতিশীল আৰু শৈক্ষিক পৰিবেশ গঢ়ি তুলিবলৈ আমাৰ নতুন চৰকাৰ প্ৰতিজ্ঞাবদ্ধ।

শ্ৰীঅকন ৰাভা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, প্ৰাথমিক বিদ্যালয় আৰু হাইস্কুল সমূহত জিলা পৰ্য্যায়ত শিক্ষা বিভাগত আমি জনাত যি টকা জমা আছে, সেই বিলাক মাৰ্চ মাহৰ ভিতৰত ডিষ্ট্ৰিবিউচন কৰি দিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, যি ধৰণৰে উন্নয়ন মূলক নীতি নহওক লাগিলে তাক পূৰণ কৰিবলৈ নিশ্চয় ব্যৱস্থা লম।

শ্ৰীমজিবৃদ্দিন আহমেদ ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, এই মাত্ৰ সকলক নিয়োগ কৰিছো, তেওঁলোকৰ শিক্ষাৰ অৰ্হতা কিমান আৰু বয়সৰ সীমা কিমান?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই বিষয়টো ৬০ দশকতে ব্যৱস্থা লোৱা হৈছিল। নিযুক্তিত উল্লেখিত মতে সেই সময়ত চৰকাৰে ৫ টা শ্ৰেণীৰ বাবেহে নিযুক্তি দিছিল কন-কন লৰা-ছোৱালী বিলাকৰ কাৰণে। তাত নিৰ্দ্দিষ্ট শিক্ষাগত অৰ্হতা আৰু বয়সৰ কথা দৃষ্টিগত হোৱা নাই।

শ্ৰীমজৰুৰিদ্দিন আহমেদ ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, এইযে মাত্ৰ সকলক নিয়োগ কৰা হৈছে, তেওঁলোকে স্কুলত সদায়ে উপস্থিত নাথাকে। অনুপস্থিত থাকিয়েই তেওঁলোকৰ দৰমহা লৈ আছে। এইটো তদন্ত কৰি তাৰ বিহীত ব্যৱস্থা লবনে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই কৈছোৱেই সামগ্ৰিক ভাবে গোটেই অসমৰ শিক্ষা ব্যৱস্থাৰ বেমেজালি আছে। মাননীয় সদস্য গৰাকীয়ে যদি নিৰ্দ্দিষ্ট ভাবে অভিযোগ উথাপন কৰে তাৰ বাবে বিহিত ব্যৱস্থা লম।

শ্ৰীফনি টায়েং — মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, উচ্চতৰ বা উচ্চ মাধ্যমিক বিদ্যালয় বিলাকত দুই বছৰ ধৰি বহুত শিক্ষকৰ পদ খালি হৈ পৰি আছে ফলত আমাৰ লৰা-ছোৱালীয়ে বিজ্ঞান শিক্ষাকে আৰম্ভ কৰি বহুতো ক্ষেত্ৰত কষ্ট ভোগ কৰি আছে। এই পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই চৰকাৰৰ নীতিৰ বিষয়ে কেইবাবাৰো কৈছো, গোটেই অসমতে শিক্ষা জগতত বহুত খেলিমেলি হৈ আছে সেইবিলাক আমি দূৰ কৰিব লাগিব। উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহু দিন ধৰি বহু পদ খালি হৈ থকাটো সচা। কিন্তু বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ পাচতে সকলো ধৰণৰ নিযুক্তিয়েই বন্ধ ৰাখিছো। আৰু সেই বিলাক পদৰ পৰীক্ষা কৰিবৰ বাবে ব্যৱস্থা লৈছো গতিকে শিক্ষা অনুষ্ঠান বিলাকত যাতে কিছুলোকে স্থান পায় তাৰ কাৰণে কম সময়ৰ ভিতৰতে আমি শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰিম।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ— অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হল, বৰ্ত্তমান শিক্ষা জগতত যি বেমেজালি বা খেলিমেলি আছে সেই বিষয়ে মই বহুত জানো আৰু এই সদনৰ যোগেদি এই খেলি মেলি

বিলাকৰ বহুতো মাননীয় সদস্যই অৱশ্যে উত্থাপনো কৰিছে। যোৱাবাৰ চৰকাৰৰ দিনত অসমৰ স্কুল সমূহত কি শিক্ষা ব্যৱস্থা চলি আছিল সেইটো সকলোৱে জানে। কিন্তু স্কুলত শিক্ষক নিয়োগ কৰা হ'ল মাত্ৰ ২০০ টকা দৰমহা দিয়া। এইযে ২০০ টকা দৰমহা দিয়া শিক্ষক নিয়োগ কৰিলে তেওঁলোকৰ লৰা-ছোৱালীক শিক্ষা দিয়াৰ উদ্দেশ্য নাছিল। তেওঁলোকৰ নিয়োগৰ উদ্দেশ্য আছিল কেনেকৈ কাক ধমকি দিয়ে, গতীয়াই বাহিৰ কৰি দিব পাৰে, এই বিলাক ৰাজনৈতিক উদ্দেশ্য লৈয়েই তেওঁলোকক নিয়োগ কৰা হৈছিল। মই আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এনে ধৰণৰ শিক্ষক সকলৰ কি ব্যৱস্থা হব? মোৰ দ্বিতীয় প্ৰশ্নটো হল, নিৰ্বাচন হৈ যোৱাৰ পাচত মই সমষ্টিলৈ সমষ্টিৰ বুজ লবলৈ গৈ দেখিলো, মই আন সমষ্টিৰ কথা নকও মোৰ নিজৰ সমষ্টিৰে কথা কওঁ যে ১৮ খন এলপি স্কুলৰ শিক্ষক সকল উপস্থিত নাথাকে। তেওঁলোকে নিৰ্বাচন হৈ যোৱাৰ পাচৰে পৰা চুটিত আছে অথবা চুটিত নথকাকৈয়েই অনুপস্থিত আছে। আজি নিৰ্বাচন হৈ যোৱা কিমান দিন হৈ গল, তেওঁ-লোকে এনেদৰে স্কুলত অনুপস্থিত থাকিব পাৰে নেকি? এই বিষয়ে মই আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ জানিব বিছাৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ উত্তৰত কব খোজো যে, বিশেষকৈ নতুনকৈ গন পৰিষদ চৰকাৰ গঠন হোৱাৰ পাচত শিক্ষা বিষয়ত নানা ধৰণৰ অভিযোগ, আবেদন পাইছো। গতিকে অসমৰ শিক্ষা নীতিটো কোনো দলীয় ৰাজনীতিত নাৰাখি কেবল শিক্ষাৰ উদ্দেশ্যৰে সকলো ধৰণৰ ৰাজনীতিক মুক্ত কৰি ৰাখি আমি এক স্বতন্ত্ৰ নতুন শিক্ষা নীতিৰ প্ৰবৰ্ত্তন কৰিব বিছাৰিছো। আজি কংগ্ৰেছ, কমিউনিষ্ট বুলি কথা নাই। নব জাত শিশুৰে যাতে মুক্ত আকাশত প্ৰগতিশীল শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ চেষ্টাত আমি আছো। এয়ে নতুন গণ পৰিষদ চৰকাৰৰ দৃষ্টি ভঙ্গি আৰু আমি প্ৰতিজ্ঞাবন্ধ। যাতে আমি অসমত ৰাজনীতি মুক্ত এখন স্বতন্ত্ৰ শিক্ষা নীতি গ্ৰহণ কৰিব পাৰো তাৰে প্ৰয়াস কৰিছো। এই ক্ষেত্ৰত মাননীয় সদস্য সকলৰ সহ-যোগিতা কামনা কৰিলো। আজি ৬ বছৰে জনসাধাৰণে যি জিয়াতু ভুগিছে, যোগ্যতা নথকা শিক্ষক সকলক শিক্ষা অনুষ্ঠানত নিয়োগ কৰিলে। আনকি গোটেই শিক্ষা অনুষ্ঠান বিলাকত ৰাজনৈতিক বতাবৰণে কলঙ্কিত কৰিলে। এই বিলাক আতৰ কৰি আমি এটা সুস্হিৰ বাতাবৰণ সৃষ্টি কৰি এটা মুক্ত শিক্ষা নীতি গ্ৰহণ কৰিবলৈ ওলাইছো। যি শিক্ষা নীতিৰ দ্বাৰা সকলোৱে সমভাবে উপকাৰ লাভ কৰিব পাৰে। এয়ে আমাৰ নতুন চৰকাৰৰ দৃষ্টি ভঙ্গি। আৰু যাতে আমি শিক্ষা নীতিৰ কালিমা দূৰ কৰিব পাৰো তাৰে ব্যৱস্হা লবলৈ আমি প্ৰতিজ্ঞাবন্ধ। গতিকে শিক্ষা অনুস্হানত যাতে উপযুক্ত লোকে পদবী লাভ কৰিব পাৰে আৰু তাৰ যোগেদি যাতে আমাৰ দেশত প্ৰগতিশীল শিক্ষা ব্যৱস্হাৰ শৈক্ষিক পৰিবেশ গঢ়ি উঠে তাৰ কাৰণে গণপৰিষদ চৰকাৰ ৰাইজৰ ওচৰত প্ৰতিশ্ৰুতিবন্ধ।

শ্ৰীগনেশ কুটুম:— যোৱা ১৫ জানুৱাৰী তাৰিখে গহপুৰত মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ উপস্হিতিত অসম স্কুল মাতৃ সংস্হাৰ কেইবা গৰাকীও সদস্যাই এখন স্মাৰক পত্ৰ দাখিল কৰিছিল আৰু এই সম্পৰ্কে আমি বাতৰি কাকতৰ জৰিয়তে এই কথা জানিব পাৰিছো। এই সংস্হাৰ তৰফৰ পৰা যথেষ্ট টকা পইচা আদায় কৰা হৈছে। এই সন্দৰ্ভত মই কবলগীয়া হৈছে যে আমাৰ লোহিতমুখ হাইস্কুলৰ চকীদাৰ জন এই সংস্হাৰ উপদেষ্টা আৰু তেওঁৰ ওচৰলৈ অসমৰ বিভিন্ন কোণৰ পৰা মহিলা সকল অহা যোৱা কৰে। এই ৰাজ্যিক স্কুল মাতৃ সংস্হাটো চৰকাৰী ভাবে স্বীকৃত হয় নে নহয় মাননীয় শিক্ষামন্ত্ৰীৰ পৰা জানিব বিচাৰো। আৰু যদি নহয় তেনেহলে এই অনুষ্ঠানটো ভংগ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্হা হাতত লবনে? যদি স্কুল মাতৃ নিযুক্তি দিয়া হয় তেনেহলে প্ৰতিখন বিদ্যালয়তে দিয়াৰ ক্ষেত্ৰত নতুন চৰকাৰে কি ভাবিছে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী):— স্কুল মাতৃ সংস্হাৰ সংক্ৰান্তত মই পূৰ্বতে উল্লেখ কৰিছো, স্কুল মাতৃ চতুৰ্থ শ্ৰেণীৰ চাৰ্কৰিয়াল হিচাবে পৰিগণিত। সংস্হাই চতুৰ্থ শ্ৰেণী হিচাবেই লাগে বুলি দাবীও কৰিছে। শিক্ষা সম্পৰ্কে ৰাষ্ট্ৰ জুৰি এটা আলোচনা চলিছে আৰু তাৰ লগতে সংগতি ৰাখি আমাৰ ৰাজ্যখনতো এটা গুণা গথা চলিছে আৰু আমি এই বিষয় বিলাক ইয়াত উত্থাপন কৰিছো কিয়নো আজি শিক্ষাৰ ক্ষেত্ৰত প্ৰশাসনীক সমস্যাও আছে আৰু একাদেমীক সমস্যাও আছে। এই সকলো বিলাক কথা আমি আলোচনা কৰি শিক্ষাৰ দিশত এটা সুস্হ ৰূপ দিবলৈ চেষ্টা কৰিছো। এই অৱস্হাত মাতৃ সংস্হা যিটো হৈছে আৰু যি সকলক নিযুক্তি দিয়া হৈছে তেওঁলোকক কেনে ভাবে ৰূপ দিয়া হব সেই বিষয়ে চৰকাৰে শিক্ষা নীতিৰ লগত সংযুক্ত ৰাখি বিবেচনা কৰিব।

Mr. SPEAKER.—Now only one supplementary will be allowed and that will be asked by Hon'ble Member Shri Charan Narzary.

Shri CHARAN NARZARY.—Mr. Speaker, Sir. My question is identical with the question raised by Hon'ble Member Shri Kutum. Will the Hon'ble Minister-in-charge of Education be pleased to clarify as to how an organisation known as Matri Sikhak Sangstha is being allowed to function ? I have raised this question because some people in the name of an Orgainsation known as 'Matri Sikhak Sangstha' engaged extensively in rural areas are collecting money amaunting to Rs. 100 per applicant and sometime they are said to have operated from Nalbari and sometime they are said to have operated from Barpeta and the applicants come out in streams to a particularly specified place to find out the members of the said Organisation. It has been alleged that there is no Office also in the name of that Organisation. Some people receive money and also issue appointment letters appointing the applicants as Mother Teachers to different L. P. School and the Head Pandit of the L. P. School were such a teacher is appointed.

Mr. SPEAKER.—Hon'ble Member will please come to the question.

Shri CHARAN NARZARY—Is assured that the Sangstha is taking up the list of the applicants with the Government for their regular appointment. Now my question is whether such activities should be allowed to continue and whether the Government will be pleased to make a thorough investigation and take necessary steps to punish the wrongdoers ?

বিঃ বৃদ্ধ পেঞ্চন।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*১০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জাবনে ঃ

(ক) ১৯৮৫ চনলৈ অসমত কিমান লোকক বৃদ্ধৰ পেঞ্চন দিয়া হৈছে ?

(খ) কোন কোন জিলাত কিমান জন লোক এই বৃদ্ধ পেঞ্চন আৰ্চনিব দ্বাৰা উপকৃত হৈছে ?

(গ) বৃদ্ধলোকক পেঞ্চন দিওতে কি কি অৰ্হতা বিবেচনা কৰা হয় ?

(ঘ) এনে বৃদ্ধ লোকৰ নাম পেঞ্চনৰ বাবে কোনে তালিকা প্ৰস্তুত কৰে ?

শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো ( ৰাজ্যিক সমাজ কল্যাণ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১০। (ক) ১৯৮৪-৮৫ চনলৈকে অসমত ২১,৫৬২ জন লোকক বৃদ্ধৰ পেঞ্চন দিয়া হৈছে।

(খ) জিলাই প্ৰতি উপকৃত হোৱা লোকৰ এখন তালিকা সদনৰ মেজত ৰখা হল।

(গ) বৃদ্ধ লোকক পেঞ্চন দিওতে তলত দিয়া অৰ্হতা বিবেচনা কৰা হয়—

(১) সংস্থান বিহীন আৰু ২০ বছৰ অধিক অসমত বসবাস কৰা ৬৫ বছৰীয়া মৰ্দানিহ আৰু ৬০ বছৰীয়া তিৰোতাক বৃদ্ধ পেঞ্চনৰ কাৰনে বিবেচনা কৰা হয়।

(২) সংস্থান বিহীন অবিবাহিত মানুহৰ কাৰনে মাহিলি আয় ১৫০ টকাৰ বেঁচি হব নালাগিব।

(৩) বিবাহিত কিন্তু সন্তানহীন মানুহৰ কাৰনে মাহিলি আয় ২০০ টকাৰ বেঁচি হব নেলাগিব। স্হায়ীভাবে শাৰিৰীক অক্ষম লোকৰ কাৰনে বয়সৰ সীমা ১০ ( দহ ) বছৰলৈকে শিঠিল কৰা হয়।

(ঘ) নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত কৰা দৰ্খাণ্ট বিলাক উপ-প্ৰতি সমাহৰ্তা, খন্ড উন্নয়ন বিষয়া আৰু জিলা সমাজ কল্যান বিষয়াৰ তদন্ত আৰু সু-পাৰিসক্ৰমে জিলা উপায়ুক্তই এখন কমিটিৰ মাধ্যমেৰে বৃদ্ধলোকৰ পেঞ্চনৰ বাবে নাম প্ৰস্তুত কৰে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰো যে যি সকল লোকক বৃদ্ধ লোকক পেঞ্চন দিয়া হয় তেওঁলোকে সেই পেঞ্চন পোৱাৰ কাৰণে বি, ডি, অৰ পৰা আৰম্ভ কৰি গাওঁবুঢ়া, ডক্তৰ আদিৰ পৰা চাৰ্টিফিকেট গোটাই ফুৰিব লগা হয় আৰু তাৰ বাবে তেওঁলোকে অশেষ কষ্ট ভোগ কৰিব লগা হয়। গতিকে আমাৰ নতুন চৰকাৰে এই পেঞ্চন পোৱাৰ কাৰণে দীঘলীয়া নিয়ম প্ৰত্যাহাৰ কৰি তেওঁলোকক পেঞ্চন দিয়াৰ ব্যৱস্হা কৰিবনে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই প্ৰশ্নটো অনাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। সদস্য গৰাকীয়ে যিটো প্ৰশ্ন আনিছে সেই বেষয়ে নতুন চৰকাৰে বিবেচনা কৰি চাব।

শ্ৰীছাহিদুল ইছলাম ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেই সন্দৰ্ভত মই মাননীয় মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে নগাওঁ জিলাৰ লাহৰিঘাট অঞ্চলৰ কিছুমান মানুহে বি, ডি, অ, গাওঁবুঢ়া, ডক্তৰ আদিৰ পৰা চাৰ্টিফিকেট লৈ বৃদ্ধ লোকৰ পেঞ্চনৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনাইছিল। কিন্তু আজি দুবছৰে এই লোক সকলে বি, ডি, অ, অফিচলৈ খবৰ কৰিবলৈ গলেই তেওঁলোকক সেইবোৰৰ হব হব বুলি ঘূৰাই পঠোৱা হয়। গতিকে মই নতুন চৰকাৰক পুনৰ অনুৰোধ জনাও যাতে এই লোক সকলক বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্হা অতি সোনকালে হাতত লয়।

শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মই এটা কথা কব খোজো যে মাননীয় সদস্য গৰদাকীয়ে যিটো কথা উত্থাপন কৰিছে সেইটো আমাৰ আগৰ চৰকাৰৰেই

কাম। বৃদ্ধ লোকক পেঞ্চন দিয়াৰ বিষয়টো নতুন চৰকাৰে পূৰ্ণ সমৰ্থনেৰে বিবেচনা কৰি চাব আৰু যিবোৰ খেলি মেলিৰ সৃষ্টি হৈছে বুলি অভিযোগ উঠিছে সেইবোৰ তদন্ত কৰি ব্যৱস্থা হাতত লোৱা হব।

শ্ৰীজয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াৰ পৰা এটা কথা জানিব বিচাৰো যে যি সকল লোকৰ পৰিয়ালৰ কোনো উপাৰ্জনক্ষম লোক নাই তেনে বৃদ্ধ লোকৰ প্ৰতি নিয়মৰ কিছু শিঠিলতা অবলম্বন কৰি হলেও তেওঁলোকক বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী) :— এই সম্পৰ্কে বিবেচনা কৰা হব।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, বৃদ্ধ লোকক পেঞ্চন দিয়াৰ কাৰণে যিটো ব্যৱস্থা হাতত লোৱা হৈছিল তাৰ অধীনত কিছুমান মানুহে মাহে ৬০ টকাকৈ এমাহ নে দুমাহ পইচা পোৱাৰ পিচতেই তেওঁলোকে আৰু সেই পইচা পোৱা নাই। এনে লোক সকলে তেওঁলোকৰ পইচা আনিবলৈ কেইবাবাৰো অহা যোৱা কৰিও এই পইচা পোৱা নাই। গতিকে মই নতুন চৰকাৰৰ বিভাগীয় মন্ত্ৰী মহোদয়াক এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি এনে কিমান লোকে কিমান দিনৰ পৰা সেই পইচা পোৱা নাই তাৰ এটা হিচাব ডাঙি ধৰিবনে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমাৰ আগৰ চৰকাৰে এই আচনিৰ কাম প্ৰথমতে আৰম্ভ কৰিছিল। মাননীয় সদস্য গৰাকীয়ে যিষাৰ প্ৰশ্ন কৰিছে সেই বিষয়ে চালি জাৰি চায় ব্যৱস্থা লোৱা হব।

শ্ৰীগিৰীণ বৰুৱা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰো যে যি সকল লোকক বৃদ্ধ লোকৰ পেঞ্চন দিয়া হয় তেওঁলোকৰ বয়সৰ প্ৰমাণ পত্ৰ কোনো চিকিৎসক, শিক্ষাবিভাগ নাইবা জন্ম পত্ৰিকাৰ ওপৰত নিৰ্ভৰ কৰি পেঞ্চন মঞ্জুৰ কৰা হয়। কিন্তু ইয়াৰ আগতে কিছুমান বিধায়ক নাইবা মন্ত্ৰীয়েও তেনে প্ৰমাণ পত্ৰ দি কিছুমান লোকক এই পেঞ্চন দিয়াৰ কথাতো সচানে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এনে ধৰণৰ অভিযোগ বৰ্ত্তমান চৰকাৰৰ হাতত নাই। যদি তেনে ধৰণৰ কোনো নিৰ্দ্দিষ্ট অভিযোগ পোৱা হয় তেনেহলে নিশ্চয় ৰৱস্থা লোৱা হব।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰো যে ৰৃদ্ধ লোকক পেঞ্চন দিয়াৰ কাৰণে যিটো বয়সৰ সীমা বান্ধি দিয়া হৈছে সেইটো ঠিকেই হৈছে। কিন্তু ইয়াক কাৰ্য্যকৰী কৰিবলৈ যাওতে যি ধৰণে ব্যৱস্থা হাতত লোৱা হৈছে তাৰে চালেহে আমাৰো এই পেঞ্চন ভোগ কৰিবলৈ মন যায়। গতিকে এই পেঞ্চন সমূহ মঞ্জুৰ কৰোতে কি ধৰণে মঞ্জুৰ কৰা হৈছে সেইবোৰ তদন্ত কৰি ব্যৱস্থা হাতত লবনে?

মোৰ ২নং প্ৰশ্ন হৈছে মাননীয় সদস্য কুলবাহাদুৰ ছেত্ৰী ডাঙৰীয়াই যিটো বিষয়ত প্ৰশ্ন কৰিছে তাত তেখেত নিজেই লিপ্ত হৈ আছে। আমি জনাত তেখেত যেতিয়া মন্ত্ৰী হৈ থাকে তেতিয়া ভুৱা চাৰ্টিফিকেট দি তেখেতৰ জীয়েকেই এই পেঞ্চন ভোগ কৰে। গতিকে এই বিষয়বোৰ তদন্ত কৰিবনে?

(সদনত কিছু সময়ৰ কাৰণে হুলস্থুল)

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— সেইটো মিছা কথা।

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, নিৰ্দ্দিষ্ট সময় সীমা বা বয়সৰ ওপৰত ভিত্তি কৰিয়েই বৃদ্ধ লোকৰ পেঞ্চন মঞ্জুৰ কৰা হয়। এই বয়সৰ সীমা অতিক্ৰম কৰি নাইবা বয়স নোহওতেই যদি কোনোবাই এই পেঞ্চন ভোগ কৰি আছে তেনেহলে নিশ্চয় ইয়াৰ বিৰুদ্ধে ব্যৱস্থা হাতত লোৱা হব।

# SHORT NOTICE QUESTIONS AND ANSWERS

বি ঃ বিদ্যুৎ যোগানৰ বিজুতি।

শ্ৰীময়িদুল ইছলাম বৰাই সুধিছে ঃ

২। মাননীয় বিদ্যুত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা কেইবাদিন ধৰি গুৱাহাটী মহানগৰীকলৈ ৰাজ্যৰ বিভিন্ন ঠাইত বিদ্যুৎ বিতৰন ব্যৱস্থাৰ যি ভয়ানক বিজুতি ঘটিছে, সেই বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি চৰকাৰ অৱগত তেতিয়া হলে ইয়াৰ কাৰণ কি আৰু এই বিজুতি দূৰীকৰণৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( বিদ্যুৎ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২। (ক) হয়, অৱগত।

(খ) অসমৰ বিদ্যুৎ চাহিদা অসম বিদ্যুৎ পৰিষদে কৰা উৎপাদনতকৈ ভালেমান বেচি। সেইহেতুকে অসমে মেঘালয়, কপিলী আৰু লগতক জলবিদ্যুৎ প্ৰকল্পবোৰৰ পৰা বিদ্যুৎ আমদানি কৰিব লগা হয়। পিছে বৰ্ত্তমান শীতকালীন অৱস্থাত উক্ত জলবিদ্যুৎ প্ৰকল্পবোৰত যথেষ্ঠ পৰিমাণে বিদ্যুতৰ উৎপাদন কমিছে। আনহাতে পৰিষদৰ বঙ্গাইগাওঁৰ দুটা ৬০ মেগাৱাট শক্তি ক্ষমতা গোটো মেৰামতিৰ বাবে অচল হৈ আছে আৰু আই, ও চিৰ পৰা তেল নোপোৱা হেতুকে চন্দ্ৰপুৰৰ ৩০ মেগাৱট ক্ষমতা সম্পন্ন কেন্দ্ৰটো বিদ্যুৎ উৎপাদন হোৱা নাই। এই কাৰণবোৰৰ বাবে বিদ্যুৎ সৰবাহৰ কেন্দ্ৰত যথেষ্ঠ সংকটে দেখা দিছে।

এই সমস্যা সামাধানৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰ আৰু আই, ও, চিৰ লগত যোগাযোগ কৰি আছে যাতে চন্দ্ৰপুৰত পুনৰ উৎপাদন হব পাৰে। আনহাতে বঙ্গাইগাওঁৰ গোট দুটাৰ কামো দ্ৰুত গতিত চলি আছে আৰু অনতিপলমেই ইয়াৰ এটা গোট কাৰ্য্যক্ষম অৱস্থালৈ আহিব বুলি আশা কৰা হৈছে।

শ্ৰীময়িদুল ইছলাম বৰা :— মন্ত্ৰী মহোদয়ে জনাবনে যে বঙাইগাওঁৰ যি দুটা গোট বেয়া হৈ আছে বুলি কৈছে এই গোট দুটাৰ যন্ত্ৰ-পাতি কোন কোম্পানীয়ে যোগান ধৰিছিল আৰু সেই যন্ত্ৰ-পাতি দুটা ভাল কৰোতে কিমান সময় লাগিব ? ৰাইজে কেতিয়া পোহৰৰ মুখ দেখিবলৈ পাব ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) :—বঙাই গাৱত এই যন্ত্ৰ-পাতি ভেল কোম্পানীৰ দ্বাৰা যোগান ধৰা হৈছে। এই বিষয়টো ইয়াৰ আগতেও সদনত উথাপিত হৈছে। এই অসুবিধাৰ যাতে অৱসান ঘটাব পাৰি তাৰ কাৰণে যত্ন নিশ্চয় কৰিম।

শ্ৰীময়িদুল ইচলাম বৰা :- মন্ত্ৰী মহোদয়ে তেল সম্পৰ্কত আই, অ, চিৰ লগত যি নিগোচিয়েচন কৰাৰ কথা কৈছে, এইটো বৰ্ত্তমান কি পৰ্য্যায়ত আছে আৰু সিদ্ধান্ত কেতিয়া পাব পাৰে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) :—চন্দ্ৰপুৰৰ অইল সম্পৰ্কত আই, অ, চিৰ লগত যোগাযোগ কৰিছো আৰু আজিৰ পৰা তেল দিবলৈ মান্তি হৈছে। উচ্চ পৰ্য্যায়ৰ বিষয়াৰ লগত যোগাযোগ কৰা হৈছে। গতিকে আজিৰ পৰা চন্দ্ৰপুৰত বিদ্যুৎ উৎপাদন হব আৰু বিদ্যুৎৰ যি অসুবিধা তাৰ কিছু অৱসান হব বুলি আশা কৰিছো।

Shri BINAI KHUNGUR BASUMATARI.—In view of the shortage of power, will the Government go ahead to establish a hydel component in Bhairabkunda ?

অধ্যক্ষ ঃ— এইটো বেলেগ প্ৰশ্ন।

এতিয়া উত্তৰ দিব পৰা নহব।

Shri CHARAN NARZARI.—May I know from the Hon'ble Minister whether he is aware that my home town Kokrajhar, which is also the district headquarter, is regularly having black-outs ? If he is aware of this, will he please take note of it and take steps to rectify this ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ—মই আগতে কৈছো যে বিদ্যুৎ উৎপাদন যিমান হৈছে তাতকৈ বেছি আগৰ চৰকাৰে বহুত গাঁৱত খুটা তাৰৰ ব্যৱস্থা কৰিছে, যাৰ কাৰণে এই অৱস্থা হৈছে। এনেকুৱা অৱস্থা যাতে নহয়, তাৰ কাৰণে চাম।

Shri CHARAN NARZARI—I am not speaking about the villages. I am speaking about the district headquarter of Kokrajhar where the entire district administration is there. Educational institutions like schools and colleges are also there. Because of the power failure, it has been difficult for the district authority to run the administration there.

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ— গুৱাহাটী চহৰকে আদি কৰি বহুত চহৰত এনেকুৱা হৈছে। এইটো যাতে নহয় তাক দূৰ কৰিবৰ কাৰণে ব্যৱস্থা লম।

Shri CHARAN NARZARI.—The casual failure is tolerable, but when it becomes a regular feature then it becomes serious. Will the Minister please look into this ?

শ্ৰীদীগেন চন্দ্ৰ বৰা মন্ত্ৰী ঃ— এনেকুৱা অৱস্থা যাতে নহয় যত্ন কৰিব চাম।

Re : Appointment in Western Assam Afforestation Division.

Shri HEMEN DAS asked :

3. Will the Chief Minister be pleased to state —

The number of persons appointed in the Western Assam Afforestation Division in the month of November and December, 1985 ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

3. Nil. No such appointments were made in the Western Assam Afforestation Division during the month of November and December, 1985.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ— ১৯৮৫ চনৰ নবেম্বৰ আৰু ডিচেম্বৰ মাহত পশ্চিম অসম বনানীকৰণ সংমণ্ডলত কোনো নিযুক্তি দিয়া হোৱা নাই।

শ্ৰীহেমেন দাস ঃ— মূখ্য মন্ত্ৰী মহোদয়ৰ উত্তৰ সত্য নহয়। মোৰ হাতত চাকৰি পোৱা সকলৰ তালিকা আছে। নবেম্বৰ আৰু ডিচেম্বৰ মাহত চাকৰি পোৱা সকল হ'ল মোঃ নজমুল ৰহমান, শ্ৰীপুষ্প ৰাম নাথ, শ্ৰীদিজেন চন্দ্ৰ নাথ, শ্ৰীহৰেণ নাথ, শ্ৰীনিলাম্বৰ নাথ, মোঃ জামান আলি, শ্ৰীহৰেণ চন্দ্ৰ নাথ, শ্ৰীঅক্ষয় কুমাৰ দাস, শ্ৰীগোলক শইকীয়া, শ্ৰীভুবনেশ্বৰ দাস, শ্ৰীপ্ৰদীপ কলিতা, শ্ৰীনবীন চন্দ্ৰ দাস, শ্ৰীপ্ৰতাপ বৈশ্য। মোঃচফিয়ৰ ৰহমান, মোঃ সয়নাল আলি, মোঃ নজৰুল আলি, শ্ৰীৰামেশ্বৰ দাস, শ্ৰীঅক্ষয় কুমাৰ ৰয়, শ্ৰীপ্ৰতাপ ভাগৱতী, শ্ৰীসতীশ মালি।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ বন বিভাগে ১৯৮৪-৮৫ চনৰ বছৰটোত পশ্চিম অসম বনানীকৰণ সংমণ্ডলৰ বাবে পৰিকল্পিত আঁচনিৰ অন্তৰ্গত ৩৯ টা তৃতীয় শ্ৰেণীৰ পদ আৰু ২১ টা চতুৰ্থ শ্ৰেণীৰ পদ সৃষ্টিৰ বাবে বিভাগীয় অনুমোদন প্ৰদান কৰে। উক্ত নতুন পদ সমূহৰ ভিতৰত ২০ টা তৃতীয় শ্ৰেণীৰ পদ আৰু ১৯ টা চতুৰ্থ শ্ৰেণীৰ পদত যোৱা আগষ্ট মাহত প্ৰাৰ্থী মকৰল কৰা হয়।

উল্লেখ যোগ্য যে ৰাজ্য চৰকাৰৰ পৰা এই নতুন পদ সমূহৰ অনুমোদন পোৱাৰ পাচত সামাজিক বনানীকৰণ বিভাগৰ মূখ্য বন সংৰক্ষক গৰাকীয়ে পশ্চিম অসম বনানীকৰণ সংমণ্ডলত উক্ত নতুন পদ সমূহ পূৰণ কৰিবৰ বাবে তলত উল্লেখ কৰা বিষয়া কেইজনক লৈ ১৯৮৫ চনৰ মে মাহত এখনি বাচনি বোৰ্ড গঠন কৰে।

১। সংমণ্ডল বনবিষয়া, পশ্চিম অসম বনানীকৰণ সংমণ্ডল, সদস্য সচিব। ২। সংমণ্ডল বন বিষয়া, আই উপত্যাকা সংমণ্ডল, সভাপতি। ৩। শ্ৰীএ-চি-দাস, সহকাৰী বন সংৰক্ষক, সদস্য।

কিন্তু ১৯৮৫ চনৰ মে মাহত অসম চৰকাৰৰ কৰ্ম্মচাৰী (খ) বিভাগে এ-বি-৬৯।৮৬। তাৰিখ ১১-৫-৮৫ নং চিঠিৰ যোগে সকলো তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ মকৰল বন্ধ ৰাখিবলৈ নিৰ্দ্দেশ দিয়ে। ইয়াৰ পিচত চৰকাৰে এ-বি-প, ৯৮।৮৫-৬ তাৰিখ ৩১-৭-৮৫ নং চিঠিৰ যোগে এই নিৰ্দ্দেশ ১৫-৮-৮৫ তাৰিখ পৰ্য্যন্ত বঢ়াই দিয়ে। ১৫-৮-৮৫ তাৰিখৰ পিচত আগষ্ট মাহৰ ভিতৰত চৰকাৰৰ আৰু কোনো নিৰ্দ্দেশ নোপোৱাত এইটো নিৰ্ণয় কৰা হল যে প্ৰাৰ্থী মকৰলত ১৫ আগষ্টৰ পাচত কোনো বাধা নিষেধ নাই। সেইবাবে সামাজিক বনানিকৰণ বিভাগৰ মূখ্য বনসংৰক্ষক গৰাকীয়ে ২১-৮-৮৫ তাৰিখৰ পৰা ২৩-৮-৮৫ তাৰিখৰ ভিতৰত বাচনি বোৰ্ড চুপাৰিচ ক্ৰমে ওপৰত উল্লেখিত কৰ্ম্মচাৰী সকলক নিযুক্তি দিয়ে। মাননীয় সদস্য গৰাকীয়ে কোৱা ধৰণে দিয়া হোৱা নাছিল। আগষ্টৰ ২১-২২ তাৰিখে দিয়া হৈছিল।

শ্ৰীহেমেন দাস ঃ— এপইণ্টমেণ্ট লেটাৰ ইচু কৰা হৈছে আৰু জইন কৰাৰ দুদিন আগত লেটাৰ পাইছে। গোটেই কাহিনীটো মই জানো আৰু অফিচটো মোৰ ঘৰৰ ওচৰতে। কোনো ধৰণৰ পৰীক্ষা হোৱা নাই। দৰ্খাস্ত আহবান কৰিছিল আৰু দৰ্খাস্তকাৰীক কোঁতিয়াও পৰীক্ষালৈ মতা নাছিল। এপইণ্টমেণ্ট লেটাৰ আগষ্টত ইচু কৰা দেখুৱাইছে আৰু প্ৰাৰ্থী বিলাকক ডিচেম্বৰৰ নিৰ্বচানৰ আগদিনা বিতৰণ কৰিছে, ইয়াৰ কাৰণ কি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) ঃ— প্ৰশ্নটো যি ধৰণে সোধা হৈছিল তেনে ধৰণে উত্তৰ দিয়া হৈছে। প্ৰশ্ন সুধিছিল নবেম্বৰ ডিচেম্বৰ মাহত কোনোবা লোকক নিযুক্তি দিয়া হৈছিল নেকি? চৰকাৰী তথ্য মতে এইটো অনুসন্ধান কৰি দেখিছো সেই সময়ত নিযুক্তি দিয়া নাই। নিযুক্তি আগষ্ট মাহত দিয়া হৈছে। যি অনিয়ম ঘটিছে তাৰ তদন্ত কৰিব।

শ্ৰীহেমেন দাস ঃ— দুৰ্ঘোৰ অন্যায় হৈছে। নিবনুৱা যুবক কিছুমানে নিযুক্তি পাইছে আগষ্ট চেপ্তেম্বৰ অক্টোবৰ মাহত, নিবনুৱা লৰাই নিযুক্তি পালে তাৰ দ্বিতীয় দিনাই কামত যোগদান কৰে। আগষ্টত দিয়া হৈছে বুলি ভুলতথ্য দিয়া হৈছে। আচলতে নিযুক্তি দিছে নবেম্বৰ মাহত আৰু ডিচেম্বৰ মাহত। কেনেকৈ নিযুক্তি দিছে মই তাকো জানো (ভইচ—আপুনি কৈ দিয়ক) কিন্তু সেই বিলাক কথা

সদনত কোৱাটো অনুচিত। আপোনালোকে কলে যাক উদং কৰিম বুলি ভাবিছে তেওঁলোক উদং নহয়। গতিকে আগষ্ট মাহত দিয়া দেখুৱালেও আচলতে ডিচেম্বৰ মাহত দিছে। তাৰোপৰি নিযুক্তিৰ ক্ষেত্ৰৰ ৰোষ্টাৰ আছে। ৰিজাৰ্ভেচন পলিচি মনা হোৱা নাই। ৰিজাৰ্ভেচন পলিচিমতে ২০ টা চাকৰি ওলালে ২ টা ট্ৰাইবেলে তাৰ পিচত অনুসূচীত জাতিৰ এনেকৈ পায় কিন্তু জনজাতি বা অনুসূচীত জাতিৰ লোকক নিদি সেই বুলো ভায়োলেট কৰিছে— এই বিষয়া জনে। গতিকে এই বিষয়ে মুখ্য মন্ত্ৰী মহোদয়ে কি ব্যৱস্হা গ্ৰহণ কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— যি সমূহ অভিযোগ পোৱা হৈছে সেই অভিযোগ বিলাকৰ তদন্ত কৰিবলৈ আমি আগবাঢ়ি গৈ আছো। এই বিভাগতে এই নিযুক্তি নহয় বিভিন্ন বিলাক বিভাগত অনিয়ম কৰি নিযুক্তি দিয়া হৈছিল। সেই বিলাক অভিযোগ এতিয়া আমাৰ হাতত পৰিছে। আনকি আপোনালোকে জানে বন বিভাগৰ উচ্চ পৰ্য্যায়ত পদোন্নতিৰ ক্ষেত্ৰত যিবিলাক খেলিমেলি কৰিছিল সেইবিলাকৰ আমি বিছাৰ বিবেচনা কৰিছো। মাননীয় সদস্য গৰাকীৰ এই ধৰণৰ প্ৰশ্নক মই ধন্যবাদ জনাইছো।

Shri BINAI KHUNGUR BASUMATARI—Mr. Speaker, Sir, the Hon'ble Member of this House (Shri Hemen Das) has raised a very pertinant question. Now, in the light of the present Governments policy, whether these people will be immediately discharged and an enquiry be conducted ? Sir, I would like to know from the Hon'ble Chief Minister categorically whether these people, who were appointed irregularly, will be discharged immediately ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— চৰকাৰে এই বিষয়ে তদন্ত কৰিব, মাননীয় সদস্যাই কি কব বিছাৰে ? মই আগতে কৈছো তদন্ত কৰা হব। কিন্তু মাননীয় সদনৰ সদস্য সকলে কি বিছাৰে ? চাকৰী বাতিল কৰা নেকি ?

শ্ৰীহেমেন দাস :— নিৰ্বাচন আয়োগে নিৰ্বাচনৰ জাননী দিয়াৰ পাছত কোনো চৰকাৰে কাকো বেনিফিট দিব নোৱাৰে বা ব্যক্তিগত সা-সুবিধা দিব নোৱাৰে।

**বি : কলাই গাওঁত বৈদ্যুতিকৰণ।**

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

৪। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

কলাইগাঁও বিধান সভা সমষ্টিৰ ৮৩খন গাওত বৈদ্যুতিকৰণ হৈছে বুলি বিভাগীয় কতৃপক্ষই জনাইছে যদিও প্ৰকৃতাৰ্থত বৈদ্যুতিকৰণ নোহোৱাটো সচানে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( বিদ্যুৎ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪। কলাইগাঁও বিধান সমষ্টিৰ ৯৫ খন গাঁওত বৈদ্যুতিকৰণ কৰা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰীকা :— মই বিদ্যুৎ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো বিদ্যুৎ উৎপাদনৰ যোগেদি এখন দেশ উন্নয়নৰ ক্ষেত্ৰত বহুত আগবাঢ়ি যাব পাৰে অৰ্থাৎ বিদ্যুৎতে দেশখনত এটা ইম্পৰটেন্ট ৰোল প্লে কৰে। আজি আমাৰ দেশত তেনেধৰণৰ উৎপাদন হোৱা নাই। আমাৰ দেশত নদ-নদী বহুত আছে আৰু সেইবিলাকৰ পৰা যথেষ্ট বিদ্যুৎ উৎপাদন কৰিব পৰা যায়। এতিয়া আমাৰ নতুন চৰকাৰে এই বিদ্যুৎৰ সমস্যা সামাধানৰ কাৰণে আৰু পীড়িত জনসাধাৰণক তাৰ পৰা সকাহ দিবৰ কাৰণে সোৱনশিৰি আদি নদীত তেনেকুৱা কিবা উদ্যোগ হাতত লৈছে নেকি ?

শ্ৰীদীগেন বৰা (মন্ত্ৰী) :— এই কথাটো পৰীক্ষা কৰা হব আৰু পৰীক্ষাৰ পিছত সম্ভৱপৰ ব্যৱস্হা গ্ৰহণ কৰা হব।

শ্ৰীমহেন্দ্ৰ ৰায় চৌধুৰী :- মন্ত্ৰী মহোদয়ে কলাইগাঁও বিধান সভা সমষ্টিত ৯৫ খন গাঁও বৈদ্যুতিকৰণ কৰা হৈছে বুলি কৈছে। কিন্তু কিছুমান গাওঁত অকল খুটা পুতি থৈছে বা খুটা বিলাক মাটিতে পৰি আছে। ৰৰমালখা মোৱাথল আদি ঠাইত খুটা মাটিতে পৰি আছে। এলটি লাইন বিলাকত

শ্ৰীদীগেন বৰা (শক্তি মন্ত্ৰী) :— এই অভিযোগ বিলাকৰ তদন্ত চলাই ব্যৱস্থা কৰা হব।

শ্ৰীফনি টায়েং :— আমাৰ জোনাই অঞ্চলত বিদ্যুৎ সম্প্ৰসাৰণৰ কিবা ব্যৱস্থা ইতিমধ্যে চৰকাৰে হাতত লৈছে নেকি?

শ্ৰীদীগেন বৰা (শক্তি মন্ত্ৰী) :— এই প্ৰশ্নটোৰ উত্তৰ ইয়াত দিব পৰা নহব।

## MISCELLANEOUS MATTER

Shri CHARAN NARZARY—Mr. Speaker, Sir, a point of clarification. I want to know from the Hon'ble Chief Minister as to whether it is a fact that the Dibrugarh University has been closed for indefinite period and if it is so, what are the issues involved and whether the Hon'ble Chief Minister will give a statement in this matter on the floor of the House?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত(মুখ্য মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই সম্পৰ্কে চৰকাৰক সময়ৰ প্ৰয়োজন হব।

Mr. SPEAKER.—Now, item no. 2—Shri Ardhendu Kumar Dey.

## CALLING ATTENTION

*শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে :— মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো উত্থাপন কৰি মই সদনত জনাব খোজো যে এই সম্পৰ্কত 'আজকাল' কাকতত লিখিছে :

— বরাক উপত্যকায় আলাদা বিশ্ববিদ্যালয় হচ্ছে না —

"গুয়াহাটী—২৯—এ জি পি সরকার বরাক উপত্যকার জন্য আলাদা বিশ্ববিদ্যালয় স্হাপনে আগ্রহী নয়। রাজ্যের অর্থনৈতিক পরিস্হিতির কথা ভেরেই এই সিদ্ধান্ত নেওয়া হয়েছে বলে জানা গেছে। এ ক্ষেত্রেও রাজ্যের অর্থনৈতিক সংকটেয় দোহাই তুলেছে এ জি পি সরকার। বরাক উপত্যকার জন্য নতুন বিশ্ববিদ্যালয় স্হাপনের যে প্রস্তাব গ্রহণ করেছিল শইকীয়া সরকার সেই সিদ্ধান্ত উড়িয়ে দিয়ে এ জি পি সয়কারের কক্ষ থেকে নাকি বলা হয়েছে, রাজ্যের ছটি বিশ্ববিদ্যালয় কঠিন অর্থসংকটের সম্মুখীন। এই অবস্হায় আরু একটি বিশ্ববিদ্যালয়ের অর্থভার করা রাজ্যের পক্ষে সম্ভব নয়"——

অধ্যক্ষ মহোদয়, এইটো কথাস্পষ্ট হৈ পৰিছে যে ব্ৰহ্মপুত্ৰ উপত্যকাত কিবা এটা হোৱাৰ পিচতহে বৰাক উপত্যকাৰ কথা চিন্তা কৰা হয়। উদ্যোগ বা বিশ্ববিদ্যালয় বা ইঞ্জিনীয়াৰিং যি কোনো কাজতে দেখা গৈছে বৰাক উপত্যকাৰ কথা ভবা হয় যেতিয়া বাকী খিনিত হৈ উঠে। কাছাৰৰ কথা পিচতহে ভবা হয়। ইঞ্জিনীয়াৰিং কলেজ যোৰহাট আৰু গুৱাহাটীত হোৱাৰ পিচতহে শিলচৰৰ কথা আহিছিল। গতিকে কাছাৰৰ জনসংখ্যাৰ ভিত্তিত চাব লাগিলে — — — —

অধ্যক্ষ :— বিষয়টো উত্থাপনহে কৰিব লাগে। এতিয়া শিক্ষামন্ত্ৰীয়ে উত্তৰ দিব।

*শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো প্ৰশ্নৰ উত্থাপন কৰিছে তাৰ উত্তৰত এইটো কব বিচাৰিছো যে মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে আৰু শ্ৰীশান্তিৰঞ্জন

*Speech not Corrected.

দাসগুপ্ত দেৱে বৰাক বিশ্ববিদ্যালয় এখন স্থাপনৰ বিষয়ে ইংৰাজী ৩০।১২।৮৫ তাৰিখৰ আজকাল বাৰ্তাৰি কাকতত প্ৰকাশিত বাৰ্তাৰৰ বিষয়ত দিয়া জাননীৰ সন্দৰ্ভত জনোৱা হয় যে একাংশ বাৰ্তাৰি কাকতত বৰাক উপত্যকাত পৃথক বিশ্ববিদ্যালয় স্থাপনৰ বিষয়টো চৰকাৰে বিলুপ্ত কৰা বুলি প্ৰকাশ পোৱা বাৰ্তাৰলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছিল আৰু সেইমতে ৩১।১২।৮৫ তাৰিখে এক প্ৰেছ বিজ্ঞপ্তি যোগে চৰকাৰে স্পষ্টীকৰণ দিয়ে যে উক্ত বিষয়ত কোনো সিদ্ধান্ত লোৱা নাই আৰু বিষয়টো চৰকাৰৰ বিবেচনাধীন। চৰকাৰৰ উক্ত বিজ্ঞপ্তি স্থানীয় বাৰ্তাৰি কাকত অসম ট্ৰিবিউন আৰু চেণ্টিনেলত ইতিমধ্যে প্ৰকাশ পাইছে। বৰাক উপত্যকাত এটা বিশ্ববিদ্যালয় স্থাপন কৰা বিষয়টো চৰকাৰে বিবেচনা কৰি আছে বুলি ৯০।১।৮৬ তাৰিখে অসম বিধান সভাত দিয়া মহামান্য অসমৰ ৰাজ্যপাল মহোদয়ৰ ভাষণত স্পষ্ট উল্লেখ কৰা হৈছে। বৰ্ত্তমান গণ পৰিষদৰ চৰকাৰৰ কাৰণে কাছাৰৰ বৰাক উপত্যকা বা ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰিব বিচৰাৰ দৰে কোনো ভেদ নাই। সদৌ অসমৰ উন্নতিয়েই বৰ্ত্তমান চৰকাৰৰ কাম্য আৰু সেই উদ্দেশ্য ৰাখিয়েই কাম কৰাৰ নীতি নিৰ্দ্ধাৰণ কৰা হব।

## MATTER UNDER RULE 301

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০ জানুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত প্লাইউদ কাৰখানাই অসমৰ হাবি উদং কৰিলে শীৰ্ষক বদৰ্তাবিটোৰ সম্পৰ্কত উত্থাপন কৰি কব খোজো যে এই বিষয়টোৰ সন্দৰ্ভত যিবোৰ অভিযোগ দাঙি ধৰা হৈছে সেই সম্পৰ্কে মই আমাৰ নতুন চৰকাৰক অনুৰোধ কৰিছো যেন এই বিষয়টোৰ ওপৰত এটা কঠোৰ তদন্ত চলায় আৰু অসমৰ সেউজী সোণ যাক গ্ৰীণ গল্ড বুলি কোৱা হয় সিই সেউজী সোণ চোৰাং ভাবে বাহিৰলৈ যোৱাতো বন্ধ কৰে আৰু ইতিমধ্যে হৈ থকা চোৰাং চালান বিলাকৰ ক্ষেত্ৰত হস্তক্ষেপ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই সন্দৰ্ভতঅতি সোনকালে তদন্ত কৰিব লাগে। বিশেষকৈ মই কেইটামান কথা নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ওৱাকিং প্ল্যান প্ৰেচক্ৰিপচন বুলি বন বিভাগৰ যিটো আঁচনি আছে সেই বিভাগলৈ যি সকল বিষয়াক পোষ্টিং দিয়া হয় সেই সকলক তেনে বিষয়াৰ মাজৰ পৰাই দিয়া হয় যি সকলে মন্ত্ৰী সকলৰ কথা নশুনে অথবা যি সকলৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা লবলগীয়া হৈছে সেই সকলকহে। আচলতে অসমত যিমানখিনি কাঠ আছে সেই ক্ষেত্ৰত কেপিটেল ইনটেক্ট ৰাখিহে কাটিবলৈ কাঠৰ আদেশ দিয়া হয় বা দিব লাগে। কিন্তু সেই নীতি পালন কৰা হোৱা নাই। বিশেষকৈ প্লাইউদৰ ক্ষেত্ৰত এইটো লক্ষ্য কৰিলে দেখা যায় যে চৰকাৰে যিমানখিনি প্লাইউদ কোটা হিচাপে দিয়ে তাৰ প্ৰডাক্ট গুড়চখিনি অসমত বিক্ৰী হব লাগে। কিন্তু সেইটো নহৈ অসমৰ প্লাইউদৰ দ্বাৰা বাহিৰত বিক্ৰী হৈ আছে। তাৰ বাবে প্ৰতি বছৰে প্ৰায় এশকোটি টকা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে এইটো ভালকৈ তদন্ত কৰি বিক্ৰী কেন্দ্ৰ বিলাক অসমৰ ভিতৰতে কৰাৰ ব্যৱস্থা কৰিব লাগে।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমত হলং আৰু সেকাই কাঠৰ ব্যৱহাৰৰ বাবে প্লাইউদ উদ্যোগৰ জন্ম হয়। ১৮৮২ চনত আসাম ৰেলৱে আৰু ট্ৰেডিং কোম্পানীয়ে মাৰ্ঘেৰিটাত প্ৰথম প্লাইউদ মিলটো স্থাপন কৰে। সেই কালত লক্ষীমপুৰ ডিভিজনত এটা বৃহৎ বনাঞ্চল এই কোম্পানীক লিজত দিয়া হয়। এই লিজ (লিজ) ১৯৫৮ চনত শেষ হয়। ১৯৫২ চনৰ পৰা ১৯৫৭ চনৰ ভিতৰত অসমত ৮ টা প্লাইউদ মিল প্ৰতিষ্ঠা হয় আৰু তাৰ বাবে ১৯৫৫ চনত প্ৰতিষ্ঠা হোৱা বিৰলাগোষ্ঠী উদক্ৰাফট্ নামৰ মিলটোক দিছে আৰু তিৰো সংৰক্ষিত বনাঞ্চলৰ কিছু অঞ্চল লিজত দিয়া হয়। ১৯৫৮ চনত যেতিয়া মাৰ্ঘেৰিটাৰ আসাম ৰেলৱে আৰু ট্ৰেডিং কোম্পানীৰ লিজ শেষ হোৱাৰ বাবে পুনৰ লিজ দিয়াৰ গুনাগঠা কৰা হয় ; তেতিয়া বাকী মিল বিলাকেও লিজ পাব লাগে বুলি দাবী জনায়। যিহেতু ইমানবোৰ মিলক লিজ দিয়া সম্ভৱপৰ নহয়, গতিকে চৰকাৰে বন বিভাগৰ পৰা এটা নিৰ্দ্ধাৰিত দামত মিলবোৰলৈ কাঠ যোগান ধৰাৰ প্ৰথা প্ৰবৰ্ত্তন কৰে। অসমত প্লাইউদ উদ্যোগ বিশেষকৈ চাহ বাগিছাৰ চাহৰ বাকচৰ চাহিদা পূৰাবৰ বাবে ৰেহাই মূল্যত প্লাইউদ যোগান ধৰা হৈছিল, কিন্তু বৰ্ত্তমানে এই অৱস্থাৰ সম্পূৰ্ণ পৰিবৰ্ত্তন ঘটিছে।

*Speech not Corrected.

এই প্ৰথামতে বনাঞ্চলৰ কোপ সমূহৰ পৰা প্লাইউদৰ উপযোগী কিছুমান কাঠ ঠিকাদাৰ সকলে বাধ্যতামূলক ভাবে বন বিভাগক জমা দিব লগা হৈছিল আৰু বনবিভাগে প্লাইউদ উদ্যোগ বিলাকক কাঠৰ যোগান ধৰিছিল।

বৰ্ত্তমান অসমত বিভাগীয় হিচাবমতে মুঠ ৬৪ টা প্লাইউদ মিল আছে। এই মিল বিলাকক প্ৰয়োজনীয় কাঠ প্ৰায় ৩,০০,০০০ ঘন মিটাৰ হব। ইয়াৰ এক ষষ্ঠাংশত যোগান ধৰা অসমৰ বাবে সম্ভৱপৰ নহয়। সেয়েহে ৰাষ্ট্ৰপতি শাসনৰ কালত ৩।১১।৮২ তাৰিখৰ কাৰ্য্যনিৰ্বাহক কমিটীৰ সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত ঠিকাদাৰ সকলৰ পৰা বাধ্যতামূলক ভাবে কাঠ লৈ ৰেহাই মূল্যত প্লাইউদ মিলক যোগান ধৰা পদ্ধতি বাতিল কৰা হয়। ইয়াৰ পৰিবৰ্ত্তে বিভাগীয় ভাবে কাঠ কাটি প্লাইউদ মিলক যোগান ধৰাৰ পদ্ধতি প্ৰৱৰ্ত্তন কৰা হয়।

কাৰ্য্যনিৰ্বাহক কমিটীৰ সিদ্ধান্ত অনুসৰি বন বিভাগৰ সচিব, উদ্যোগ বিভাগৰ সচিব, বিত্ত বিভাগৰ সচিব, মুখ্য বনসংৰক্ষকক লৈ এখন কমিটী গঠন কৰা হয়। এই কমিটীয়ে প্লাইউদ উদ্যোগ আৰু চাহ বাকচ বনোৱা মিল বিলাকক উচিত মূল্যত কাঠ যোগান আৰু বিশেষকৈ ক্ষুদ্ৰ উদ্যোগ সমূহে যাতে যথা পৰিমাণৰ আবন্টন পায় তাৰ বাবে অনুসন্ধান আৰু পৰীক্ষা কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হয়। আৱশ্যকতা আৰু বিতৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব সহকাৰে পৰীক্ষা কৰি কাঠৰ আবন্টন সুনিশ্চিত কৰিবলৈ এই কমিটীক দায়িত্ব দিয়া হয়।

এই অনুসৰি ১৯৮২-৮৩ চনৰ ভিতৰৰ কালছোৱাত ৪৬,৬০০ ঘন মিটাৰ প্লাইউদ সেই সময়ত স্বীকৃতি পোৱা ৩৮ টা মিলক যোগান ধৰা হয়। সেই অনুপাতে ১৯৮৩-৮৪ চনত ৬,৫২০ ঘন মিটাৰ প্লাইউদ ৪০ টা স্বীকৃতি প্ৰাপ্ত মিলক আৰু ১৯৮৪-৮৫ চনত ৪০,৮০০ ঘন মিটাৰ প্লাইউদ কাঠ ৪০ টা ব্যৱসায়িক মিল আৰু চাহৰ বাকচ বনোৱা মিলক যোগান ধৰা হৈছিল। ইয়াৰ বাহিৰেও ১৯৮৩-৮৪ চনত ১৩ টা মিলক ৫,৬৫২ ঘন মিটাৰ কাঠ এটক আবন্টন দিয়া হৈছিল আৰু ১৯৮৪-৮৫ চনৰ কালছোৱাত ১৪ টা মিলক ৭,৯০০ ঘন মিটাৰ কাঠ এক কালীন (এটকা) ভাবেও দিয় হৈছিল।

এইখিনিতে উল্লেখ কৰিব পাৰিযে ১৯৮২-৮৩ চনৰো আগৰ আবন্টন দিয়া কিছুমান কাঠ, মিল বিলাকে সম্পূৰ্ণ ভাবে লব নোৱাৰাত ১৯৮৩-৮৪ চনত ১৩,৫৪৫ ঘন মিটাৰ কাঠ আৰু ১৯৮৪-৮৫ চনত ২,২৬২ ঘন মিটাৰ (বেক লগ) আবন্টন হিচাবে কিছুমান মিলক দিয়া হয়।

এইটো কথা সত্য যে বেছিভাগ প্লাইউদ উদ্যোগৰ মালিক অসমৰ বাহিৰৰ লোক আৰু এই মিল বিলাকৰ মুখ্য কাৰ্য্যালয় অসমৰ বাহিৰত অৱস্থিত। এই মিল বিলাকত তৈয়াৰী প্লাইউদ অসমৰ বাহিৰত বেছি বিক্ৰি হয় আৰু তাৰ বাবে আবকাৰী শুল্ক, বিক্ৰি কৰ আদি ৰাজহৰ পৰা অসম বঞ্চিত হয়। এই মিল বিলাকত কাম কৰা কৰ্মীৰ ভিতৰত থলুৱালোকৰ সংখ্যাও নিচেই তাকৰ। বৰ্ত্তমান প্ৰৱৰ্ত্তন কৰা নীতি/পদ্ধতি মতে প্লাইউদ মিলক বিভাগীয় ভাবে কাঠ কাটি কাঠৰ যোগান ধৰা হয়। সেয়েহে কোনো ঠিকাদাৰক বন্যাঞ্চলত সোমাই কাঠ কাটিবলৈ দিয়া নহয়। বিভাগীয় ভাবে কটা কাঠ ওৰকিং প্লেন মতেহে কটা হয়। যথেমধে কটা নহয়। তথাপিও কিছুমান অসৎ ব্যৱসায়ীয়ে চোৰাংকৈ কাঠ কটা মাজে সময়ে বাৰ্তাৰ পোৱা যায়। আৰু এনে সংবাদ পালে বৰ্ত্তমান চৰকাৰে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰে।

বাৰ্তাৰত উল্লেখ কৰা ডিগবৈৰ সংমণ্ডলত কাঠ কাটি বিভাগীয় ডিপুলৈ ননাকৈ সংমণ্ডলৰ পৰা ঠিকাদাৰক বিক্ৰি কৰা বুলি যি অভিযোগ উঠিছে সেই সম্পৰ্কে বিহিত তদন্ত কৰা হব। শিৱসাগৰ সংমণ্ডলতো কাঠ কটাৰ খৰছৰ বাবদ উঠা অভিযোগৰ তদন্ত কৰোৱা হব।

মেৰাপানীৰ ঘটনাৰ বিষয়ে বৰ্ত্তমান এখন তদন্ত কমিটীয়ে তদন্ত কৰি আছে। সেয়েহে এই ক্ষেত্ৰত এতিয়াই মতামত দিয়া সমীচিন নহব।

এইটো কথা স্বীকাৰ্য্য যে অসমৰ বনসমূহ সংৰক্ষণৰ বাবে আঁচনি বা নীতি গ্ৰহণ নকৰাৰ ফলত আৰু সময়ে সময়ে বনাঞ্চলৰ বনজাত সম্পদৰ বিষয়ে বেলেগ বেলেগ পদ্ধতি গ্ৰহণ কৰাৰ ফলত অসমৰ বনাঞ্চলত দুৰ্নীতিয়ে দেখা দিয়া পৰিলক্ষিত হয়। বৰ্ত্তমান চৰকাৰে বনাঞ্চল সংৰক্ষণৰ বাবে জনসাধাৰণৰ সহযোগিতাত এক দীৰ্ঘম্যাদি নীতি নিৰ্দ্ধাৰণ কৰাহে৷ বিবেচনা কৰি আছে। ইয়াৰ উপৰিও তৎকালীন হিচাপে তলত দিয়া ব্যৱস্থাসমূহ জৰুৰী ভাবে গ্ৰহণ কৰিছে :—

(১) নতুন প্লাইউদ উদ্যোগ আৰু কাঠফলা কলৰ অনুজ্ঞাপত্ৰ সম্পূৰ্ণ ৰূপে বন্ধ কৰা হৈছে।

(২) কাঠৰ পাৰ্মিট দিয়া বন্ধ কৰা হৈছে। ইয়াৰ উপৰি ব্যক্তিগত ভাবে, কাঠফলা কল বিলাকক আৰু অন্যান্য সকলৰ ক্ষেত্ৰত আগতে দিয়া অনুজ্ঞাপত্ৰ বন্ধ কৰা হৈছে।

(৩) পৰিকল্পনাৰ আচনি অনুসৰি বৃক্ষৰোপন আৰু বনানি পূৰ্ণ জীৱিত কৰণৰ বাবে কটাৰ বাবে আন সকলো কাঠ কটা বন্ধ কৰি দিয়া হৈছে।

(৪) অবৈধ ভাবে কাঠ কটা বন্ধ কৰিবৰ বাবে বিশেষ ভাবে গঠিত তদাৰকী স্কোৱাড্ বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰা হৈছে আৰু অবৈধ ভাবে কটা কাঠ বিচাৰি উলিয়াবলৈ আৰু জব্দ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। ইয়াৰ উপৰিও প্ৰত্যেক বন সংৰক্ষক আৰু সংমন্ডল প্ৰাধিকাৰী, উপায়ুক্ত, মহকুমাধিপতি, আৰক্ষী অধীক্ষক আৰু দন্ডাধীশ সকলৰ সহায়ত এনে একোটা স্কোৱাড্ গঠন কৰি বনাঞ্চলত অবৈধ কাঠ কটা বন্ধ ও জব্দ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

*শ্ৰীঅভিজিত শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, যিটো বিবৃতি দিছে এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো সামাজিক বনানীকৰণৰ ওপৰত। সামাজিক বনানীকৰণ বিভাগে গছপুলি বেৰিবৰ কাৰণে কিছুমান সৰু গছপুলি কাটি তাৰ ওপৰত কাটাতাৰ মাৰি গছপুলি বেৰ দিয়া দেখিবলৈ পোৱা গৈছে। উদাহৰণ স্বৰূপে মই গোগামুখলৈ যাওতে তাত বহুটো অঞ্চলত এনেদৰে গছৰ দাল কাটা বা সৰু সৰু গছ কাটি তাৰ ওপৰত কাটাতাৰ মাৰি বনানীকৰণৰ গছপুলি বেৰ দিয়া দেখিবলৈ পাইছো। এইটো বৰ বেয়া কথা হৈছে। আচলতে এইবোৰ কাঠৰ খুটা হব লাগে। এই বিভাগেই যদি এনেদৰে গছপুলি বা গছৰ ডাল কাটি এনেদৰে কামত খটুৱাই তেনেহলে কেনেকৈ হব? এনেদৰে বহুতো গছ ধ্বংস হৈছে। এই ব্যৱস্থাটো বন্ধ কৰিবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

*শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত যিটো বিবৃতি দিছে তাৰ পৰা এইটো কথা প্ৰতীয়মান হৈছে যে ৰাজ্যখনত যেনে ভাবে আমাৰ বনজ সম্পদ ৰক্ষা কৰিব লাগিছিল তেনেভাবে ৰক্ষা কৰিব পৰা হোৱা নাই। এই ক্ষেত্ৰত অকল ঠিকাদাৰ সকলৰ ওপৰতহে দোষাৰোপ কৰা হৈছে। কিন্তু বিষয়া সকলে কি কৰিছে? বন বিভাগৰ বিষয়াসকলে বনজ সম্পদ ৰক্ষা কৰিব লাগে— এইটো তেওঁলোকৰ দায়িত্ব। ঠিকাদাৰ সকলে গছ কাটিবই। কিন্তু বন বিভাগৰ বিষয়া সকলক বনজ সম্পদ তথা গছ-গছনি ৰক্ষা কৰিবৰ কাৰণেহে ৰখা হৈছে। সেয়ে মই পৰামৰ্শ দিব খোজো যে এই ক্ষেত্ৰত এটা উচ্চ পৰ্য্যায়ৰ বিভাগীয় তদন্তৰ ব্যৱস্থা কৰিব লাগে আৰু দোষী বিষয়া সকলক কঠোৰ শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগে।

(ভয়চ— বিভাগীয় তদন্ত হলে একো লাভ নাই।)

দ্বিতীয় কথা হৈছে— বন বিভাগত সোমোৱাৰ লগে লগে আমাৰ বন বিষয়া সকলৰ সা-সম্পত্তি প্ৰচুৰ পৰিমাণে বৃদ্ধি পায়। অৱশ্যে নিজৰ নামত নহয়— ঘৈনীয়েকৰ নামত, পেহীয়েকৰ নামত, খুড়ীয়েকৰ নামত ইত্যাদি ইত্যাদি। মোৰ মতে বন বিষয়া সকলে কামত যোগদান কৰাৰ সময়ত তেওঁলোকৰ নিজৰ নামত তথা পৰিয়ালৰ সকলো লোকৰ নামত থকা সা-সম্পত্তিৰ এটা হিচাব ৰাখিব লাগে। আৰু বিষয়া জনৰ চাকৰিৰ কালছোৱাত বৃদ্ধি পোৱা সা-সম্পত্তিৰ লগত তেওঁৰ আৰ্জ্জনৰ সঙ্গতি নথকা দেখিলে তেওঁৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

*Speech not corrected.

ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত বন বিভাগে চলোৱা বিভাগীয় অপাৰেচনৰ ফলত চৰকাৰৰ লোকচান হৈছে। ইয়াৰ ওপৰত চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এটা কথা 'ডিপ মহল' বৰ্ত্তমান বন্ধ হৈ আছে। তথাপি ঠিকাদাৰ সকলে গছকাটি নদীত পেলাই দিয়ে আৰু আতৰত গৈ সেই গছ টানি উঠাই লয়। মই আশা কৰো মাননীয় মুখ্যমন্ত্ৰীয়ে এই তদন্ত কৰি বিহিত ব্যৱস্থা হাতত লব।

তৃতীয় কথা হৈছে– আমাৰ প্লাইউদৰ অফিচবোৰ অসমৰ বাহিৰত হোৱাৰ কাৰণে অসম চৰকাৰৰ ৰাজহৰ প্ৰচুৰ ক্ষতি হৈছে। যিবোৰ প্লাইউদৰ অফিচ আৰু চেল ডিপোট অসমৰ বাহিৰত অৱস্থিত সেই-বোৰ অসমলৈ অনাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এই বিষয়ে সদনত মুখ্যমন্ত্ৰীয়ে আশ্বাস দিব লাগে।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :–মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলক আগতেই কৈছো যে এই বিষয়ে বহুতো অভিযোগ উঠিছে আৰু এইবোৰ তদন্ত কৰিবলৈ দিয়া হৈছে। কিন্তু এই ক্ষেত্ৰত মাননীয় সদস্য সকলে আৰু জনসাধাৰণে সম্পূৰ্ণ সহায় সহযোগ কৰিব লাগিব। মই আশা কৰিছো এই সহায় সহযোগ সকলোৰে পৰা পাম আৰু ইতিমধ্যে এই বিষয়ত বিভাগীয় ভাবে তদন্ত কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

মাননীয় অধ্যক্ষ :– মই এতিয়া কাৰ্য্যউপদেষ্টা সমিতিৰ প্ৰতিবেদন পাঠ কৰিছো–

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ২৩০ নং নিয়মৰ অধীনত মই আজি ২৯ জানুৱাৰী, ১৯৮৬ তাৰিখে পুৱা ৯ বজাত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক মোৰ কাৰ্য্যালয় কক্ষত আহবান কৰিছিলো। সভাই এই মৰ্ম্মে সৰ্ব্বসম্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে যে–৩০ জানুৱাৰী, ১৯৮৬ তাৰিখৰ দিনটো শ্বহীদ দিৱস হোৱা হেতুকে স্বাধীনতা আন্দোলনৰ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি দুই মিনিট সময় মৌনতা অৱলম্বন কৰি জনতা ভৱনৰ সন্মুখত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিত মাল্য প্ৰদান অনুস্থানত মন্ত্ৰীবৰ্গ, সদস্য সকল ও চৰকাৰী বিষয়ববীয়া সকলে ভাগ লোৱাৰ বাবে অহা কাইলৈ ৩০ জানুৱাৰী তাৰিখে সদন ১০·৪৫ বজাৰ পৰা ১১·২৫ বজালৈ স্থগিত ৰখা হব।

## LAYING OF REPORT

Shri PRAFULLA KUMAR MAHANTA (Chief Minister)—Sir, I beg to lay the Report on the Economic Survey of Assam, 1983-84.

Shri NAGEN SARMA (Minister, Handloom, etc.)–Sir, I beg to lay the Annual Report of the Assam Khadi and Village Industries Board for the year, 1983-84.

Shri DIGEN CHANDRA BORA (Minister, Industries etc.)—Sir, I beg to lay the Annual statement of accounts 1980-81 of the Assam State Electricity Board.

Shri DIGEN CHANDRA BORA (Minister, Industries etc.)—Sir, I beg to lay the Annual Report 1978-79 of the Assam Hills Small Industries Development Corporation Limited.

Shri DIGEN CHANDRA BORA (Minister, Industries etc.)—Sir, I beg to lay the Report 1979-80 of the Assam Hills Small Industries Development Corporation Limited.

Shri DIGEN CHANRA BORA (Minister Industries etc.)—Sir, I beg to lay the Fourth Annual Report (1983-84) of the Assam State Textile Corporation Limited.

*Speech not Corrected.

শ্ৰীমোক্তাৰ হুছেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসম চুক্তিৰ কথা কোৱা হৈছে, কিন্তু অসম চুক্তিৰ যিটো মূল ধাৰা— বিদেশী নাগৰিক এই বিষয়টো পৰ্য্যালোচনা কৰা এতিয়াও হোৱা নাই। অসমত বিদেশী ৭৭ লাখ আছিল বুলি শুনিবলৈ পাইছিলো। এজন মাননীয় সদস্যই কৈছিল যে অকল কামৰূপ জিলাতেই ২৮ হাজাৰ বিদেশী নাগৰিক আছে। সেই কাৰণে আজিৰ যিখন চৰকাৰ সেইখনে বিষয়টো লৈ বিশেষ গুৰুত্ব দিব লাগে। এজন মাননীয় এ, জি, পি, সদস্যাই কৈছে যে, যদি অসম চুক্তি কাৰ্য্যকৰী নকৰো তেতিয়াহলে অসমৰ জন গণে আমাক ৰেহাই নিদিয়ে। ইয়াৰ মূলতে বিদেশী নাগৰিকৰ সংখ্যাৰ যিটো ব্যাপকতা সেই বিষয়ে চৰকাৰে তাৰ এটা প্ৰকৃত সংখ্যা ৰাইজক দিব পৰা নাই বা আজিও সদনে জানিব পৰা নাই। সেই কাৰণে মই কব বিচাৰো বিদেশী নাগৰিকৰ সংখ্যাৰ যিটো হিচাব দেখুৱাইছে সেই হিচাবটো অতি সোনকালে পৰ্য্যালোচনা কৰি তাৰ এটা সঠিক সংখ্যা উলিয়াব লাগে। অগ্ৰদূত কাকতে কৈছে অধ্যক্ষ মহোদয়ৰ সমষ্টি বৰক্ষেত্ৰীতেই যি কেইটা চৰ আছে তাতে হেনো বিদেশী নাগৰিক ভৰপূৰ হৈ আছে। তাৰ পৰা অনুমান হয় বিদেশী নাগৰিক কিমান আছে। গতিকে এই কথা বিলাক বিচাৰ কৰি চাব লাগে। এতিয়া মুকালমুৱাৰ কামবাৰী, কুৰিহামাৰী আদি ঠাইত এজনো বিদেশী নাগৰিক আছে বুলি ওলাই দিয়ক চোন তেতিয়াহলে সংখ্যাটো ওলাই পৰিব। ১৯৫২ চনৰ পৰা ১৯৮৩ চনলৈকে ভোটাৰ তালিকাত নাম থকা স্বত্বেও বিষয়া সকলে নাম ভোটাৰ তালিকাৰ পৰা নাম কৰ্ত্তন কৰিছে। এই ক্ষেত্ৰত কিমান বিদেশী নাগৰিক আছে সেই বিষয়ে জানিব পাৰিলে ভাল আছিল। কোনো প্ৰমাণ পত্ৰ নেচোৱাকৈ এই কৰ্ত্তন বিলাক কৰা হৈছে। ৰাজ্যপালৰ ভাষণত ভাৰত নেপাল চুক্তি সম্পৰ্কে কোনা কথা কোৱা নাই নেপালী সকলৰ বাবে বিদেশী চিনাক্ত কৰাৰ ভিত্তি বছৰ ১৯৭৬ চনৰ ৩০ জুন হব লাগে। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত বাস্তবিক দিশটো চাবলগীয়া। অসম চুক্তি স্বাক্ষৰ কৰোতে বৰ্ত্তমানৰ মূখ্যমন্ত্ৰী তেখেত আছিল ছাত্ৰ সংস্থাৰ সভাপতি, সেই সময়ত এজন বেলেগ ব্যক্তি আৰু এতিয়া এজন বেলেগ ব্যক্তি আৰু তেওঁ এতিয়া মূখ্যমন্ত্ৰী হিচাবে এই প্ৰক্ৰিয়াটো চালি-জাৰি ৰোৱাৰ প্ৰয়োজন হৈ পৰিছে আৰু অসম চুক্তি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত যাতে সকলো দলৰ মানুহেই অংশ গ্ৰহণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। ১৯৮৫ চনত ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল যে অসমত প্ৰশাসনত হোৱা দুনীতি বিলাক দূৰ কৰা হব। আৰু এ, জি, পি, য়ে যোগান দিছিল প্ৰশাসনিক দুনীতি বিনাক আতৰ কৰা হব। কিন্তু ৰাজ্যপালৰ ভাষণত তাৰ কোনো উল্লেখ নাই।

( মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই চেয়াৰমেন হিচাবে অধ্যক্ষৰ আসন গ্ৰহণ কৰে )

মাননীয় চেয়াৰমেন মহোদয়, আমাৰ চৰকাৰে বাৰে বাৰে শান্তি সম্প্ৰীতিৰ কথা কৈ আহিছে আৰু বিশ্ব বিদ্যালয় বা শিক্ষা অনুস্থান বিলাকত শান্তি সম্প্ৰীতি ৰখাৰ কাৰণে চেষ্টা সদায় চলি আছে কিন্তু আমি জানিবলৈ পোৱা মতে ডিব্ৰুগড় বিশ্ববিদ্যালয়তেই পুলিচ বেটেলিয়নৰ কেম্প কৰি দিয়া হৈছে তেনে ক্ষেত্ৰত আজি দেখা যায় শ্লোগান অৰু বাস্তবৰ মাজত যথেষ্ট পাৰ্থক্য ওলাই পৰিছে। এই যি খন চৰ-কাৰ এতিয়া গাদীত বহিছে তেওঁলোকেই নিৰ্বাচনৰ সময়ত এটা বিৰাট কাৰচুপি কৰিছিল। তাৰ এটা তদন্ত হব লাগে। আমি আগতে শুনিছিলো যে ভোট দিবৰ সময়ত ৰিগিং হয় কিন্তু এইবাৰ দেখিলো সময়ত ৰিগিং হৈছে। এইবাৰ ভোট গণনাৰ সময়ত দেখা গল ৫০ টা ৫০ টা কৈ পেকেট কৰিছে কিন্তু গণনাৰ সময়ত সেই বিলাক কোনো কোনোৰ কাৰণে ৩০/৪০ টা আৰু কোনো কোনো দলৰ কাৰণে কেতিয়াবা ৬০/৭০ টাও হৈছে। এইদৰে গণনাটো ৰিগিং হৈছিল। এই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগিছিল। তাৰোপৰি বেলট পেপাৰ আৰু চিয়াহী তুলি দিয়া ইত্যাদি বিলাক অনেক খেলিমেলি ভোটৰ সময়ত হৈছিল। ইয়াৰ ওপৰিও নিৰ্বাচনৰ সময়ত ভয় ভিত্তি প্ৰদৰ্শন কৰা হৈছিল। সেইখিনি সময়ত এটা শ্লোগান দিয়া হৈছিল— 'আহিছে হাতী দোৱা নাই, দৌৰিলে হাতী কাৰো ৰক্ষা নাই'। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰি ধন্যবাদ জনাইছো।

শ্ৰীকুমাৰ দীপক দাস ঃ— মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মোৰ বন্ধু শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱটো মই সমৰ্থন কৰিছো আৰু এই ভাষণৰ বাবে ৰাজ্যপাল মহোদয়লৈ ধন্যবাদ জনাইছো। ৰাজ্যপাল মহোদয়ে যিটো ভাষণ দিলে এনে ভাষণ বিগত ৩০ বছৰত চৰকাৰে পাইছিলনে নাই নজানো কিন্তু বৰ্ত্তমান যিখন সৰ্বাংগ সুন্দৰ ভাষণ দিলে সেই খন সকলো সদস্যাই গ্ৰহণ কৰিব বুলি আশা ৰাখিছো।

বিগত ৬ টা বছৰ অসমৰ জনসাধাৰণে বিদেশী নাগৰিকৰ প্ৰব্ৰজন বন্ধ কৰা আৰু বিতৰণৰ দাবীত চলা আন্দোলনৰ ফলত ১৯৮৫ চনৰ ১৫ আগষ্টত যি চুক্তি হল এই চুক্তি আখৰে আখৰে কাৰ্যকৰী কৰা হব বুলি এই ভাষণত প্ৰতিশ্ৰুতি দিয়াৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ। আমি ভাবো অসম চুক্তি কাৰ্যকৰী কৰাৰ কাৰণে অসম চৰকাৰে শীঘ্ৰে ব্যৱস্থা লব। ইয়াত এই প্ৰতিশ্ৰুতি আমি চৰকাৰৰ পৰা পাই সুখী হৈছো যে অসমত যি সকল বিদেশী নাগৰিক আছে সেই সকলক শীঘ্ৰে চিনাক্তকৰণ কৰি বহিস্কাৰৰ ব্যৱস্থা কৰা হব। এই সম্পৰ্কত চৰকাৰৰ তৰফৰ পৰা নিৰ্দ্দিষ্ট সময় আৰু নিৰ্দ্দিস্ত ব্যৱস্থা ঘোষণা কৰা হব। আগৰ চৰকাৰটো বিদেশী চৰকাৰ থকাৰ কাৰণে বিদেশী নাগৰিক সকলক ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে বেচি সময় চিন্তা কৰাৰ কাৰণে বা আবন্ধ থকাৰ কাৰণে জনসাধাৰণৰ কল্যাণমূলক কাম কৰিবলৈ সময়কে নাপালে। তাৰ কাৰণেই জনসাধাৰণৰ যি বিলাক অভাৱ অভিযোগ আছিল সেই বিলাক পূৰণ কৰিবলৈ সময়কে নাপালে। তাৰ বিপৰীতে আমাৰ চৰকাৰৰ যি বিলাক গঠনমূলক আৰু প্ৰগতিশীল মনোভাবেৰে কাম কৰাৰ কাৰণে যি প্ৰতিশ্ৰুতি দিছে সেই বিলাকে জনসাধাৰণক আশ্বাস কৰিছে। এতিয়া মই বিৰোধী পক্ষৰ পৰা জাহিৰ কৰিব বিচৰা আগৰ চৰকাৰৰ কিছু কথা উল্লেখ কৰিব খুজিছো। পাঁচবছৰীয়া পৰিকল্পনাত ভাৰতবৰ্ষৰ ভিতৰত অসমে প্ৰথম স্থান পাইছে বুলি তেওঁলোকৰে কোনো এজন মাননীয় সদস্যই কৈছে। ইয়াৰ লগত কেইটামান কথা উল্লেখ নকৰাৰ কাৰণে মই উল্লেখ কৰিব বিচাৰিছো। সেই কেইটা হৈছে ভাৰত বৰ্ষৰ ভিতৰত অসমে দুনীতিত প্ৰথম স্থান পাব লাগে। বিগত বছৰ কেইটাত অসমত যি হত্যাকান্ড চলিল এই হত্যাকান্ডৰ কাৰণে অসমে পৃথিবীৰ ভিতৰতে প্ৰথম স্থান পাব লাগে। বিগত বছৰ কেইটাত অসমত দুনীতিৰ গোহাৰ মেলা হৈছিল, তাৰ ফলত অসমৰ যথেষ্ট ক্ষতি হল। ইয়াৰ কাৰণেই ৰাজ্যপালে জনসাধাৰণক ন্যায় বিচাৰ দিবলৈ বিচাৰিছে। আগতে ন্যায় শাসন বোলা কোনো কথাই নাছিল। স্বৰ্গীয় সুভাষ শৰ্মাক হত্যা কৰা হল এজন মন্ত্ৰীৰ নিৰ্দ্দেশত। পংকাত যুবকক গুলিয়াই হত্যা কৰা হল। গতিকে ন্যায় শাসন আগতে আছিল বুলি আমি কেতিয়াও কব নোৱাৰো। তাৰোপৰি কিছুমান ক'লা আইন প্ৰবৰ্ত্তন কৰিলে যি বিলাক আমাৰ এতিয়াৰ চৰকাৰে উঠাই লোৱাৰ ব্যৱস্থা কৰিছে। ৰাজ্যপালে যি প্ৰগতিশীল ভাষণ ডাঙি ধৰিছে এই ভাষণৰ জৰিয়তেই আমাৰ চৰকাৰৰ প্ৰগতিশীল কাৰ্যকলাপৰ প্ৰমাণ দিছে।

আনহাতে শিক্ষাৰ ক্ষেত্ৰত যি বিলাক কথা কোৱা হৈছে সেই বিলাকো প্ৰগতিশীল। আজি শিক্ষাৰ ক্ষেত্ৰত নতুন পদ্ধতি আনিব খোজা হৈছে। আগৰে পৰা ছাত্ৰ-ছাত্ৰীক কেৰাণী মহৰিৰ যি শিক্ষা দি অহা হৈছিল তাৰ বিপৰীতে নতুন শিক্ষা পদ্ধতিৰ ব্যৱস্থা কৰা হব। ইয়াৰ দ্বাৰা আমাৰ ছাত্ৰ-ছাত্ৰী সকল উপকৃত হব বুলি আমি আশা কৰিছো।

Institute of Management, National Institute of Language, National Institute of Science and Culture,
এনেধৰণৰ শিক্ষানুস্থান সমূহ জনসাধাৰণৰ ওচৰত দিয়া হব। আমাৰ এই চৰকাৰে ইয়াৰ বাবে বিহিত ব্যৱস্থা কৰিব।

আনহাতে ক্ৰিয়া আৰু সংস্কৃতিৰ ক্ষেত্ৰতো আমূল পৰিবৰ্ত্তন অনাৰ ব্যৱস্থা কৰা হৈছে। যিবিলাক জনসাধাৰণৰ কাৰণে লেখত লবলগীয়া দিশ। মহান শিল্পী স্বৰ্গীয় জ্যোতি প্ৰসাদৰ জন্ম দিনটো আগতে পালন কৰি অহা হৈছিল। আগৰ চৰকাৰে উঠাই এনেধৰণৰ অনুস্থান বন্ধ কৰাৰ ব্যৱস্থা কৰিছিল। এইটো পুনৰ প্ৰবৰ্ত্তন কৰা হৈছে। স্বৰ্গীয় বিষ্ণু ৰাভাৰ ৰচনাৱলী আগৰ চৰকাৰে প্ৰকাশ কৰাত বাধা আৰোপ কৰিছিল নানান অজুহাতত সেইবোৰ এতিয়া প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হব বুলি আমি নিশ্চিত।

আনহাতে আগৰ চৰকাৰে যথেষ্ট আধাৰশীলা স্থাপন কৰিছিল। কিন্তু তাৰো আগতে যিবিলাক আধাৰশীলা স্থাপন কৰা হৈছিল সেই বিলাকৰ কাৰ্যকাৰিতাৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল। যেনে-বৰপেটাত স্বৰ্গীয় ফকৰুদ্দিন আলি চাহাবে মৰাপাট কলৰ যি আধাৰশীলা স্থাপন কৰিছিল সেইটোৰ কাৰ্য-কাৰিতাৰ কোনো ব্যৱস্থা নললে। প্ৰথমতে আগতেই স্থাপন কৰা আধাৰশীলা বিলাকৰ কাম হৈ উঠিব লাগে। তাৰ পিচতহে পিচৰ বিলাকৰ কাম হাতত লব লাগে। কিন্তু আগৰ চৰকাৰে সেইদৰে নকৰিলে।

আগৰ চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বৃত্তি বন্ধ কৰি দিছিল। ছাত্ৰ-ছাত্ৰীয়ে যাতে উচ্চ শিক্ষা লব নোৱাৰে তাৰ ব্যৱস্থা হৈছিল। কিন্তু এই বিলাক পুনৰ প্ৰচলন কৰাৰ যি ব্যৱস্থা বৰ্ত্তমান চৰকাৰে লৈছে, ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা দিয়াৰ কাৰণে তাৰ কাৰণেচৰকাৰ নিশ্চয় ধন্যবাদৰ পাত্ৰ। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত

দিঘলীয়া বক্তৃতা দিব বিচৰা নাই, মই আশা ৰাখিছো আমাৰ যিখন নতুন চৰকাৰ, এই চৰকাৰে জন-সাধাৰণৰ কল্যাণৰ কাৰণে, অসমৰ জনসাধাৰণৰ উন্নতিৰ কাৰণে যি খিনি ব্যৱস্থা কৰিছে আৰু ৰাজ্যপালৰ ভাষণত যি খিনি প্ৰতিশ্ৰুতি দিছে আৰু এইটো যেতিয়া সকলোৰেই গ্ৰহণ যোগ্য সেই কাৰণে সকলো সদস্যই ইয়াত সমৰ্থন দিব। মই এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস :— মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত কব যোৱাৰ লগে লগে ভাষণ খনৰ সম্পৰ্কে মই দুআষাৰমান কব বিচাৰিছো। মোৰো ইংৰাজীৰ জ্ঞান উন্নত নহয় গতিকে অসমীয়া পঢ়িয়েই মই ভাল পাওঁ। সেই কাৰণে মই অসমীয়া ভাষণখন আনি পঢ়িলো, কিন্তু তাত এটা বাক্য পালো, প্ৰথম পৃষ্ঠাত আছে চৰকাৰে নিবনুৱা সমস্যা দূৰ কৰাৰ বাবে আৰু সকলো পৰ্য্যায়তে গণতান্ত্ৰিক ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তনৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। ধন-তান্ত্ৰিক ব্যৱস্থাত নিবনুৱা সমস্যা দূৰ কৰাটো অসম্ভৱ কথা। তেতিয়া মই ইংৰাজীখন আনি পঢ়িলো, তাত ৰিডিউচ কৰাৰ কথাহে আছে। আপোনালোকে নিবনুৱা সমস্যা লাঘৱ কৰিব পাৰে, কিন্তু ধণতান্ত্ৰিক ব্যৱস্থাত নিবনুৱা দূৰ নহয়। ছোভিয়েট দেশতো ১৯৩০ চনলৈকে নিবনুৱা সমস্যা আছিল। ১৯৩০ চনৰ চেপ্তেম্বৰ মাহৰ পৰাহে ছোভিয়েত দেশত নিবনুৱা সমস্যাৰ নিৰ্মূল হৈছে। তাৰ আগৰ কালচোৱাত তাতো আছিল। গতিকে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ মাজেৰে নিবনুৱা সমস্যা দূৰ কৰিব খোজাটোত মই আচৰিত হৈছো। আৰু এটা কথা মই পাইছো, সেইটো হৈছে—ৰাজ্যপালৰ ভাষণৰ ৬ পৃষ্ঠাত আছে "গ্ৰাম্য দৰিদ্ৰতা দূৰীকৰণৰ বাবে সৰ্বভাৰতীয় আচনিসমূহ যেনে সংহত গ্ৰাম্য বিকাশ আচনি আৰু গ্ৰাম্য ভূমিহীনৰ নিয়োগ প্ৰত্যাভূমি আচনি সজোৰে কাৰ্য্যকৰী কৰা হব। এই প্ৰত্যাভূমি শব্দটো কি শব্দ? এই শব্দটো ইংৰাজীত থকা বুলি মই ভাৱিছিলো, কিন্তু ইংৰাজীত নাই, অনুবাদত এই শব্দটো সুমুৱাই দিয়া হৈছে। আৰু আন এঠাইত আছে ৩ পৃষ্ঠাত— "চুবুৰীয়া ৰাজ্যসমূহৰ লগত সদভাৱ অটুট ৰাখিবলৈ চৰকাৰ প্ৰয়াস"। ১৯৮৫ চনৰ জুন মাহৰ প্ৰথম সপ্তাহত অসম নগালেণ্ড সীমান্তৰ মেৰাপানীৰ যি দুৰ্ভাগ্যজনক ঘটনাৰ ফলত প্ৰাণহানি আৰু সম্পত্তিৰ বিনষ্ট হৈছিল সেয়া এক বিক্ষিপ্ত ঘটনাহে বুলি ৰাজ্য চৰকাৰে ভাবে আৰু আমি সকলো মতানৈক্য সন্তোষজনক ভাবে সমাধান কৰিম। "উই" শব্দটো ইংৰাজী খনত নাই। অসমীয়াত এই "আমি" শব্দটো কেনেকৈ আহিছে ই ভাবি নাপাও। যি কি নহওক চাৰ, আমি আশা ৰাখিছো ৰাজ্যপালৰ ভাষণ এখন অতি মূল্যবান দলিল। এই ভাষণখন যাতে নিভুৰ্ল ভাবে বাইজে পায়। যি কোনো ইংৰাজী নজনা মানুহে এই ভাষণখন পঢ়িব পাৰে। ইংৰাজী নজনাকৈয়ো বিধান সভাৰ সদস্য হোৱাৰ অধিকাৰ আছে। গতিকে ৰাজ্যপালৰ ভাষণখন ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰিবলৈ ভাবোশাস থাকিব নালাগে। এই ভাষণত মই আৰু এটা কথা দেখিছো যে আমাৰ ৰাইজে বিশেষকৈ যি সকলে ভোট দি আপোনালোকক শাসনত বহুৱাইছে সেই সকলৰ প্ৰচণ্ড আশা আকাংখ্যা প্ৰতিফলিত হোৱা ইয়াত দেখা নাই।

আজি আমাৰ মানুহে কি বিচাৰে? প্ৰতিদিনে বিধায়ক সকলক লগ কৰিবলৈ আহে, নিশ্চয় মন্ত্ৰী সকলৰ তাতো চাকৰি বিচাৰি আৰ্মান কৰিবলৈ অহা মানুহৰ ভীৰ আৰম্ভ হব। নিবনুৱা সমস্যা ৰিডিউচ কৰিবলৈ কি কি ব্যৱস্থা কৰা হৈছে সেই বিষয়ৰ তাত নিৰ্দেশ নাই। গতিকে স্বাভাৱিকতে আমাৰ যুৱক-যুৱতী সকল হতাশ হব। নিবনুৱা সমস্যাৰ সমাধানৰ কাৰণে নিৰ্দ্দেশ থকাটো উচিত বুলি মই ভাবো। যি সকলে আপোনালোকক শাসনৰ গাদীলৈ আনিলে সেই সকলৰ বাবে একো ইংগিত এই ভাষণে বহন কৰিব পৰা নাই।

মুখ্যমন্ত্ৰী মহোদয়ে কেইটামান ভাল কাম কৰাৰ কথা কৈছে, গৃহমন্ত্ৰী মহোদয়েও সংখ্যা লঘিষ্ঠ সকলক নিৰাপত্তা দিয়াৰ কথা কৈছে, আমি ভাল পাইছো। নিৰ্বাচনৰ পিচত ঠায়ে ঠায়ে কেইটামান সৰু সুৰু ঘটনা ঘটিছে, হত্যাও হৈছে তাৰ প্ৰতি আমি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ভাৰতবৰ্ষৰ গণতান্ত্ৰিক ঐতিহ্য আছে, এই ঐতিহ্য ৰক্ষা কৰিবলৈ জনসাধাৰণৰ মাজেৰে যাতে আগবাঢ়িব পৰা হয় সেই কথা চাব লাগিব। নিৰ্বাচনৰ সময়ত মই ৰাইজক চাৰ এটা কথা কৈছিলো যে আজি আমি তিনিও অৰ্থাৎ নিৰ্বাচনৰ প্ৰাৰ্থী তিনিজনে একেলগে চাহ খাইছো, সকলো বিধায়কে আমি বিধান সভাত লগ লাগো। ১৯৮৫ চনৰ নিৰ্বাচন হৈ যোৱাৰ পিচত কোনোবা কোনোবা ঠাইত ৰাজহুৱা মিটিং পাতি এঘৰীয়া কৰা, আৰু বৰঙণি অৰ্থাৎ জৰিমনা দিব লগা হৈছে, ঘৰত থাকিব নোৱাৰা অৱস্থা হৈছে।

বিহুৰ দিনা মোৰ সমষ্টিত পাঁচঘৰ মানুহৰ ঘৰত জুই লগাই দিলে। এই কথাৰ ভাল অনুসন্ধান হব লাগে বুলি মই গৃহমন্ত্ৰী মহোদয়ক কৈছো। আজি এজনে মোক খবৰ দিছে ৰৰমাৰ ওচৰত এখন মিটিং কৰি পাঁচ হেজাৰ টকা জৰিমনা কৰিছে, পাঁচ হেজাৰৰ ঠাইত এহেজাৰ দাবী কৰিছে। গণতান্ত্ৰিক ব্যৱস্থা সবল কৰাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা হাতত লব লাগে। অতি দুখৰ কথা অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ পৰা শিক্ষকতা কৰি থকা এজন মানুহক চাকৰিৰ পৰা আঁতৰ কৰা হৈছে।

বামপন্থী ৰাজনীতি কৰাৰ বাবে দোষী তিনিজন শিক্ষকক চাকৰিৰ পৰা খেদিছে। এয়া গণতন্ত্ৰ নহয়। গণতন্ত্ৰত প্ৰত্যেকে নিজৰ মত প্ৰকাশ কৰাৰ অধিকাৰ আছে। এই অধিকাৰ ৰক্ষাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে। চৰকাৰৰ কাম গণতন্ত্ৰ ৰক্ষা কৰা। ৰাজনীতিত ইফাল সিফাল আছেই। যেনে এইফালে বহা সকল কিছুদিনৰ আগতে সিফালে বহিছিল। এয়াই গণতন্ত্ৰৰ নিয়ম। বেলেগ মত পোষন কৰাৰ বিৰুদ্ধে গাওঁবোৰত যি শাস্তিমূলক ব্যৱস্থা লৈ থকা হৈছে চৰকাৰে তাৰ বিৰুদ্ধে দৃঢ় ভাবে থিয় দিয়া উচিত।

চৰকাৰে এটা ভাল কথা কৈছে সেইটো হৈছে নিয়োগৰ ক্ষেত্ৰত সাক্ষাৎ থকাৰ কথা। মই আগৰে পৰাই এই কথা কৈ আহিছো।

ৰাজ্যপালৰ ভাষণত শব্দৰ ফুলজাৰি আৰম্ভে আছে। কিছুমান অগ্ৰাধিকাৰ দিয়া আছে, কিছু উচ্চ অগ্ৰাধিকাৰ আছে আকৌ কিছুমান উচ্চতম অগ্ৰাধিকাৰ দিয়াৰ কথাও আছে। উচ্চতম অগ্ৰাধিকাৰ দিছে খোৱাপানী যোগানৰ ওপৰত। স্বাধীনতা দিবসত মুখ্যমন্ত্ৰী মহোদয়ে পানী যোগান আচঁনি উন্মোচন কৰিছে, উদ্যোগ মন্ত্ৰীয়েও কৰিছে। কিন্তু এইবোৰ খোৱাপানীৰ আচঁনিয়েই হওক, বা জলসিঞ্চনৰ আচঁনিয়েই বা উদ্যোগৰ আচঁনিয়েই হওক এইবোৰৰ সফলতা নিৰ্ভৰ কৰে বিদ্যুতত। বিদ্যুৎহীন অৱস্থাটো যেতিয়ালৈকে বন্ধ কৰিব নোৱাৰে তেতিয়ালৈ শ্ৰীনাৰ্জৰী ডাঙৰীয়াই কোৱাৰ দৰে ক্ৰমবৰ্ধমান গতিত আন্ধাৰৰ ফালে গতি কৰিব। মোৰ বোধেৰে অগ্ৰাধিকাৰ দিব লাগিব বিদ্যুৎ সমস্যাৰ ওপৰত। এই সমস্যাৰ ওপৰত অগ্ৰাধিকাৰ দিওঁতে আপোনালোকে চাব লাগিব বিদ্যুৎ বোৰ্ড কেনেকৈ চলিছে। বিদ্যুৎ বোৰ্ড সম্পৰ্কত বিভিন্ন কমিটীয়ে দিয়া প্ৰতিবেদনত আৰু 'ইণ্ডিয়ান ইন্ষ্টিটিউট অব মেনেজমেন্ট যি মন্তব্য দিছে সেইটো অতি লাজ লগা মন্তব্য। ২৫ বছৰীয়া এই অনুষ্ঠানটো এইটো কাৰণত লাজ লজ্জিত হোৱা উচিত।

"Flow of information is only one way, that is, from bottom to top. Feedback from the top management in an effective sense is not present. We could not come across any single instance on top management action based on the large amount of information sent up from the different levels regarding many operational and technical aspects. The only area of attention, that too in an unsystematic manner, seems to be the area of personnel, postings, and promotions." That is about the top management.

কি কাম হৈছে বা কাম হৈছেনে নাই সেইবোৰত কাৰো চকু নাই মাত্ৰ অমুকক বদলি কৰক, তমুকক প্ৰমোচন দিয়ক, আৰু অমুকক ভাল পদত দিয়ক সকলো অঙহী বঙহী আদিক আন চাকৰি দিয়া এইবোৰেই কাম হৈছে। আকৌ অৰগেনাইজেচন সম্পৰ্কত মন্তব্য দিছে

Now, regarding Culture of the Organisation. "The organization, during its years of existence, has not developed anything which could be terms as the culture of the organition."

আমি এইবোৰ কি পঢ়িছোঁ, এই ২০ হাজাৰ কৰ্মচাৰীয়ে কি কৰিছে ? ডাঙৰ ডাঙৰ বিষয়া তাত দিয়া হৈছে, এইবোৰে কি কৰিছে ? এটা ডাঙৰ অনুষ্ঠান আজি ধ্বংসৰ মুখলৈ ঠেলি দিছে? এইখন দেশৰ বিভিন্ন উদ্যোগ, আচনি আদি নিৰ্ভৰশীল এই বিদ্যুতৰ ওপৰত। এই বিদ্যুতৰ ওপৰত মন্তব্য দিছে— "Commitment, sense of belongingness, mission orientation, and willingness to give out the best for the organisation are totally lacking."

মই আশা কৰো চৰকাৰে গভীৰভাৱে এই বিষয় বিলাক অনুধাৱন কৰি আৰু এই টেক্‌নিকেল

Now, about the Threats. The major threat faced by the organization is morbidity. Even though, being a public system, question of survival need not be perceived as a possibility, in the present day world stagnation and a slow decline can pose all the consequences of threatened survival.

কিমান চাব এনেকুৱা ৰিপট। গতিকে আজি আপোনালোকৰ হাতত দায়িত্ব আহি পৰিছে, আপোনালোকে এই বিলাক চাই ব্যৱস্থা লব লাগিব। যি সকলৰ হাতত দায়িত্ব আছে তেওঁলোকৰ হাতত ফাইনেন্‌চিয়েল মেনেজমেন্ট নাই। এইদৰে দেশৰ কি উপকাৰ হব। টকা দিলেইটো দেশৰ কাম নহয়। কমকৈ টকা খৰছ কৰিবলৈ দিলে তেওঁলোকে বেয়া পায়, বেছিকৈ দিলে তেওঁলোকে ভাল পায়। ভোমোৰাগুৰি দলংৰ ওপৰত চেন্ট্ৰেল ইলেকট্ৰিচিটি বৰ্ডে কৈছিল যে দলংৰ তলেদি এটা পাইপ কেবল দিলে বিদ্যুৎ নিব পৰা যাব। এইটোত পইচাও কম লাগিব। কিন্তু সেইটো কৰা নহল। বেলেগে লাইন দিয়া হল। কাৰণ সেইটোত খৰচ বেছি। এই বিলাকেই এইটো বিভাগৰ কাণ্ড।

আনহাতে নিয়োগ সম্পৰ্কত চাওক লগতে আৰু অন্যান্যও বহু আছে। চাকৰি সম্পৰ্কত প্ৰতি চাকৰিতে বিদ্যুৎ প্ৰতি হাজাৰ মেগাৱেটৰ বিপৰীতে সৰ্বভাৰতীয় হিচাপত চাকৰিয়াল ২৭·৯ জন। আমাৰ অসম পিচপৰি থাকে কেনেকৈ ? আমাৰ প্ৰতি মেগাৱেট বিপৰীতে হৈছে ৭০·৭ জন। ইয়াত অসম দ্বিতীয় হৈছে। এইটো এটা প্লেনিং কমিছনৰ ৰিভিউ ৰিপোৰ্ট। এই ৰিপৰ্টতে এই বিলাক কথা ওলাইছে। অসমৰ বাহিৰে বাকী বিলাক ঠাইত অন্ধ্ৰপ্ৰদেশত ১৯·১ জন, মধ্যপ্ৰদেশত ১৭·১ জন গুজৰাটত ১৪ ইত্যাদি। তাৰ পিচত পাব ইউনিত খৰচলৈ আহো। সৰ্বভাৰতীয় হিচাপ ইউনিটত ১০·২৭ পইচা। অসমত ২১·৬৫ পইচা। তাতো অসম পিচপৰি থকা নাই। গতিকে আমাৰ চৰকাৰে এই বিভাগৰ কাম কাজ আৰু ডাঙৰ ডাঙৰ বিষয়া সকলৰ যি কাম-কাজ সেই সম্পৰ্কত অলপ বিবেচনা নকৰিলে মুস্কিল হব। এই কৰ্ম্মী সকল ৰাজনৈতিক দলৰ সৰ্বক্ষম কৰ্ম্মী হব পাৰে।

এটা পুৰণি কথা কও বহুদিনৰ আগতে দিল্লীত ফ্লেট কিনাৰ কাৰণে টকা দিয়া হৈছিল কিন্তু যাক টকা দিব লাগে তাক নিদি আন কাৰোবাক দিলে। এইটো আপোনালোকে চাব। অকল এইটোৱেই নহয় অন্যান্য কাৰণো আছে। অকল ৬ ষ্ঠ পৰিকল্পনাতে ২২৪ কোটি টকাৰ লোকচান হৈছে, এইটো কম লোকচান নহয়।

বিদ্যুৎ বোৰ্ডৰ চাকৰি কৰি বিশ্ববিদ্যালয়ত নিয়মিয়া ছাত্ৰ হব পাৰে, ৰাজনৈতিক দলৰ সৰ্বক্ষম কৰ্মী হব পাৰে। তাৰো উদাহৰণ আছে।

কিন্তু এতিয়া কথা হল যে তদন্ত কৰিবলৈ দিয়া হৈছে। কিন্তু তদন্ত কোন বিষয়ত কৰিবলৈ দিয়া হৈছে সেইটো চাব লাগে।

মাননীয় অধ্যক্ষ :— আপোনাৰ মাত্ৰ এক মিনিটহে আছে।

শ্ৰীহেমেন দাস :— এতিয়া আন এটা কথা আহিছে, ভূমিনীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত। চৰকাৰে কৈছে ভূমি নীতিৰ আসোঁৱাহ দূৰ কৰিব। কিন্তু কথা হৈছে চৰকাৰৰ আগৰ চিলিং আইন খনে কাৰ্য্য কৰিবনে নতুনকৈ ভূমি নীতি গ্ৰহণ কৰিব। আগৰ চিলিং আইনৰ জৰিয়তে পোৱা মাটি আজিও বিতৰণ নহল। অধ্যক্ষ মহোদয়, আপুনি বিশ্বাস কৰক সাধাৰণ শ্ৰেণীৰ মানুহৰ অৱস্থা দুখলগা হৈছে। প্ৰাটাচাৰ কুঁছিৰ তীতকাত ৬২ ঘৰ মানুহক উচ্ছেদ কৰা হৈছে। ২৫ বিঘা মাটিৰ হঠাৎ বাজেয়াপ্ত কৰা

হৈছে। আৰু তেওঁলোকক উচেছদ কৰা হৈছে। তাৰ উপৰিও আটাইতকৈ ডাঙৰ কথা হৈছে গুৱাহাটী মহানগৰীৰ মাটিৰ সমস্যা। এই মাটিৰ কোনো মাক বাপেক নাই। ইয়াত কিমান দাম, চিলিংৰ উভৰ্‌ত মাটি বুলি কোনো কথা নাই। যিয়ে যতে পাৰে ঘৰ বান্ধিছে কেৱল। বান্ধিয়েই আছে। গতিকে এনে ক্ষেত্ৰত আগৰ চিলিং আইনখনে কাৰ্য্যকৰী কৰিব নে নতুনকৈ ভূমি নীতি গ্ৰহণ কৰিব আমি জানিব পৰা নাই। এতিয়া অসমৰ সমস্যা সমাধান কৰিবলৈ চৰকাৰী ভাবে ভূমি নীতি অবলম্বন কৰি চেষ্টা কৰক। আজি চুকে-কোণে আধিয়া খেতিয়ক আছে। হয়তো আমাৰ বিধায়ক সকলৰ মাজতো আধিয়াৰ থাকিব পাৰে। আজি অসমৰ এনে অৱস্থাত খেতিয়কে যদি মাটি নাপায় হাজাৰ হাজাৰ খেতিয়কৰ খাবলৈ নোপোৱা অৱস্থা হব। আজি অসমৰ বাইজে নিজক বিক্ৰি কৰিব লগীয়া হৈছে। গুৱাহাটী চহৰত ৰাতিপুৱা ৭ বজাৰ পৰা ৮ বজালৈ দেখা যায় বজাৰ বহিছে। কিন্তু এইয়া কোনো ফল-মূল তৰকাৰী পাচলিৰ বজাৰ নহয়। মানুহৰ বজাৰ। তেওঁলোকে কয় মোক কিনক, মোক কিনক। এইয়া হৈছে অসমীয়া সমাজৰ অৱস্থা। আজি অসমীয়াই যদি ধনতান্ত্ৰিক ব্যৱস্থাক সমৰ্থন কৰে তেনেহলে কোনো দিনেই এই দুখ দুৰ্গতি দূৰ নহয়। সমাজতান্ত্ৰিক পথলৈ আগবাঢ়ি আহক, সকলোৱে সংহতি ৰাখি এই খন দেশকে সমাজ তান্ত্ৰিক প্ৰগতিশীল আৰু সমৃদ্ধিশালী কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিব পাৰো। ধন্যবাদ।

Shri BINAI KHUNGUR BASUMATARI --Mr. Speaker Sir, I have already moved an Amendment to the Governor's Address and I have clearly expressed that though this new Government has implied that the 1983 elections and the last Government as illegal, the Suprement Court has declared the last election to be legal. But Sir, we cannot forget as to what happend in 1983 and therefore, I take this opportunity to highlight once again that our tribal people who were affected in 1983 elections have not yet been rehabilitated. There were 23 thousand people who had to stay in Arunachal Pradesh for long 6 months and the last Government had found that only 10 thousand people were affected. So, another 13 thousand people were eliminated from setting the benefits of the future relief. I have put-in this Amendment with a view to request the Government that they will not forget the tribal people because I have gone into the details as to how these people came and settled. The first one was the earthquake of 1950 in Assam, as a result of which more than 15 thousand Mishing people were given settlement at Gohpur. So Sir, since 1950, there if no settlement for the affected people, which have been placed thereby the Government itself. It is not the tribals who had gone there on their own accord but they had gone there on the initiation of the Government. I have already proved it on the floor of this house earlier Sir and I do not want to repeat it. But I only want to say that these people should be rehabilitation properly and as my predecessor has said, a proper land policy should be followed. Now Sir, many things have been said about the last elections. This is for the first time in the history of India that the Plains

Tribal People of Assam have totally rejected a Ruling Party. Sir, to-day in the National Ruling Party there is not a single Tribal People amongst them when there party chief was of my own man but not a single party MLA have come from them. Sir, in this election also, three new Parties have come into existence—the AGP, which has formed the new Government, UMF also has got a sizeable number of MLA-s and ourselves, United Tribal Nationalists Liberation Front. We have already acquired required number of votes for registration and possibly for reservation also. Sir, our intention is very clear. We want to safeguard the ethenic and linguistic identity of our tribal people and therefore, we want a "Tribal Land" of Union Torritory status. Now Sir, I will refer to the Assam Accord. We have many doubts and apprehensions about this Accord. I do not have time to deal with this new and therefore, I raised some questions and in course of the reply of Starred Questions—I am very happy that the Hon'ble leader of the House replied that in regard to the problem mentioned, the issue is being considered and in regard to Clause 6 of the Assam Accord, we should place before him or before the Government as to the points of clarification we seek. We will be d ing this within a very few days. But Sir, as does the wording of this Accord go it seems this Accord is drafted in such a manner that it is ambiguous and it is a double edged sword which can cut into both sides of the Accord. It appears to be a very good agreement but it can cut into both sides of the agreed parties. Therefore, Sir, we would implore before this new Government that this Accord should be properly defined.

(The House adjourned till 2-30 p. m.)

After Lunch

Mr. SPEAKER :—Now Shri Basumatari.

Shri BINAI KHUNGUR BASUMATARI :—Now what I have been saying is that this Agreement this Accord could be interpreted in both ways. It says that it will be ensured that relevant laws for prevention of encroachment of Government lands and land in tribal belts and blocks are strictly enforced and unauthorised encroachers evicted as laid down under such laws. Sir, if we go by the spirit of the sentence, the primacy of this Clause is that the encroachment to Government land will be protected, and such encroachers will be evicted and secondary

importance is given in regard to land in Tribal belts and blocks. Sir, if we go by the spirit of the clause, it will appear that even in the tribal belts and blocks, the encroaehers will be evicted. Therefore, Sir, we expected that since this Governor's address was the statement of this new Government, many more details would have been announced in regard to this Accord Sir, Clause 6 states that Constitutional, legislative and administrative safeguards, as may be appropriate, shall be provided to protect, preserve and promote the cultural, social, linguistic identity and heritage Assamese people. It does not specify whether the entire Assam will come under this clause. We were earlier told that AGP. would like some constitutional safeguard as is given to Jammu and Kashmir. If that would have been the case, we wuld consider this very well. Now, Sir, on the basis of the new Government and the new Party has become victorious. Since you have own the victory, you are to be magnanimous. That atleast is the principle followed by all warring parties all over the World. During World War I and II also, the principle enunciated th.t the victorious should be magnanimous. Therefore, I would request this AGP Government to treat this with care for they have become victorious. For instance, Sir, I have here a case of one Shri Haradhar kumar who is the Labour Welfare Officer of Hatigarh Tea Estate. He was assaulted and serioulу wonuded Sir, he had no means even of filing any Police case. As a result of this incident, the tea garden workers of this locality have been restive. In fact, the entire tea garden areas of the north bank of Darrang District have become anti-Assamese. It is learnt from the people that this is the action of the people belonging to AGP. It is now for the Government to identify the culprits and enquire into the incident. At Tangla, I am very sorry to say, one Shri Maheswar Boro, son of a GAON BURA was murdered under a mysterious circumstances. Now there is a feeling prevalent that the new Government and the party is entirely belonging to the Assamese. Just after election, grants were distributed in my constituency to the flood affected people, but the tribals were denied this grant even though they were affected during the floods of September-October, 1985, I have here with me some cases which I place before you Sir, many such mischiefs are going on and the Officers are responsible for this. On 21st January, some Miyadi patta lands belonging to Adivasis have been taken over

by the Land Revenue staff and given to some other tribal people and in turn the Adivasai land owner was handed over some other land from then Adivasi families this last family now do not own any land. This, as a resultre has created some tension atleast in my area, and here a, the papers I place before you so that you will take necessary steps. Then Sir, I have been fighting the Police men, and some AGP members who are in this August House are also fighting the Police machinery for their misdeeds. For instance, on 19th January at mid-night, OC of Harisinga palice outpost raised a house where there was none except a lady who was threatened.

Mr. SPEAKER :—You will get 2 minutes more.

Shri BINAI KAUNGUR BASUMATARI :—So, Sir, the Police is trying to take advantage of this situation. In the Governor's address, it is mentioned that develo-ment programmes have been undertaken for scheduled tribes. But here I have an information that one Anganbard worker could not start work in Hatigarh Tea Estate. So, Sir, it is not enough that you want only the co-operation of all concerned and particularly the minorities. It is not enough by saying that interest of all conerned will be looked after. We have the facts and positions in our hand. Therefore, we would request the new Government to take necessary steps.

In regard to ad-hoc Panchayat and town committees, the new Government have recently dissolved these. We would also want that democratic system should works. But recently they have Published on 6th January, 1986 that Adhoc panchayat and town committees, will be Constituted which is not desirable. Sir, in regard to ITDP, relief meant for tribal people does not reach in full to tribal people, because the officers takes shares on every great meant for the tribal people. Thank you, Sir.

*শ্ৰীগনেশ কুটুম :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাব আগ বঢ়াইছে মই তাক পূৰ্ণ সমৰ্থন জনাই দণ্ডায়মান কৰবলৈ ওলাইছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত বিৰোধী পক্ষৰ যথেষ্ট সংখ্যক মাননীয় সদস্যই তেওঁলোকৰ নিজ নিজ দলৰ ইতিহাস ডাঙি ধৰিছে, মই তাৰ কেইটামান কথা সদনত উত্থাপন কৰিব বিচাৰিছো। বিৰোধী পক্ষৰ এজন মাননীয় সদস্য আৰু ভূতপূৰ্ব মন্ত্ৰীয়ে তেওঁৰ ভাষণত কংগ্ৰেছৰ এশ বছৰীয়া ইতিহাস ডাঙি ধৰিছিল। কিন্তু আমি ভাৰত বৰ্ষত কংগ্ৰেছৰ এশ বছৰীয়া ইতিহাস শুনিলেই যে সকলো কাম হৈ যাব সেইটো নহয়। এই বিধান সভাৰ মজিয়াতে পূৰ্বৰ চৰকাৰে অসমৰ জনসাধাৰণৰ কাৰণে বা অসমীয়া জাতিটোৰ কাৰণে কি কৰিবলৈ গৈছিল তাৰ মাত্ৰ তিনিটামান উদাহৰণ ডাঙি ধৰিব

খুজিছো। কংগ্ৰেছৰ ৩৮ বছৰীয়া শাসন কালত তেওঁলোকৰ প্ৰথম কীৰ্ত্তি হল অসমৰ যিখন ভৌগলিক মেপ আছিল সেইখন সুৰু কৰি পেলোৱা। অসমৰ পৰা মিজো পাহাৰ জিলাখনক মিজোৰাম নাম দি এখন বেলেগ ৰাজ্যৰ সৃষ্টি কৰিলে। সেইদৰে খাচী আৰু গাৰো পাহাৰকো নাম দি এখন বেলেগ ৰাজ্যৰ সৃষ্টি হল। ইয়াৰ বাহিৰেও অসমৰ উত্তৰাঞ্চলক লৈ উদয়াচলৰ দাবী চলিয়েই আছে। এইবোৰৰ লগে লগে আমাৰ ওচৰ-চুবুৰীয়া যি কেইখন ৰাজ্য তাৰ লগতে অসমৰ যি মিলাপ্ৰীতি আছিল সেই মিলাপ্ৰীতি আজি নাইকিয়া হৈ পৰিছে। অকল ইমানখিনি কৰিয়েই কংগ্ৰেছ দল ক্ষান্ত নাথাকিল— তেওঁলোকে নিজৰ গাদী চিৰস্থায়ী কৰিবৰ কাৰণে বিদেশীৰ হাতত অসমখন অৰ্পণ কৰিবলৈকো কুণ্ঠাবোধ নকৰিলে। সেইকাৰণে আজি অসমীয়া ৰাইজে তেওঁলোকে অস্তীত্ব ৰক্ষাৰ কাৰণে নিজে আগুৱাই আহিবলৈ প্ৰয়োজন বোধ কৰিছে আৰু তাৰ ফলস্বৰূপেই এই নতুন চৰকাৰৰ জন্ম দিছে।

অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণৰ প্ৰবল আশা আকাংখ্যা পূৰণ কৰিবৰ কাৰণে আজি নতুন চৰকাৰ সংকল্পবদ্ধ হৈছে। কিন্তু আমি এই সংকল্পবদ্ধতাৰে কাম কৰিবলৈ যাওতে আমি আগৰ চৰকাৰক বা কোনোবা ব্যক্তিৰ ওপৰত প্ৰতিশোধ লোৱাৰ কোনো ইচ্ছা নাই। আগৰ চৰকাৰে তেওঁলোকৰ ব্যক্তি-গত স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ বহুতো মানুহৰ তেজ শুহি খালে। সেইদৰে বহুতো নাৰীয়ে সতীত্ব হেৰুৱালে আৰু বহুতো লোক পঙ্গু হয়। তেওঁলোকৰ এইবোৰ অত্যাচাৰ কেৱল অসমতেই আবদ্ধ হৈ থকা নাই আজি সমগ্ৰ বিশ্বই এইবোৰ কীৰ্ত্তি কাহিনীৰ কথা গম পাইছে।

অধ্যক্ষ মহোদয়, নতুন চৰকাৰ গঠন হোৱাৰ লগে লগে আজি অসমৰ চুকে-কোণে এটা বেলেগ আৱ-হাৱাৰ সৃষ্টি হৈছে। কিন্তু মই সদনত প্ৰকাশ নকৰি নোৱাৰিলো যে বাকীবোৰ ঠাইৰ তুলনাত আমাৰ ৰাজধানী দিশপুৰত যি ধৰণে এই পৰিবেশ সৰ্লান হব লাগিছিল সেইদৰে ইয়াত পৰিবৰ্ত্তন হোৱা পৰিলক্ষিত হোৱা নাই। সৌ সিদিনা আমাৰ মাননীয় সদস্য শ্ৰীনৰেণ তাঁতী ডাঙৰীয়াই এষাৰ কথা কৈছিলে যে অসমীয়া কলে ভাল পাওঁ আৰু বুজি পাওঁ, ইংৰাজীত কলে বুজি নাপাও আৰু বঙালী কলে ভালদৰে বুজিও নাপাও আৰু বেয়া পাওঁ। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে মই নিজেও বঙালি ভালকৈ বুজি পাওঁ— কিন্তু দিশপুৰত যি বঙালি ভাষা ব্যৱহাৰ কৰা হয় সেইটো বঙালি ভাষা নহয়— ই চিলটী ভাষাহে। তেওঁলোকে যদি প্ৰকৃততে বঙালি ভাষা কবলৈ বিচাৰে তেনেহলে শুদ্ধ বঙালি কবলৈ চেষ্টা কৰক নাইবা সেই ভাষা পৰিহাৰ কৰি অসমীয়া বা ইংৰাজী ভাষা ব্যৱহাৰ কৰক।

বিৰোধী পক্ষৰ কিছুমান সদস্যই নিচুকনি গীত গাই কিছু কথা কৈছে। তেখেত সকলৰ পক্ষৰ এজন মহান নেতাই এটা সময়ত কৈছিল আলি কুলি থাকিলে মৰণ নাই। কালৰো বিপৰীত কাল হৰিণাই চেলেকে বাঘৰ গাল। কংগ্ৰেছ আইৰ সংখ্যা লঘু জনগোষ্ঠী ইউ এম এফলৈ পৰিবৰ্ত্তন হল। এই সুযোগতে সংখ্যালঘু মৰ্চাৰ মাননীয় সদস্য সকলক আহবান জনাও যাতে তেখেত সকলে অসমৰ জনগোষ্ঠীৰ কথা, হিতৰ কথা, প্ৰগতিৰ কথা শান্তি সম্প্ৰীতিৰ কথা সদনত কয়। এটা সময়ত যিসকল লোকক সংখ্যালঘুৰ আবৰণেৰে স্থায়ী কৰাৰ যি পৰিকল্পনা হাতত ললে, সেই সকলে এটা সময়ত যেনেকৈ কংগ্ৰেছক ঠগিলে, ঠিক তেনেকৈ তেখেত সকলেও এটা সময়ত ঠগ খাব। গতিকে মই সংখ্যালঘু মৰ্চাৰ মাননীয় সদস্য সকলক আহবান জনাওঁ তেখেত সকলে বিদেশী চিনাক্তকৰণত আগভাগ নললে কংগ্ৰেছ চৰকাৰৰ দৰে বিপৰ্য্যয় হব। দেশখনৰ কথা চিন্তা কৰিব লাগে, বিদেশীৰ কথা চিন্তা কৰিব নালাগে। বিদেশীক ৰক্ষণা বেক্ষণ দিবৰ কাৰণে কৃত্ৰিমালি, নানা আইনৰ সুযোগ সুবিধা সন্ধান কৰাৰ প্ৰচেষ্টা হাতত লব নালাগে। অলপ আগতে বিৰোধী পক্ষৰ সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই গহপুৰৰ ১৯৮৩ চনৰ গণ্ডগোলৰ কথা উল্লেখ কৰি কেবল জনজাতি লোকৰ কথা ইয়াত কবলৈ গৈছে। ১৯৮৩ চনৰ কলংকিত অধ্যায় ৰচনাৰ সময়ত তেখেত এই বিধান সভাৰ মজিয়াত এগৰাকী সদস্য আছিল। সেই সময়ছোৱাত অকল যে জনজাতীয় লোক গহপুৰত আক্ৰান্ত হৈছিল, সেইটো নহয়। গহপুৰত সকলো জনগোষ্ঠীৰ লোক আক্ৰান্ত হৈছিল ১৯৮৩ চনত ভাতৃ ভাতৃৰ সংঘৰ্ষ লগোৱাত সেই সময়ৰ শাসনাধিস্থ লোকে ষড়যন্ত্ৰ কৰি আগভাগ লৈছিল। সেই কাৰণে মই কব খুজিছো সেই সংঘৰ্ষত সকলো জনগোষ্ঠীৰ লোক আক্ৰান্ত হৈছিল, গতিকে কেৱল জনজাতীয় লোকৰ কথা চিন্তা কৰিলে নিজৰ দায়িত্ব

এবাই চলাৰ নিচিনা হব। নিৰ্বাচনৰ সম্পৰ্কে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে যে দেশখনত শান্তি শৃংখলা অটুট আছে। এইটো সচা কথা যে ১৯৮৩ চনৰ ৰক্তাক্ত পৰিবেশৰ নিৰ্বাচনৰ কেচা তেজ ভালকৈ শুকাবলৈ নৌপাওঁতেই ১৯৮৫ চনৰ নিৰ্বাচন এক বিন্দু ৰক্ত ক্ষয় নোহোৱাকৈ শান্তিৰ মাজেৰে অনুষ্ঠিত হোৱাত পৃথিবীৰ সকলো ৰাজনৈতিক দলে অসমৰ পিনে দৃষ্টি নিক্ষেপ কৰিছে। ই আমাৰ কাৰণে গৌৰৱৰ কথা। ১৯৮৩ চনত যি নিৰ্বাচন হৈছিল তাত পুলিচ মিলিটাৰীৰ ভোটৰ দ্বাৰা নিজকে এম, এল, এ বুলি নিৰ্বাচিত হৈ আহিছিল। সেই সময়ত দুই ধৰণৰ বিধায়ক দেখিবলৈ পাইছিলো। এটা হৈছিল পুলিচ মিলিটাৰীৰ দ্বৰা নিৰ্বাচিত বিধায়ক আৰু আনবোৰ যত নিৰ্বাচন হোৱা নাছিল তাত কংগ্ৰেছ আই প্ৰাৰ্থী সকলক পৰোক্ষ ভাবে এম, এল, এৰ স্বীকৃতি দি বিধায়কে যিমান কাৰ্য্য সম্পাদন কৰিব লাগে তাৰ সুযোগ সুবিধা দিছিল। কিন্তু আজি আমি সদনলৈ এটা সুস্থ পৰিবেশৰ মাজেদি গণতান্ত্ৰিক পদ্ধতিত নিৰ্বাচিত হৈছো। যোৱা নিৰ্বাচনটো শান্তি শৃংখলাৰ মাজেৰে এটা সু পৰিবেশত সম্পাদন হোৱাটো বিৰোধীদলে কিয় স্বীকাৰ কৰা নাই। বিৰোধী দলে অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ কাৰণে দিয়া টকা নন ট্ৰাইবেলক দিয়া কথা কৈছে। ১৯৭৯-৮০ চনত তেজপুৰত জনতা আৰু পি, টি, চিএ যুগ্ম চৰকাৰৰ দিনত বহুত ট্ৰাইবেল গ্ৰান্ট নন ট্ৰাইবেলক দিয়া হৈছিল। উদাহৰণ স্বৰূপে ফিচাৰী গ্ৰান্টৰ কথা কব বিচাৰিছো। কোনোবা বগীৰাম গাওঁবুঢ়া প্ৰকৃততে হাজৰিকা গাওঁবুঢ়া, কলিতা মানুহ— তিনি চাৰি হাজাৰ টকা ফিচাৰী লন দিয়া হৈছিল। এতিয়া ঘৰিয়ালৰ চকু পানী টোকাটো সহ্য কৰিব পৰা নাই। অনুসূচীত জাতি আৰু অনুসূচীত জাতিৰ উন্নয়ন নিগমৰ টকা সেই সময়ত কি ধৰণৰ খৰচ পাতি কৰা হলে সেই কথা ছয় বছৰ আন্দোলনত ব্যস্ত হৈ থাকোতে অসম বাসীয়ে সুধিবৰ কাৰণে বাতাবৰণ নাপালে। সেই সময়ত দেখিছিলো কোনোবা বিধেয়কে, লোকসভাৰ সদস্যাই একে দিনাই দৰ্খাস্ত পেলাই একেদিনা অনুমোদন লৈ স্কিম এপ্ৰভ কৰি তিনি লাখ টকা পৰ্য্যন্ত অসম জনজাতি উন্নয়ন নিগমৰ পৰা চেক লৈ গৈছিল। এইধৰণে নিজৰ স্বাৰ্থ পূৰণ কৰিছিল। আনহাতে ছোৱালীৰ বিয়াৰ ,স্কুলৰ লৰা-ছোৱালীৰ ইত্যাদি লন কাৰণে এশ এশ টকাৰ কাৰণে ব্লক্স অফিচৰ যোগেদি দিশপুৰৰ কৰপৰেচনৰ অফিচলৈ ছয় মাহ অহা যোৱা কৰিব লাগে আৰু এই দুশ টকা এহেজাৰ টকা খৰচ কৰিলেহে পায়। আজি প্ৰশাসনিক সংস্কাৰ, আৰু প্ৰশিক্ষণৰ নতুন নীতিৰ কথা চৰকাৰে কৈছে আৰু মই পূৰ্ণ সমৰ্থন জনাইছো। নিয়োগ নীতিৰ কথা কৈছে। যোৱা বছৰ কেইটাত নিয়োগ দিয়াত অৰ্থৰ যোগ্যতা মাপকাঠি আছিল, শিক্ষাৰ যোগ্যতাত চাকৰি পোৱা নাছিল।

অধ্যক্ষ :— আপোনাৰ আৰু এক মিনিট সময় আছে।

শ্ৰীগণেশ কুটুম :— নিয়োগ নীতি সম্পৰ্কত পৰিস্কাৰ ভাবে ৰাজ্যপালৰ ভাষণত দাঙি ধৰিছে। ইয়াত আৰু এটা অতি মানবীয় কথা আছে। নতুন চৰকাৰে লিখিছে যে বন্য প্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত সকলক ক্ষতিপূৰণ দিয়া হব। আগৰ চৰকাৰে দিয়া নাছিল। মোৰ ঘৰৰ কাষৰে এজন ডেকা লৰাক ৰাতি বাঘে আহি কামুৰিলে। পুলিচ মিলিটাৰী আহিল বাঘটো ৰক্ষা কৰিবৰ কাৰণে। কিন্তু ডেকা লৰাজনক শুশ্ৰূষা কৰাৰ কাৰণে জীৱন ঘুৰাই অনাৰ কাৰণে চিন্তা নকৰিলে। এইটো অতি দুখৰ কথা।

মহিলা আৰু শিশুৰ উন্নয়নৰ কথা নতুন মন্ত্ৰী সভাই চিন্তা কৰিছে আৰু তাক বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে আচঁনি দাঙি ধৰিছে। এই খিনিতে মই কব খোজো যে বৰ্ত্তমান যিবিলাক শিশু খাদ্য সেই বিলাক কোনো জীৱ জন্তুই নাখায়। এই বিলাক আগৰ চৰকাৰে যোগান ধৰিছিল। এই জীৱ জন্তুই নোখোৱা বস্তু বিলাক আমাৰ ভৱিষ্যত বংশধৰ সকলক অতদিনে খাবলৈ দিয়া হৈছে। গতিকে এই শিশু সকলক যাতে পুষ্টিকৰ খাদ্য যোগান ধৰিব পৰা যায় তাৰ কাৰণে আমাৰ নতুন চৰকাৰে চিন্তা কৰিব।

স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰৰ শিতানত আমাৰ চৰকাৰে এটা নতুন আভাষ দিছে। এই সন্দৰ্ভতে মই এটা কথা কব বিছাৰিছো আমাৰ আগৰ চৰকাৰৰ মিচনেৰী হস্পিটেল বিলাকৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাছিল। মিচনেৰী হস্পিটেল বিলাকত ৰোগী বিলাকক প্ৰেচক্ৰিপচন নিদিয়ে তেওঁলোকে কিবা কোদ নং দিয়ে। ফলত এই ঔষধ পাতিৰ যোগেদি ভাৰতীয় জনসাধাৰণক বিদেশী ঔষধ পাতিৰ যোগান ধৰি দুনীতিৰ ফালে পৰিচালিত কৰিছেনে সেই বিষয়ে চিন্তা কৰিব লাগে।। (অধ্যক্ষই— সময়ৰ সংকেট দিয়ে) এইখিনিকে কৈ মোৰ বক্তৃতা সামৰণি মাৰিলো।

*শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ জানুৱাৰী তাৰিখৰ মহামান্য ৰাজ্যপাল মহোদয়ে এই পবিত্ৰ সদনত যি ভাষণ দিলে আৰু তাৰ ওপৰত আমাৰ সচেতক শ্ৰীজয় নাথ শৰ্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাক আন্তৰিকতাৰে আদৰণি জনাইছো। মই অসম বিধান সভাত ৰাজ্যপালৰ এই ভাষণক ঐতিহাসিক দলিল বুলি বিবেচনা কৰিব বিছাৰিছো। বিগত বিধান সভাত এনেধৰণৰ উল্লেখ যোগ্য ভাষণ পাঠ কৰা হোৱা নাছিল। ৰাজ্যপালৰ ভাষণত সৰ্বশক্তি আৰু নিকা প্ৰশাসন প্ৰতিফলিত হৈছে। আমাৰ বিৰোধীপক্ষৰ মাননীয় সদস্য সকলে এই ভাষণক সমালোচনা কৰিছে। কিন্তু আমি দেখাত ৰাজ্যপালৰ ভাষণত সকলো কথাই বিতংভাবে উল্লেখ কৰিছে। বিগত চৰকাৰৰ দিনত যিবিলাক দুৰ্নীতিৰ কাম কৰিছিল সেইবিলাক আৰু মই পুনৰবাৰ উল্লেখ কৰিব বিছৰা নাই বা সোঁৱৰিব বিছৰা নাই। বিগত দিনৰ কথা পুনৰ আলোচনা নকৰি নতুন চৰকাৰে গঠনমূলক কামৰ যোগেদি যাতে আগবাঢ়ি যাব পাৰি তাৰে প্ৰতিশ্ৰুতি আগত ৰাখিয়ে আমি অগ্ৰসৰ হব লাগিব। ইতিমধ্যে অসমৰ ৰাইজে নতুন চৰকাৰৰ পৰা এটা নতুন আশাৰ বাণী পাইছে। এই সকলো বিলাক কথা সন্নিৱিষ্ট কৰিয়ে ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ভবিষ্যতৰ বেঙণি দাঙি ধৰিছে।

ডিব্ৰুগড় জিলাত নাহৰকটিয়া সমষ্টিটোৱে বিশেষকৈ অসম বুলি নহয় ভাৰতৰ ভিতৰতে লেখত লবলগীয়া সমষ্টি। এই সমষ্টিতে বিশেষ বিশেষ উদ্যোগ সমূহ আছে। নামৰূপত ভাৰতৰ ভিতৰতে তাপবিদ্যুৎ সাৰকাৰখানা, পেট্ৰোকেমিকেল গেছ অয়ল উদ্যোগ আদি বিভিন্ন উদ্যোগ আছে। গতিকে এই উদ্যোগ সমূহত যাতে স্থানীয় নিবনুৱা যুৱক সকলে নিয়ুক্তিৰ সুবিধা পায় তাৰ বাবে সদনৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে মই কেইটামান সমস্যাৰ কথা চৰকাৰক অবগত কৰাব বিছাৰিছো। নাহৰকটিয়া অঞ্চলৰ চাচনী মৌজাখন কৃষিজীৱি ৰাইজৰ বসতিস্থল। এই মৌজাখন ৰাষ্টাঘাট শিক্ষা দীক্ষাত পৰিবহন আদিত আজিও দুখলগা অৱস্থা। আমাৰ পৰিবহন মন্ত্ৰী নিজে এই অঞ্চল ভ্ৰমণ কৰি আহিছে, তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। আশা কৰিছো তেখেতে মোৰ সমষ্টিৰ অভাৱ অভিযোগ বিলাকৰ কিছু আশু সমাধান দিব। আজি আমাৰ সদনত বিজুলি বিষয়ে আলোচনা কৰা হৈছে আৰু অসমত আজি বিজুলিৰ নাটনি হৈছে। এই ক্ষেত্ৰত মই এটা কথা কব বিছাৰিছো ডিব্ৰুগড়ৰ ওচৰত তৈলক্ষেত্ৰ বিলাকত কোটি কোটি টকাৰ গেছ জ্বলাই শেষ কৰি দিয়া হৈছে। ইতিমধ্যে ইয়াক কঢ়িয়াই নি জাপানৰ নেপকো কোম্পানীয়ে তাপ বিদ্যুৎ কেন্দ্ৰ স্থাপন কৰি দিবলৈ ওলাইছে মই বিভাগীয় মন্ত্ৰীক সকলো বিলাক নথিপত্ৰ দাখিল কৰিছো তেখেতক মই ব্যক্তিগত ভাবেও জনাইছো। ভাৰতৰ ভিতৰতে এইটো এটা উল্লেখ যোগ্য তাপ বিদ্যুৎ থকা স্বত্বেও ইয়াত কাৰিকৰী লোক থকা স্বত্বেও কিয় অসমৰ পৰা উঠাই নি উত্তৰপূৰ্বাঞ্চলত পাতিব বিছাৰিছে নাজানো। নামৰূপ সাৰকাৰখানাত বিষাক্ত গেছ উৎপাদিত হয়। মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে যোৱা বছৰ ভূপালত গেছৰ জৰিয়তে হোৱা দুখজনক ঘটনাৰ কথা। এই ঘটনা যাতে পুনৰবাৰ ঘটিবলৈ নাপায় মই তাৰ বাবে এতিয়াই সকিয়াই থলো। এই বিষাক্ত গেছ বিলাক নদনদীত ভহাই দিয়া হয়। এইবিলাক খাই মাছ বা গৰু ম'হ মৰাৰো দৃষ্টান্ত আছে। গতিকে এতিয়াৰ পৰাই সাৱধান হব লাগে। মোৰ সমষ্টিৰ বুঢ়ীদিহিং নদীৰ গড়াখহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়কো অনুৰোধ কৰিছো। নতুন চৰকাৰে এই পিচ পৰা অঞ্চল সমূহৰ যাতে উন্নয়ন কামনা কৰে তাৰ চিন্তা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, মই নাহৰকটীয়া সমষ্টিৰ লগতে সমূহ ৰাইজৰ জ্ঞাতাৰ্থে কব বিচাৰিছো যে ডিব্ৰুগড় জিলাৰ যিবিলাক চাহ বাগিচা আছে সেই বাগিচাৰ মজদুৰ ভাই সকলৰ কাৰণে চাকৰিৰ ক্ষেত্ৰত এটা নতুন সমস্যা আহি উপস্থিত হৈছে। ইতিমধ্যে চাহ বাগিচাৰ মজদুৰ ভাই সকলৰ দুৰৱস্থাৰ বিষয়ে মাননীয় সদস্য কেবাগৰাকীয়েও উল্লেখ কৰিছে। যিটো নতুন সমস্যাৰ বিষয়ে কব বিচাৰিছো সেইটো হল জয়পুৰ অইল ইন্ডিয়াৰ ফালৰ পৰা দহটা তেলৰ পাইপ টানিবলৈ সিদ্ধান্ত লৈছে আৰু ইতিমধ্যে তেনে সাতটা পাইপ টানিছেই। ইয়াৰ ফলত মাটি অধিগ্ৰহণ কৰিবলৈ লৈছে। চাহ বাগিচাৰ মাটি অধিগ্ৰহণ কৰাৰ ফলত সংশ্লিষ্ট চাহ বাগিচাৰ ক্ষতি হব আৰু তাৰ ফলত শ্ৰমিক ছাটাইৰ কাম হব পাৰে। ই নিতান্ত স্বাভাৱিক। তেনে ছাটাই হলে তাৰ কাৰণে আমাৰ মজদুৰ ভাই সকলৰ চাকৰিৰ কাৰণে এতিয়াই চিন্তা কৰিবৰ সময় হৈছে। মই ইতিমধ্যে এই বিষয়ে স্মাৰক পত্ৰ

* Speech not corrected.

আমাৰ মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰিছো এতিয়া আকৌ এই সদনত অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় শ্ৰম মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি ৰাখিলো। অধ্যক্ষ মহোদয়, মোৰ আৰু বেছি কবলৈ নাই যি সকল মাননীয় সদস্যই মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কালত অংশ গ্ৰহণ কৰিছে সেই সকলো মাননীয় সদস্যই মোৰ ফালৰ পৰা ধন্যবাদ জনাইছো আমাৰ গণ পৰিষদৰ নতুন চৰকাৰলৈ অভিনন্দন জনাইছো আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

*Shri ABDUL ROB LASKAR.—Mr. Speaker Sir, I take my stand to support the amendment motion moved by honourable member Shri Silvius Condpan. While participating in the debate on the Governor's Address; I would like to say that we are here on the verdict of the people. People voted us for the redressal of their grievances and problems. We all members of the House belonging to various politicals are duty bound morally to serve the people honestly and sincerely. In our Constitution there is also a promise for service to the people. Sir, I would like to say that according to the healthy democratic convention, it is not the duty of the opposition to oppose each and every action of the Government and at the same time it is the bounded duty of the Ruling party to give due consideration to the suggestions made by the opposition. I would therefore like the express satisfaction to the Hon'ble Chief Minister to the statement made on 20th January on the floor of the Assembly seeking co-operation of the members of the House and his assurance to the opposition member for providing helping hand. Sir, we the elected representative of the House have a common problem like water supply, electricity, roads and bridges, irrigation, construction, of institutions, health centres etc. Sir the people of my constituency i.e. Sonai have elected me by a margin of 46,554 votes with the hope that I shall do work for them honestly and sincerly. Sir, in my area people are suffering due to natural calamities like flood, earthquake etc. In the month of November, 1984, 5 persons have lost lives. The RCC bridge over Sonai has been damaged, and as a result Sonai is dislinked from the rest of the State as this is the life line of that area. Apart from that educational institutions like, Sonai Madrassa Higher Secondary Schools were also damaged. For the construction of a bridge by the side of the existing one a sum of Rs. 63 lakhs has been sanctioned by the Central Govrnment and the survey work has also been completed. Only some formalities are remaining to be done. I

*Speech not corrected.

urge upon the Government to look into the matter so that the work can be done shortly for removing the difficulties of the people. Sir, the buildings of the institution, as stated earlier, are in a very dilapidated condition. So I request the Hon'ble Minister, Education to sanction money for construction of the buildings, Sir, about the functioning of the Electricity Department, some of my Hon'ble friends of the House placed the matter very nicely. Though the Department claims that they have completed the work in certain villages myself as an witness, I have seen that only a few electric posts are standing without any wire. So I draw the attention of the Hon'ble Chief Minister and the Minister, Power so that some action may be taken against the Department for their false report and information. Sir, it is known that people of Sonai suffer due to flood. Earlier Government felt the necessity of constructing 4 sluice gates at (1) Rakha (2) Kuria (3) Gargari and (4) Ghakhara khals. The work had also been started, probably 5, 6 or 7 years back, but it is most unfortunate that the Department could not complete the work for reasons best known to them Sir, in my Sonai Constituency there is a river called Hatikhar which has caused great communication difficulty to the entire area. This river has divided the area as a result of which the people have to traverse not less than 50 k. m. if they have to got a vehicle instead of 5 k. m, by crossing the river. So the earlier Government felt the necessity of constructing a bridge over Hati-khal river. So far survey and other preliminary works have been done and it is under consideration of the Government. I required the Chief Minister and the Minister, P. W. D. to sanction money for construction of the bridge which will open up a vast area.

With these few words, Sir, I conclude.

*শ্ৰীইউচদ্দফ আলি আহমেদ :— মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ দলত নেতা শ্ৰীওচমানি চাহাবে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আগবঢ়াইছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো দ্বিতীয়তে মই ৰাজ্যপালৰ ভাষণৰ ওপৰত কেইটামান কথা কব খুজিছো। প্ৰথমতে মই অসমত গঠিত হোৱা সমবায় সমিতি সমূহত দেখা দিয়া কিছুমান খেলি-মেলিৰ বিষয়ে কবলৈ ওলাইছো। আমাৰ সমবায় সমিতি সমূহৰ উদ্দেশ্য আছিল ভাল। কিন্তু আমাৰ সমবায় সমিতি সমূহৰ জৰিয়তে আমাৰ কৃষক সকলক টকা ধাৰে দিয়া ব্যৱস্থা আছে। কিন্তু এই বিষয়ত ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে যি সকল কৃষকে ঋণ লৈ ঠিক সময়তে ইয়াক পৰিশোধ কৰিব নোৱাৰে তেওঁলোকে পুনৰ সমবায় বেংকৰ পৰা ঋণ নেপায়। কিন্তু আমি আচলতে দেখিবলৈ পাও যে কৃষক সকলে সমবায়ৰ পৰা ঋণ লৈ ইয়াক সময়মতে পৰিশোধ কৰিব নোৱাৰাৰ যুক্তি আছে। আমাৰ সমবায়ৰ জৰিয়তে কৃষক সকলক ঋণ

*Speech not Corrected.

দিয়া হয়। এই ঋণ লওতে বিভাগৰ লগত বিভিন্ন বিভাগ জৰিত হৈ আছে। সেই বিভাগবোৰে যাবতীয় বস্তুৰ যোগান ঠিক মতে ধৰিব নোৱাৰে ইয়াৰ ফলত কৃষকে যি পৰিমাণত উৎপাদন পাব লাগিছিল সেই পৰিমাণত নোপোৱা হয়। যাৰ কাৰণে তেওঁলোকে সময় মতে ঋণ পৰিশোধ কৰিব নোৱাৰা হয়। এই খিনিতে আৰু এটা কথা আছে— আমাৰ সমবায় সমিতি সমূহৰ সম্পাদক সকলক নিযুক্তি দিয়া হয় কেদাৰ মেনেজমেন্টৰ পৰা। কিন্তু এই সম্পাদক সকলে সময় মতে দৰমহা কেদাৰ মেনেজমেন্টৰ পৰা নেপায়। কেতিয়াবা ১—২ বছৰলৈকে তেওঁলোকে দৰমহা নোপোৱাকৈ থাকিব লাগে। তেতিয়া তেওঁলোকৰ দৰমহা সমবায়ৰ তহবিলৰ পৰা দিবলগীয়া হয়। এনে কৰাৰ ফলতো কিছু অসুবিধাই দেখা দিয়ে। আৰু এটা কথা আছে— আমাৰ অত্যাৱশ্যকীয় বস্তুবোৰ এফ-চি-আইৰ পৰা আনিব লাগে। এফ-চি-আইয়ে বহুতো খেলি-মেলিৰ সৃষ্টি কৰে, তেওঁলোকে বস্তুবোৰ জুখি নিদিয়ে আৰোপৰি বস্তুবোৰ অনাৰ সময়ত এফ-চি-আইৰ লেবাৰ বোৰক বস্তু উঠোৱা-নমোৱা কৰাৰ কাৰণে চাউলৰ প্ৰতি বস্তাত ০·৫০ পইচাৰ পৰা ১ টকা আৰু চেনীৰ প্ৰতি বস্তাত এটকাৰ পৰা পাচ টকালৈকে মজুৰী দিবলগীয়া হয়। অথচ এই লেবাৰ সকলে তেওঁলোকৰ বিভাগৰ পৰা দৰমহা পায়। এইবোৰ খেলি-মেলিৰ কাৰণেও সমবায় বোৰৰ অসুবিধা হয়। মই বিভাগীয় মন্ত্ৰীক এনেব্যেৰ আসোৱাহ দূৰ কৰাৰ কাৰণে চোকা দৃষ্টি দিবলৈ অনুৰোধ কৰিলো।

আমাৰ ভোটাৰ তালিকাৰ সম্পৰ্কে আমাৰ দলৰ মাননীয় সদস্য মোক্তাৰ হুছেইন চাহাবে কৈ গৈছে। তথাপিও ময়ো কও— আমাৰ বিভিন্ন সদস্য তথা চৰকাৰৰ ফালৰ পৰা সংখ্যালঘু সকলে ভয় খাব নেলাগে বুলি কৈছে। কিন্তু সংখ্যালঘু সকলে ভয় খাব লগা কাৰণ আছে। কিয়নো নিৰ্বাচনৰ সময়ত যিবোৰ ভোটাৰৰ ড্ৰাফট্ ৰ'ল বনোৱা হৈছিল— তাত বহুতো সংখ্যক লোকৰ তথা ভোটাৰৰ নাম আছিল। কিন্তু ফাইনেলত নামবোৰ কাটি দিয়া হৈছে। ইয়াৰ কাৰণে এতিয়ালৈকে কোনোৰে আপীলো কৰিব পৰা নাই। তদুপৰি এনে কিছুমান মানুহৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তন কৰিছে যোৱা নিৰ্বাচনৰ সময়ত যি সকলে ভোটাৰ তালিকাত নাম সোমোৱাৰ কাৰণে এতিয়ালৈকে আবেদন নিবেদন কৰিব পৰা নাই। সেই সম্পৰ্কে মই মূখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে অনতিপলমে ভাৰতীয় নাগৰিক সকলৰ নাম ভোটাৰ তালিকাত ভৰ্ত্তি কৰাৰ ব্যৱস্থা কৰে। লগতে চৰ অঞ্চলৰ কথা ৰাজ্যপালৰ ভাষণত কৈছে কিন্তু প্ৰকৃত পক্ষে আমি চৰ অঞ্চলত কোনো কাম হোৱা দেখা নাই। অৱশ্যে আগৰ চৰকাৰে চৰ উন্নয়নৰ নামত কেইটামান চাৰ্ভে চাবচেন্টাৰ চেকচন কৰিছিল। মোৰ সমষ্টিত তেনে চেন্টাৰ মঞ্জুৰী দিয়া হৈছে। সেই বিষয়ে মই মূখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যেন সেই চাবচেন্টাৰ বিলাক অনতিপলমে প্ৰতিষ্ঠা কৰি চৰ অঞ্চলৰ উন্নয়নৰ কাম বিলাক হাতত লয়। আৰু এটা কথা আমাৰ ট্ৰাইবেল বেল্ট এন্ড ব্লক বিলাক ইয়াৰ আগৰ চৰকাৰে দিছে। সেই সম্পৰ্কে পক্ষে বা বিপক্ষে মত নাই। কিন্তু আমি জনা মতে কিছুমান নন ট্ৰাইবেল ভিলেজ ট্ৰাইবেল বেল্টত সোমাই দিয়া হৈছে। ফলত নন ট্ৰাইবেল বিলাকৰ ভয় হৈছে। উদাহৰণ স্বৰূপে কও যে বিলাসীপাৰা পূব আৰু পশ্চিম সমষ্টিত কিছুমান গাওঁ আছে তাত দৰাচলতে ট্ৰাইবেল মানুহে বসবাস কৰা নাই। মূখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো এই বিষয় বিলাক সঠিক মতে তদন্ত কৰি কোন বিলাক গাওঁ ট্ৰাইবেল্টত সোমাব লাগে বা পপুলেচন পেটাৰ্ণ কেনেধৰণৰ হব লাগে আৰু যিবিলাক সোমাব নালাগে ইত্যাদি সকলো কথা চাই চিতি ব্যৱস্থা লবলৈ অনুৰোধ জনালো। আৰু এটা কথা জনাব বিচাৰিছো সেইটো হল আগৰ চৰকাৰৰ আমোলত কিছুমান বিধান সভা সমষ্টিত নিৰ্বাচন হোৱা নাছিল কিন্তু সেই সমষ্টিৰ কিছুমান কংগ্ৰেছ আইৰ ফালৰ পৰা মনোনীত প্ৰাৰ্থীয়ে এম, এল, এৰ কাম চলাই আছিল। এতিয়া নিৰ্বাচন হোৱাৰ পাচত নতুন এ, জি, পি, চৰকাৰে শাসনভাৰ লোৱাৰ পাচত কিছুমান প্ৰাৰ্থীয়ে সেইটো নীতিয়ে অবলম্বন কৰা দেখা পাইছো। উদাহৰণ স্বৰূপে আমাৰ বিলাসীপাৰা পশ্চিম সমষ্টিত এ, জি, পিৰ মনোনীত প্ৰাৰ্থী আব্দুল ওয়াহেদ আকন্দ গণ পৰিষদৰ নামত পঞ্চায়ত আৰু টাউন কমিটি বিলাক এডহক কৰিব বুলি ৰাইজৰ পৰা বহুত টকা পইচা সংগ্ৰহ কৰি আছে। সেই বিষয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে সেই বিষয়টো তদন্ত কৰি এটা উপযুক্ত বিহিত ব্যৱস্থা হাতত লয়। সদো শেষত মোৰ সমষ্টিৰ কেইটামান কথা কব ওলাইছো।

শ্ৰীময়িদুল ইচলাম বৰা :— মই এটা কথা জানিব বিচাৰিছো এই বিষয়টো কোন পাৰ্টিৰ পৰা সংঘটিত হৈছে সেই বিষয়ে স্পষ্ট ভাবে জনাব লাগে।

মাননীয় অধ্যক্ষ :— এই কথাখিনি চৰকাৰৰ ফালৰ পৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা শেষ হোৱাৰ পাচত উত্তৰ দিব পাৰিব।

শ্ৰীইউচুফ আলি আহমেদ :— অধ্যক্ষ মহোদয় বিলাসী পাৰা পশ্চিম সমষ্টিত অৰ্থাৎ বিলাসীপাৰাৰ পৰা ধুবুৰীলৈ যোৱা এটা পি, ডব্লিউ ৰাষ্টাৰ বাহিৰে কোনো ৰাষ্টাই তাত হোৱা নাই। এই বিষয়ে যেন তদন্ত কৰি বিহিত ব্যৱস্থা হাতত লয় তাকে অনুৰোধ জনাই সামৰণি মাৰিলো। ধন্যবাদ।

*শ্ৰীদেৱান জয়নাল আবেদিন :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই ৰাজ্যখনৰ যি এটা কঠিন অৱস্থা, ৰাজনৈতিক অৱস্থা বিৰাজ কৰি আছে ঠিক তেনেকুৱা এটা সময়ত আমি এই সদনলৈ নিৰ্বাচিত হৈ আহিছো আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপিত সংশোধনী প্ৰস্তাৱৰ ওপৰত মই মোৰ দলৰ (এচ, ইউ, চি, আই) বক্তব্য ডাঙি ধৰিব বিচাৰিছো। মই আশাকৰো মাননীয় সদস্য সকলে এটা মুক্ত মন লৈ পেলাই মোৰ সমালোচনা মূলক বক্তব্যখিনি ধৈৰ্য্যৰে সৈতে সম্পূৰ্ণ শুনিব আৰু ভুল ভ্ৰান্তি থাকিলে আঙুলিয়াই দিব। মাননীয় অধ্যক্ষ মহোদয়, আজি অসমত এটা চূড়ান্ত দুৰ্নীতি পৰায়ণ, জন বিৰোধী চৰকাৰৰ পতন হোৱাৰ শেষত নিৰ্বাচনৰ মাজেদি অধিষ্ঠিত এটা নতুন চৰকাৰে শাসনৰ গাদীত বহিছে আৰু তাৰ পাচত এইয়া আজি প্ৰথম ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কত অংশ গ্ৰহণ কৰিবলৈ ওলাইছো। আৰু স্বভাবতে আমি এই কাৰ্যত আনন্দিত হব লাগিছিল। কিন্তু দুখৰে সৈতে কবলগীয়া হৈছো যে আমি এই কথাত যিমান আনন্দিত হব লাগিছিল সিমান আনন্দিত হব পৰা নাই। বৰং ভাবাক্ৰান্ত হৃদয় লৈ এই বিতৰ্কত অংশ গ্ৰহণ কৰিছো। ভাবাক্ৰান্ত এই কাৰণেই কৈছো এই বাৰ নিৰ্বাচনত যি ধৰণেৰে বিভিন্ন খন্ড, আঞ্চলিক আৰু সাম্প্ৰদায়িক চিন্তা হৈছে অসমত এনেকুৱা নিৰ্বাচন কাহানিও হোৱা নাছিল। অৱশ্যে ওপৰে ওপৰে চালে এইটো দেখা গৈছে যে দুই এটা সৰু সুৰা ঘটনাৰ বাহিৰে ৰাজ্যখনৰ পৰিস্থিতি বৰ্ত্তমান শান্ত অৱস্থাতে আছে। কিন্তু এতিয়াৰ যিটো শান্ত পৰিবেশ সেইটো বহুত দিনৰ অশান্তিৰ পিচৰ শান্ত পৰিবেশহে। প্ৰকৃত শান্ত পৰিবেশ নহয় বুলি ভাবিছো। আমি জানো অসম আন্দোলনে বিচৰা— অসমৰ ৰাইজে বিচাৰিছিল যে প্ৰকৃত বিদেশী নাগৰিকক চিনাক্তকৰণ কৰি বহিস্কাৰ কৰা হওক। অসমৰ ৰাইজৰ যি বিলাক অৰ্থনৈতিক সমস্যা আছে সেই বিলাকৰ সমাধান হওক এইটো বিচাৰিছিল। আৰু বিচাৰিছিল যি বিলাক জুলুম, অত্যাচাৰ, অৰ্থনৈতিক নিৰ্যাতন তাৰ পৰা মুক্তি অসমৰ ৰাইজৰ এই আকাংখাৰ কথা উপলব্ধি কৰিয়েই আমাৰ দলে সমস্যা সমাধানৰ কাৰণে ৪ দফীয়া সমাধান সূত্ৰ আগবঢ়াইছিল। এইটো কথা অসমৰ ৰাইজৰ মনত আছে। প্ৰথম কথা আন্ত-জাতিক সীমান্ত বন্ধ কৰি দিয়া হওক যাতে কোনো বিদেশী লোকৰ অনুপ্ৰবেশ হব নোৱাৰে। দ্বিতীয়তে অসমৰ ৰাজ্যিক ভাষা অসমীয়াৰ যিটো মৰ্য্যদা আছে জনসংখ্যাৰ পৰিবৰ্ত্তনৰ লগত ইয়াৰ যোগসূত্ৰ ৰক্ষা কৰা আৰু সকলো বিলাক ভাষাৰ কাৰণে সাংবিধানিক ৰক্ষা কবচৰ ব্যৱস্থা কৰা। তৃতীয়তে অসমৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে ব্যাপক ধৰণৰ শিল্প উন্নয়নৰ কাৰণে পেকেজ ডিল কৰা, যাৰ দ্বাৰা নিবনুৱা সমস্যাৰ সমাধানত সহায় হয়। চতুৰ্থতে কোৱা হৈছিল যে আমাৰ এই বিলাক দাবী মানি লোৱাৰ পিচত ১৯৭১ চনক বিদেশী চিনাক্ত কৰণৰ ভিত্তি বছৰ হিচাবে মানি লোৱা হওক। অধ্যক্ষ মহোদয়, আমাৰ এই প্ৰস্তাৱ অসমৰ সকলো শুভ বুদ্ধিৰ ৰাইজেই আদৰণি জনাইছিল যদিও আন্দোলনৰ নেতৃবৃন্দই আমাৰ এই প্ৰস্তাৱত সহাৰি নিদিলে। তাৰ কাৰণেই এই সমস্যাটো সমাধান হোৱাত ইমান পলম হল। আৰু সমস্যা সমাধানৰ নামত যোৱা ১৫ আগষ্টত চুক্তি স্বাক্ষৰ কৰা হল। কিন্তু প্ৰশ্ন হৈছে এই চুক্তিৰ দ্বাৰা আমাৰ সমস্যাৰ সমাধান হৈছে জানো ? ওপৰে ওপৰে চালে তেনে হৈছে। আচলতে সমস্যা আৰু জটিলহে হৈছে। এইটো গভীৰ ভাবে ভাবি চাবলগীয়া হৈছে। এই ঘটনাৰ পিচে পিচে আমি লক্ষ্য কৰিলে দেখা পাওঁ আমাৰ যিটো শান্তি-সম্প্ৰীতিৰ পৰিবেশ, শ্ৰীমন্ত শংকৰদেৱৰ দিনৰে পৰাই আমাৰ যি ঐতিহ্য আছিল সেইটো আন্দোলনৰ সময়ৰ পৰা বিনষ্ট হৈছে। আমি লক্ষ্য কৰিছো

*Speech not corrected.

এই ঐতিহ্য ফল প্ৰায় অসমৰ সকলো সম্প্ৰদায়ৰ মাজত থকা নাই। সমগ্ৰ উত্তৰ পূবৰ ৰাজ্য কেইখনতে ইয়াৰ প্ৰতিক্ৰিয়া হৈছে। আমি এইটো চিন্তা কৰি চাব লাগিব অসমত কিয় এনেকুৱা ঘটনা ঘটিবলৈ পালে? অসম আন্দোলনৰ সময়ৰে পৰা লক্ষ্য কৰিলে এইটো দেখা যায় যে পৃথকতাবাদী, সাম্প্ৰদায়িকতাবাদী ৰাজনীতিয়ে মূৰ ডাঙি উঠিছে। ইয়াৰ ফলত অসমৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্যাতন ভুগিবলগীয়া হৈছে। অসমত বহুত লোকে প্ৰাণ দিব লগীয়া হল আৰু ইয়াৰ ফলত সাম্প্ৰদায়িক বাতাবৰণ বিনষ্ট হল। সংখ্যালঘুৰেই হওক বা সংখ্যাগুৰুৰেই হওক উভয়ৰ কাৰণেই এই চুক্তিৰ ফল শুভ হোৱা নাই। মই আগতেই কৈছিলো যে অসমৰ ৰাইজে চুক্তিৰ মাজেদি বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বহিস্কৰণ বিচাৰিছিল আৰু বিচাৰিছিল অসমৰ সামগ্ৰিক অৰ্থনৈতিক উন্নয়ন। কিন্তু যি চুক্তি হল তাত অসমৰ অৰ্থনৈতিক উন্নয়নৰ কথা নাই। ব্যাপক অৰ্থনৈতিক উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যেনে ভাবে জোৰ দিব লাগিছিল সেইটো কৰা হোৱা নাই। অসমৰ জনজীৱনৰ সামগ্ৰীক উন্নয়নৰ কাৰণে যি অৰ্থনৈতিক চিন্তা, নিবনুৱা সমস্যা সমাধানৰ ওপৰত যি ধৰণৰ গুৰুত্ব দিব লাগিছিল সেইটো কৰা হোৱা নাই। বৰং এক শ্ৰেণীৰ পুঁজিপতিৰ এই আন্দোলনত পৃষ্ঠপোষকতা কৰিছিল। এই আন্দোলনৰ পৰিণতিত আমি পাইছো অসম চুক্তি। এই চুক্তিত অসমৰ শিক্ষাৰ উন্নতিৰ কাৰণে যি ধৰণেৰে চিন্তা কৰিব লাগিছিল সেই ধৰণেৰে চিন্তা কৰা হোৱা নাই, যি ধৰণেৰে ব্যাপক ভাবে শিল্প উন্নয়ন কৰি নিবনুৱা সমস্যা সমাধান যত্ন কৰিব লাগিছিল সেই ধৰণেৰে যত্ন কৰা হোৱা নাই।

ব্যাপক শিল্প উন্নয়নৰ ক্ষেত্ৰত এটা কথা উঠিছে যে এই উন্নয়ন হলে বাহিৰৰ পৰা মানুহ আহিব, অনা অসমীয়াৰে দেশখন ভৰি পৰিব। এইবিলাক যুক্তি দেখুৱাই যদি অসম খনক অনগ্ৰসৰ কৰি ৰাখা হয় তেন্তে এইটো ভাল কথা নহব।

চেয়াৰমেন মহোদয়, এইটো কথা ঠিক নহয় যে অসমত যি শিল্প উন্নয়ন হৈছে অইল ইণ্ডিয়া বা অন্যান্য ডাঙৰ অনুষ্ঠানবোৰত অসমীয়া মাহুহ যে নাই এনে নহয় অসমীয়া মানুহে নানান পদবীত কাম কৰি আছে। গতিকে এই ডাঙৰ শিল্প বিলাক বাহিৰৰ পৰা মানুহ অহাৰ ভয়ত বন্ধ কৰি ৰখাৰ প্ৰশ্ন নুঠে।

চেয়াৰমেন মহোদয়, অসম চুক্তিৰ মাজেদি অসমৰ ৰাইজৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰীকৰণ কৰাৰ ক্ষেত্ৰত বিজ্ঞান সন্মত শিল্প উন্নয়নৰ কথা আহে সেইটো অহা নাই। যিবোৰ কথাৰ জড়িয়তে আজি অসমৰ ভাষা-সংস্কৃতি বিকাশৰ প্ৰশ্ন নতুনকৈ জটিলতাৰ সৃষ্টি হৈছে। আপুনি জানে যে অসম এনেকুৱা এখন ৰাষ্ট্ৰ যিখন ৰাষ্ট্ৰত বিভিন্ন ভাষা, বৰ্ণ সম্প্ৰদায়ৰ জনসংখ্যা আছে এনে এখন দেশত সংখ্যা লঘিষ্ঠৰ কথাটো চিন্তা কৰি চাব লগা হৈছে যে সংখ্যালঘু সকলে ভালেই কৰক বা বেয়াই কৰক তেওঁলোকৰ বিষয়টো চিন্তা কৰি চাব লাগিব।

Mr. CHAIRMAN—Please cut short your speech.

শ্ৰীদেৱান জয়নাল আবেদিন :— এই মানুহ খিনিৰ কাৰণে চৰকাৰে ভালদৰে মনোযোগ দিব লাগিব, যিখনি মানুহে ভয়,ত্ৰাস আৰু আশংকাৰ মনোভাবেৰে থাকিব লগা হৈছে। এই চুক্তিত বিদেশী চিনাক্তকৰণৰ কাৰণে ভিত্তি বছৰ ধৰিছে ১৯৬৬ চন। ১৯৬৬ চনৰ পৰা আজিলৈকে যি খিনি মানুহ আহিল সেই সকলক ১০ বছৰৰ পিচত তেওঁলোকে ভোটাধিকাৰ ঘূৰাই পাব। বিগত চৰকাৰৰ দিনতো

এই মানুহখিনিক আশ্বাস দিয়া হৈছিল। বিদেশী চিনাক্তকৰণ কোনে কৰে? সাধাৰণ এজন ইনোমাৰেটৰে এই কাম কৰিব পাৰেনে? যোৱা নিৰ্বাচনৰ সময়ত ৯ লাখ মানুহৰ নাম বাদ দিয়া হল।

Mr. CHAIRMAN—Hon'ble Member's time is over. Please conclude.

শ্ৰীদেৱান জয়নাল আবেদিন:— চেয়াৰমেন মহোদয়, ১৯৭১ চনেই নহয় তাৰ আগৰ বহু চনলৈকে কাগজ-পত্ৰ দেখুৱা মানুহৰ নামো বাদ পৰিছে। অকল আশ্বাস দিলেই নহয়, আচল গুৰুত্বপূৰ্ণ কাম হৈছে সু দৃষ্টি-ভংগী, মানসিকতা আৰু সজ পদ্ধতিৰে সংখ্যালঘু সম্প্ৰদায়ৰ কথা চিন্তা কৰা। এই প্ৰক্ৰিয়া চৰকাৰে অনুসৰণ কৰিব লাগিব। নহলে আগৰ চৰকাৰে যি ধৰণেৰে আশ্বাস দিছিল সেই ধৰণেৰে এই চৰকাৰে আশ্বাস দিলে কাম নহব।

চেয়াৰমেন মহোদয়, অসমীয়া ভাষা সংস্কৃতিৰ অপ্ৰতিহত বিকাশ আৰু জনসাধাৰণৰ ন্যায় সঙ্গত অধিকাৰ সমূহ সকলো দিশৰ পৰা বিবেচনা কৰি দৃঢ়তাৰে অসম চুক্তি বাতিল কৰিবলৈ মই অনুৰোধ জনাইছো

Mr. CHAIRMAN—Your time is over long back. Please conclude.

শ্ৰীদেৱান জয়নাল আবেদিন:— Sir, I want two minutes time more আজি মই এই কথা সদনত অবগত কৰো যে এটা নতুন ৰাজনৈতিক চিন্তা, পৃথকতাবাদৰ চিন্তা, সাম্প্ৰদায়িকতাৰ চিন্তা আগতে যিটো নাছিল সেইটো এতিয়া ৰাজনৈতিক আকাশত দেখা গৈছে আৰু ইয়াৰ মাৰত্মক প্ৰভাৱৰ প্ৰতি সচেতন হব লগা হৈছে। মাননীয় শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কৈছে যে এ, জি, পি, চৰকাৰ অসমীয়া চৰকাৰ।

Mr. CHAIRMAN—Your time is up, Now Hon'ble member Shri Gautam Roy will speak.

শ্ৰীদেৱান জয়নাল আবেদীন: —কথা হল যে অসমীয়াক বাদ দি অসম নহয়। ভাৰতত যে কেৱল বিহাৰীয়েই আছে এনে নহয়।

(সময়ৰ সংকেত)

শ্ৰীময়িদুল ইচলাম বৰা:— অসমীয়া চৰকাৰ বোলাত চেয়াৰমেন মহোদয়, মোৰ আপত্তি আছে।

মাননীয় চেয়াৰমেন:— এতিয়া শ্ৰীগৌতম ৰায়ে কব।

*শ্ৰীগৌতম ৰয়:— মাননীয় সভাপতি মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত কেইটামান কথা কৈ মই মোৰ সমৰ্থন কাটলীচৰাৰ কথাও দুই এটা কবলৈ বিচাৰিছো। ৰাজ্যপালৰ ভাষণত জুডিয়েচৰীৰ কথা আছে। 'কুইক ডিচপজেল অৱ কেচ' বুলি কৈছে কিন্তু তেওঁ কেনেকৈ কেচ ডিচ প'জ কৰিব সেইটো চাব লাগিব। তেওঁলোকৰ থাকিবলৈ কোৱাৰ্টাৰ নাই, ভাৰাঘৰত থাকিব লাগে, সেই ভাৰাটো অন্ততঃ চৰকাৰৰ পৰা দিব লাগে। কিছুমান ঠাইত গৈ কেচ চাব লাগে কিন্তু গাড়ী নথকাৰ কাৰণে অসুবিধা হয়। পুলিচে মাজে মাজে ৰিকুইজেচন কৰি অৱশ্যে দিয়ে, কিন্তু তেনেকৈ কাম কৰিব নোৱাৰে। সেই কাৰণেই এখন স্থায়ী গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*Speech not corrected.

এইবাৰ মোৰ সমষ্টিৰ কথালৈ আহো। মোৰ কাটলীচেৰা সমষ্টিটো একেবাৰে মিজোৰামৰ ওচৰত। তাত পি, ডব্লিউ, দিৰ ৰাস্তা আছে কিন্তু তাত দলং এখন লাগে অৱশ্যে বনাই আছিল কিন্তু চিমেন্টৰ অভাৱৰ কাৰণে দলং খন এতিয়াও হোৱা নাই। চিমেন্ট খিনি হলে বাকী কাম খিনি শেষ কৰিব পৰা যাব। সেয়ে চৰকাৰক মই অনুৰোধ কৰিছো সেই বিষয়টো যেন অলপ চায়।

হাইলাকান্দিত এটা স্কেণ্ডেল হৈছিল, পুলিচক জনোৱাও হৈছিল আৰু আগৰ চৰকাৰকো এই কথা জনোৱা হৈছিল। আৰু তেখেত সকলে একশ্যন লম বুলি কৈছিল আৰু ১ জনক গ্ৰেপ্তাৰ কৰিছিল আৰু তিনিদিন মানৰ পাচত বদলি কৰি দিছিল। এতিয়াৰ গৃহমন্ত্ৰী মহোদয়ে 'বদলিয়েই যথেষ্ট শাস্তি নহয়' বুলি কৈছে। সেয়ে এই দোষী বিষয়াই যাতে শাস্তি পায় তাৰ বাবে ব্যৱস্থা লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

আমাৰ কাটলীচেৰাত এখন ডাঙৰ নদী আছে। তাত এটা বান্ধ দিয়াৰ কাৰণে আজি তিনি বছৰৰ আগতেই চেংশ্যন হৈছিল। কিন্তু পিচত বান্ধৰ কাম একো হোৱা নাই। তেতিয়াৰ এচ, ডি, অ, সুভাষ দাসে বানত ক্ষতিগ্ৰস্ত হোৱা লোক সকলক টকা আদি সাহায্য দিছিল। এতিয়া আকৌ মাৰ্চ মাহ আহি আছে কাম হোৱাই নাই। বাৰিষা আহিলেই আকৌ মানুহৰ বিপদ হব। সেয়ে এই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে মই অনুৰোধ কৰিলো।

জলসিঞ্চনৰ ক্ষেত্ৰত মোৰ সমষ্টিৰ কথা দুটামান কওঁ আমাৰ এটা স্কীম আছে তাৰে কিছু কাম হৈছে আৰু কিছু কাম বাকী আছে। এইটোও আপোনালোকে চিন্তা কৰিব লাগিব।

চৰকাৰে শান্তি সম্প্ৰীতি বজাই ৰাখিব লাগিব বুলি কৈছে, আমাৰ ৰাজীৱ গান্ধীয়েও কৈছে শান্তি সম্প্ৰীতি বজাই ৰাখিব লাগিব। কাটলীচেৰাত এইটো সম্পূৰ্ণ বজাই ৰখা হৈছে।

আগৰ চৰকাৰৰ দিনত গোলাম ওচমানিয়ে, এতিয়া অৱশ্যে তেখেত সংখ্যালঘু মৰ্চাত আছে 'অৰ্ডাৰ' দিছিল যে এই অফিচটো উঠাব লাগে কিন্তু এই কামটো কৰিবলৈ হলে ১০ লাখ টকা খৰছ হব। কি কাৰণত এই ১০ লাখ টকা খৰছ কৰিব লাগে বিষয়টো আপোনালোকে চাব লাগে। আপোনা-লোকৰ চৰকাৰ ভয় কৰি এতিয়া ৰাতা ৰাতি টেণ্ডাৰ দি কাম শেষ কৰি টকাটো দেখুৱাব খুজিছে। সেই কাৰণে মই আপোনালোকক সেই কাম বন্ধ কৰি দি বিষয়টো পৰীক্ষা কৰিবলৈ অনুৰোধ কৰিলো।

আৰু এটা কথা কওঁ পেপাৰৰ বিজ্ঞাপন সন্দৰ্ভত। কাছাৰত এখন পেপাৰ আছে এটা মাত্ৰ হেড লাইন দিব আৰু বিল দিব ডেৰ হাজাৰ টকা। কিন্তু আমি জনাত এইবোৰ ডি, আই, পি, আৰৰ পৰাহে কৰিব লাগে। তাত এজন পাবলিক ৰিলেশ্যন অফিচাৰ এইকামৰ কাৰণে আছেই। এইটো আপোনা-লোকে অলপ চাব নহলে পিচৰ বিধান সভাত আপোনালোকেই 'ফেচ' কৰিব লাগিব। ডি, আই, পি, আৰৰ যোগেদি এই বিলাক বন্ধ কৰাওক কাৰণ ইয়াত যিবোৰ টকা দিয়া হৈছে সেইবোৰ স্কীমৰ পৰা দিয়া টকা। সেই কাৰণেই কৈছো আপোনালোকে বিবেচনা কৰি চাব।

শিক্ষাৰ ক্ষেত্ৰত মই কওঁযে কিছুমান কথা আমি বৰ ভাল পাইছো আৰু শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। বিশেষকৈ কলেজৰ গৰ্ভনিং বডি বিলাক কৰি দিয়াত আমি বৰ ভাল পাইছোঁ। মোৰ সমষ্টিৰ এখন কলেজৰ অধ্যক্ষ পাঠশালা পাছ। সেইকাৰনেই এইবোৰ কৰাত আমি ভাল পাইছোঁ। মানুহ আহি দিছপুৰত বহি থাকি কলেজৰ কাম কৰাই লৈ যায়। এইদৰেই হয়তো ৬ বছৰ ধৰি চলি থাকিল হেতেন। সেয়ে আজি গৰ্ভনিং বৰ্ডিবিলাক ভঙ্গ কৰি দিয়াত আমি ভাল পাইছোঁ। এতিয়া চৰকাৰে নতুনকৈ পলিটিকেল মানুহ বাদ দি গৰ্ভনিং বডি গঠন কৰি দিয়ক এইটো ভাল হব। ইয়াকে কৈ মই ৰাজ্যপালৰ ভাষণক ধন্যবাদ জনাই সামৰণি মাৰিছোঁ।

Mr. CHAIRMAN—Now Shri Kamakhya Charan Choudhury.

শ্ৰীকামাখ্যা চৰন চৌধুৰী :— মাননীয় চেয়াৰমেন ডাঙৰীয়া, আমাৰ ৰাজ্য পালৰ ভাষণৰ ওপৰত আমাৰ বন্ধু মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰে সমৰ্থন কৰি দুই চাৰিটা পৰামৰ্শ দিবলৈ আগবাঢ়িছো। চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণত আমাৰ চৰকাৰৰ নীতি সমূহ পৰিস্ফুট হৈছে। আৰু অহা বছৰটোত চৰকাৰী বিভিন্ন বিভাগত কাম কাজৰ বিভিন্ন দিশত কি দৰে অগ্ৰগতি লাভ কৰিব তাৰ নিদৰ্শন দাঙি ধৰিছে সেইটোত মই আদৰণি জনাইছো। চেয়াৰমেন ডাঙৰীয়া ৰাজ্যপালৰ ভাষণত অসম চুক্তি অনুসৰি আমাৰ চৰকাৰে চৰকাৰী আৰু অৰ্ধ-চৰকাৰী সকলৰ সকলো শাস্তিমূলক ব্যৱস্থা তুলি লৈ কৰ্মচাৰী সকলক পুনৰ চাকৰিত মকৰল কৰাৰ উল্লেখ কৰিছে। এইটো নতুন চৰকাৰৰ অকল বলিষ্ট পদক্ষেপেই নহয় সেইটো এটা প্ৰত্যেক নাগৰিকৰ নাৰ্য্য অধিকাৰ ৰক্ষা কৰাৰ মূলনীতি। চেয়াৰমেন মহোদয়, কৰ্ম্মচাৰী সকলো একো একোজন নাগৰিক। দেশৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষা কৰা তেওঁলোকৰ দায়িত্ব। ইয়াৰ লগতে মই এইটো কথা কব খুজিছো যে যোৱা কংগ্ৰেছ সাশনৰ সময়ত কৰ্ম্মচাৰীৰ ওপৰত যি নিৰ্য্যাতন হৈছিল। যেনে দৰমহা কৰ্ত্তন, নিলম্বিত কৰণ এই দুটা সাস্তি নতুন চৰকাৰে উঠাই লোৱাত ধন্যবাদ জনাইছো। শাস্তিমূলক ব্যৱস্থা সমূহ, বৰখাস্ত, বাধ্যতামূলক অৱসৰকে ধৰি তথা আইন অতি সোনকালে উঠাই লগ লাগে। মই চৰকাৰৰ ওচৰত অনুৰোধ কৰো যাতে এই সকলো বিলাক একেখন হুকুমতে কৰা হয়। কাৰণ চৰকাৰী, অৰ্ধচৰকাৰী লগতে বেঙ্ক, নিগম আদি সকলোৱে এই নিৰ্য্যাতনৰ বলি হৈছিল। গতিকে এই সকলো বিলাককে যাতে এটা অৰডাৰতে উঠাই লোৱাৰ ব্যৱস্থা কৰিব পাৰে তাৰ বাবে অনুৰোধ কৰি দৃষ্টি আৰ্কষণ কৰিলো, যাতে বিভিন্ন শ্ৰেনীৰ কৰ্ম্মচাৰীৰে তেওঁলোকৰ ন্যাৰ্য্য প্ৰাপ্তি হয়।

চেয়াৰমেন মহোদয়, ইয়াৰ পাচত জিলা প্ৰশাসন আৰু মহকুমা ক্ষেত্ৰত মোৰ এটা কথা কবলগীয়া আছে যে, মহকুমা বিলাক গঠন কৰি যি সুবিধা হব লাগিছিল তাৰ পৰিবৰ্ত্তে কিছু অসুবিধা হে হৈছে। গতিকে এই ক্ষেত্ৰত মই দুই এটা পৰামৰ্শস্বৰূপে আগবঢ়াব বিছাৰিছো। হাজো সমষ্টিৰ ৫ খন মৌজা আৰু ৰঙিয়া মহকুমাতো গুৱাহাটীৰ লগত সামৰি লব লাগে বুলি অনুৰোধ জনালো। তাৰ উপৰি জালুকবাৰী সমষ্টিৰো তিনিটা অঞ্চল পুনৰ গুৱাহাটী মহকুমাত যোগ কৰিবলৈ অনুৰোধ কৰিলো। ইয়াৰ ওপৰিও আজি স্বাধীনতাৰ ৩৮ বছৰ পাচতো এ,জি অফিচটো সম্পূৰ্ণ কৰি নামি অহা নাই। সেয়েহে মই চেয়াৰমেন মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিব বিছাৰিছো যাতে সোনকালে পেন্সিলপ ব্ৰান্স আৰু লৱাৰ ব্ৰান্সটো গুৱাহাটীলৈ আনে। তাৰোপৰি শিলংত থকা টেলিকমিউনিকেশ্যন, পি, এম, জি,ৰ অসম চাৰ্কোলটো অতি সোনকালে আনিব লাগে। ঠিক তেনে ধৰণে অন্যান্য সম্পৰ্কত চেণ্ট্ৰেল অফিচবোৰ গুৱাহাটীলৈ স্থানান্তৰ কৰিব লাগে।

ইয়াৰ পাচত পশু পালনৰ বিষয়ে দুটামান কথা কব বিচাৰিছো। গ্ৰাম্য অৰ্থনীতিৰ উন্নতিৰ বাবে পশুপালনৰ আৱশ্যক। গতিকে তাৰে উন্নতি সাধনৰ বাবে চেষ্টা কৰাত ভালেই হৈছে। কিন্তু গৰু কুকুৰা আদিৰ খাদ্য ৰাইচ পলিচ আদি হুইট ব্ৰেন আদিৰ বহুত দাম দি কিনিব লগা হোৱাত যিসকল লোকে গাখীৰ কণী আদি ব্যৱসায় ভিত্তিত বিক্ৰি কৰি তেওঁলোকৰ কোনো লাভ নহয়। গতিকে এইবিলাক বস্ত কণ্ট্ৰোল ৰেটও দিয়াৰ ব্যৱস্থা কৰিবলৈ মই পশু পালন আৰু যোগান বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিলো।

গড়কাপ্তনী বিষয়ত ৰাজ্যপালৰ ভাষণত উন্নতি সাধনৰ বাবে যিখিনি উল্লেখ আছে তাৰ বাবে মই আদৰণি জনাইছো। লগতে ইয়াকো কব খুজিছো যি হাজো সমষ্টিৰ যি যাতায়ত ব্যৱস্থা সিও অতিকৈ দুখলগা। তাৰ উন্নতি সাধন কৰিব লাগে। আমিন গাওঁৰ পৰা হাজোৰ মাজেৰে যোৱা ৰাস্তাৰে বাক্লাপাৰা আদিলৈ দিনত ২৫০ খনৰ ওপৰ বাছ যায়। তাৰোপৰি টেক্সী আদি আছেই। কিন্তু ৰাস্তাৰ দুয়োকাষে শিল নোহোৱাৰ কাৰণে গাড়ী পাছ কৰাত অসুবিধা হয়। গতিকে এই ৰাস্তাটো বহল কৰিব লাগে। দমদমাৰ পৰা ৰঙিয়ালৈ, বৰমাৰ পৰা শুৱালকুচি হৈ বামুন্দি, হাজোৰ পৰা হলোগাওলৈ ৰাস্তাৰ ব্লেক টপিং অতি সোনকালে আৰম্ভ কৰিব লাগে।

চৰকাৰে প্ৰাথমিক শিক্ষাৰ সৰ্বাঙ্গীন উন্নতি কৰাৰ কাৰণে যি ৰাষ্ট্ৰীয় নীতি লৈছে তাক মই আদৰণি জনাইছো। লগতে এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে প্ৰাথমিক স্কুলবিলাকত প্ৰথম মানৰ পৰা লৰা-ছোৱালীৰ নাম লিখোৱাত বহুতো অসুবিধা হৈছে। কাৰণ স্কুললৈ গৈয়েই যিবিলাক শব্দ পঢ়িব লগা হয় সেইখিনিত লৰা-ছোৱালীবিলাকে অসুবিধা পায়। সেই কাৰণে কণ কণ লৰা-ছোৱালী বিলাকৰ চহৰত যেনেকৈ নাৰ্চাৰী বা মন্টেচৰী আছে ঠিক তেনেকৈ গাঁওতো প্ৰি-প্ৰাইমেৰী স্কুল খোলাৰ ব্যৱস্থা কৰিব লাগে। যাতে সেই শ্ৰেণী কেইটাত কেৱল আখৰ শিকোৱাৰ ব্যৱস্থা কৰা হয়। ইয়াৰ লগতে আৰু এটা কথা কওঁ যে শনিবাৰে স্কুলবিলাক বন্ধ দিয়াৰ যিটো ব্যৱস্থা সেইটো অতি সোনকালে উঠাই লব লাগে, কাৰণ গাঁওৰ লৰা-ছোৱালী বিলাকে শনিবাৰটো বন্ধ পায় সোমবাৰে স্কুল যাবলৈ ইচ্ছা নকৰে। লগতে এচ, আই আৰু ডি আই সকলক স্কুল পৰিদৰ্শণ কৰিবলৈ অতি সঘনাই ব্যৱস্থা কৰিব লাগে।

চেয়াৰমেন মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণত যিখিনি কথা ডাঙি ধৰিছে বিশেষকৈ খোৱাপানীৰ সম্পৰ্কত তাৰ বাবে মই আদৰণি জনাইছো লগতে ইয়াকো কওঁ যে যিবোৰ ঠাইত খোৱাপানী যোগানৰ ব্যৱস্থা এতিয়াও হোৱা নাই অতি সোনকালে সেইবোৰ ঠাইত এই আচনি হাতত লব লাগে। মই হাজো সমষ্টিৰ কথাকে কওঁ যে এই সমষ্টিত খোৱাপানী যোগানৰ যি ব্যৱস্থা সেইটো সচাকৈ দুখলগা। গোটেই হাজো অঞ্চলটোৰ ভিতৰত মাধৱ মন্দিৰৰ পিচফালে থকা এটা পানী যোগানৰ ব্যৱস্থাৰ বাহিৰে আন কোনো ব্যৱস্থাই তাত নাই। গতিকে মই এই বিষয়ত বিভাগিয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

বিদ্যুৎ সম্পৰ্কে কিছু আলোচনা হৈছে। কিন্তু হাজো সমষ্টিৰ গাঁও বিলাকত সঠিক ভাবে বিদ্যুৎৰ যোগান ধৰা হোৱা নাই। কিছুমান গাওঁত খুটা আছে তাৰ নাই আৰু কিছুমানত তাৰ আছে লাইত নাই। ঠিক এনেকুৱা অৱস্থা সকলো বিলাক ঠাইতেই আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি আঙুলিয়াই দিছো যাতে অতি সোনকালে সেই গাঁও বিলাকত কাগজে-পত্ৰই বিদ্যুৎ বাতি যোগান ধৰাৰ ব্যৱস্থা থকা বুলি যি সকল বিষয়াই জনাইছে সেইসকল বিষয়াৰ বিৰুদ্ধে তদন্তৰ ব্যৱস্থা কৰি শাস্তি দিয়া হয় আৰু তাৰ বাইজে সেই বিলাক গাঁওত লাইট পাব পাৰে সেইটোকে মই দৃষ্টি আকৰ্ষণ কৰিছো। ইয়াকে কৈ মই মহামান্য ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি মোৰ ভাষণৰ সামৰণি মাৰিলো।

শ্ৰীমজিবুদ্দিন আহমেদ:— শ্ৰদ্ধেয় চেয়াৰমেন মহোদয়, এতিয়া আমাৰ দলৰ নেতা শ্ৰীগোলাম ওচমানী ডাঙৰীয়াই যি ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেইটো মই সম্পূৰ্ণ ৰূপে সমৰ্থন জনাইছো। আজি ল এণ্ড অৰ্ডাৰ ভালৈ আহিছে বুলি কোৱা হৈছে যদিও তেনেকুৱা বিক্ষিপ্ত ঘটনা হৈ আছে। কিন্তু কৰবাত দুই এটা হৈ আছে। নাজিৰাতেই হত্যাকাণ্ড হৈছিল আৰম্ভো মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ তত্কালীন ব্যৱস্থা লোৱাৰ বাবে আমি ভাল পাইছো। আগলৈও যাতে তেনেকুৱা ঘটনা নহয় সেই বিষয়ে নজৰ দিব লাগে। চেকুৰিটি সম্বন্ধে যিটো কথা কবলৈ ওলাইছো সেইটো হ'ল আমাৰ মাইনৰিটি সকলৰ যিবিলাক পকেট আছে সেই বিলাক ঠাইত কৈ থকা হয় যে অসমত ১০ পাৰচেন্ট বঙালী শতকৰা ২০ ভাগ মুছলমান আৰু ৭০ ভাগ অসমীয়া থাকিব লাগিব। বাকী বিলাক যাব লাগিব। এনেকুৱা বিলাক কথা যেতিয়া ওলাই থাকে তেতিয়া মানুহৰ মনত শঙ্কাৰ ভাব উদয় হয়। কোনোবা দাড়ি থকা মানুহ দেখিলেই কেৱল বাংলাদেশী বুলি কোৱা হয়। এইটো কেনে ধৰনৰ কথা; কিয়নো বিধান সভাৰ মজিয়াতো ট্ৰাইবেল বেল্টৰ সংখ্যালঘুক বিদেশী বুলি আখ্যা দিয়া হৈছে। বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়া এতিয়াও হোৱা নাই। যোৱা ৫০।৬০ বছৰে যি সকল মানুহে ইয়াতে বসবাস কৰিছে সেই সকলক যদি বিদেশী বুলি কোৱা হয় তেতিয়াহলে তেঁওলোকৰ আস্থা কৰ পৰা আহিব। গতিকে এনে বিলাক কথাত আমি সচেতন হোৱাটো প্ৰয়োজন হৈ পৰিছে। প্ৰত্যেকে প্ৰত্যেকৰ প্ৰতি সদ্ ব্যৱহাৰ কৰিব লাগে যাতে আমাৰ মাজত শান্তি সম্প্ৰীতি অটুত থাকে। কমিনুৱেল ডিচটাৰবেন্চ যোৱা ৬ বছৰৰ পৰা হৈ আহিছে। ই মানুহৰ মাজত ভয়ৰ উদ্ৰেক কৰিছে। গতিকে আশা ৰাখিছো নতুন চৰকাৰে ইয়াৰ এটা নতুন ৰূপ দিব। অলপতে দেখিছো গোসাঁই-

গাঁও থানাত কংগ্ৰেছ আইৰ নেতৃত্বত কিছুমান কমিটি গঠন হৈছে। এই কমিটি নাম শান্তা কলোনী সমাজ কল্যাণ। তেওঁলোকে মাজে সময়ে নটিচ দি থাকে। সংখ্যালঘু সকলে ইয়াতে বহুদিনৰ পৰা মাটিবাৰী কিনি আবাদ কাৰ বসবাস কৰি আছিল। তেঁওলোকৰ আবাদ কাটি লৈ গৈছে আৰু তেওঁলোকক ধমকি দি আছে। তেওলোকে সেই ঠাইৰ পৰা গুছি য়াব লাগিব যোৱা ২২ তাৰিখে এই সংক্ৰান্তত মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত দৰ্খাস্ত দিছে। তাৰে কপি মোৰ ওচৰলৈও আহিছে। এই বিলাক বন্ধ কৰিব লাগে বুলি এচ, ডি, অ আৰু এচ, ডি, পি, অ মহোদয় সকলৰ দৃষ্টি গোচৰ কৰা হৈছে কিন্তু তাৰ এচ, ডি, ও, এচ, ডি, পি, ওৰ কোনো সহাঁৰি নাই। তাৰ পাচত মাননীয় জয়নাল আবেদিন ছাহাবে চুক্তি সংক্ৰান্তত যিখিনি কথা ডাঙি ধৰিছে সেইটো সমৰ্থন কৰিছো আৰু অসম চুক্তি বাতিল কৰি সকলো দলকে লৈ কমিটি কৰি বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত যি মত প্ৰকাশ কৰিছে সেইটো মই সমৰ্থন কৰিছো। তাৰোপৰি যোৱা নিৰ্বাচনৰ সময়ত বহুতো ঠাইত কিছুমান বিক্ষিপ্ত ঘটনা ঘটিছে। বিপক্ষ দলে কোনো কোনো ঠাইত সোমাব দিয়া হোৱা নাছিল। প্ৰচাৰ কাৰ্য্য কৰা ক্ষেত্ৰত বাধা দিছিল আৰু প্ৰচাৰ পত্ৰিক নষ্ট কৰি পেলাইছিল। চুক্তিৰ ধাৰা মতে অৱজেকচন ফাইলিঙৰ কাৰণে ৩০ দিন বঢ়াই দিয়া হল। আৰু এই সময় চোৱাৰ ভিতৰতেই ভৈয়ানক ৰূপ এটা ধাৰণ কৰিলে। ২২ লাখ আপত্তি দিয়া হল। সেই আপত্তিবোৰ আইন অমান্য কৰা হল। প্লেন কাগজত অৱজেকচন দিয়াৰ কোনো বিধান নাই। এই বিলাক হোৱাৰ ফলত মানুহৰ অশান্তি সৃষ্টি হৈছে। গাঁও বিলাকত শুনানীৰ সময়ত কিছুমান ঘটনা ঘটিছিল। দুধনৈ থানাৰ অন্তৰ্গত এখন ঠাইত শুনানী স্হলীতেই এজনী তিৰোতাই প্ৰসৱ কৰিছিল আৰু তেতিয়া তাৰ নাম ৰখা হ'ল 'হিয়াৰীং হুছেইন'। এনেকুৱা বিলাক ক্ষেত্ৰত যিবিলাক গৰ্ভৱতী তিৰোতা সকলকো ৰেহাই দিয়া নহল. তেওঁলোক যদি নাহে তেনেহলে তেওঁলোকক বহিস্কাৰ কৰা হব আৰু এই ভিতি প্ৰদৰ্শন কৰাৰ কাৰণেই তেওঁলোকে আহিব লগা হৈছিল। আপত্তি যি দিয়া হৈছিল কোন দলৰ মই নাজানো। আগৰ চৰকাৰে তেতিয়া কোনো ব্যৱস্হা লোৱা নাছিল। হিয়াৰিংৰ সময়ত নটিচ নিদিয়াকৈয়ে নাম কৰ্ত্তন কৰা হৈছি। সকলো মানুহৰ হিয়াৰিং নোহোৱা-কৈয়ে নিৰ্বাচনীৰ জাননী দিলে যে ইলেকচন হব আৰু তাত প্ৰায় ১ মিলিয়ন মানুহৰ নাম ভোটাৰ লিষ্টৰ পৰা কটা হল। আপত্তি শুননী নোহোৱাৰ কাৰণে তেওলোকৰ নাম ভোটাৰ লিস্টত থাকিব লাগিছিল। কিন্তু তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তভুক্ত নহ'ল। এই অন্যায়ৰ কাৰণেই ১ মিলিয়ন নাগৰিক ভোটাধিকাৰৰ পৰা বঞ্চিত হ'ল।

অধ্যক্ষ মহোদয়, এইখিনিতে মই পৰিবহনৰ ক্ষেত্ৰত অলপ কব খুজিছো। আমাৰ ৰাজ্যত প্ৰাক স্বাধীনতা কালত পৰিবহনৰ সা-সুবিধা আছিল ৰেল আৰু জাহাজৰ যোগে। কিন্তু ৰেল জাহাজৰ যোগে চলাচল কৰিবৰ কাৰণে আমাৰ ইয়াত যিমানখিনি অগ্ৰগতি লাভ কৰিছিল সেইদৰে স্বাধীনতা পোৱা ৩৮ বছৰ কালছোৱাত জাহাজেৰে চলাচল বন্ধ হৈ পৰিছে আৰু তাৰ পৰিবৰ্ত্তে মটৰ গাড়ীৰ প্ৰচলন হৈছে যদিও যি অনুপাতে ইয়াৰ ৰাস্তা ঘাটৰ উন্নতি হব লাগিছিল সেইদৰে নহল। অকল সেয়ে নহয় অসমৰ বহুতো ঠাই আজিও ৰেল লাইনেৰে সংযোগ ঘটাব পৰা হোৱা নাই যাৰ কাৰণে আজি মানকাচাৰৰ নিচিনা ঠাইৰ পৰা বস্ত বাহানি আহিবলৈ হলে বহু ঠাই ঘূৰি আহিব লগা হয় আৰু তাৰ কাৰণে বহুতো ভাড়া ভৰিব লগা হয়। ইয়াৰ আগতে আমি এটা কথা শুনিব পাইছিলো আৰু সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰক হেচাঁও দিয়া হৈছিল যে অসমৰ সকলো ঘাই ঘাই ঠাইকে চুই যাব পৰাকৈ গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ৰেলৰ সম্প্ৰসাৰণ ঘটাব লাগে। কিন্তু ৰাজ্যপালৰ এই ভাষণখত আমি তেনে ধৰনৰ কোনো দাবী বা প্ৰস্তাব দেখা নাই। ইয়াৰ বাহিৰেও যোৱা ১৯৮৩ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধিয়ে যোগীঘোপা পঞ্চৰত্নৰ মাজত এখন দলং নিৰ্ম্মানৰ কাৰনে আধাৰশিলা স্হাপন কৰিছিল আৰু যোৱা আগষ্ট মাহত প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে সেই দলংখনৰ কাম সোনকালে শেষ কৰা হব বুলি উল্লেখ কৰিছিল কিন্তু আজিলৈকে কোনো কাম হাতত লোৱা নাই। ইমান গুৰুত্বপূৰ্ণ বিষয়ৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নথকাত আমি আচৰিত হৈছো। ইয়াৰ পিচত মই আমাৰ ব্ৰহ্মপুত্ৰ নদীখনৰ বিষয়ে কবলৈ ইচ্ছা কৰিছো। ১৯৫০ চনৰ আগতে ব্ৰহ্মপুত্ৰ নৈৰ যোগেদি এটা জল পৰিবহনৰ সুবিধা আছিল।কিন্তু ১৯৫০ চনৰ ভূমিকম্পৰ পিচত ইয়াৰ তলিভাগৰ কিছু পৰিবৰ্ত্তণ হোৱাত আৰু নৈ খনে গতিপথ সলোৱাত ইয়াৰ যোগেদি পৰিবহণ সুচল নাইকিয়া হৈ পৰে। ইয়াৰ পিচত আগৰ এখন চৰকাৰে এই নদীখন খান্দি বানপানী প্ৰতিৰোধ কৰাৰ

লগতে জলপথৰ সৃষ্টি কৰাৰ মানসেৰে কেইখনমান ড্রেজাৰ আনিলে আৰু সেবোৰ চলাবলৈ বাহিৰৰ পৰা ইঞ্জিনিয়াৰকে আৰম্ভ কৰি বহুতো বিষয়া আমদানী কৰা হল আৰু তাৰ বাবে কাৰ্য্যালয় আদিও নিৰ্ম্মান কৰা হল। কিন্তু সময়ত এই ড্রেজাৰৰ দ্বাৰা এক ইঞ্চি মাটি কটা নহল। যদিহে এই ড্রেজাৰ বোৰ কামত লগোৱা হলহেতেন তেনেহলে বাননিয়ন্ত্ৰনৰ লগে লগে জলপথবো সৃষ্টি হলহেতেন আৰু তাৰ লগে লগে ব্ৰহ্মপুত্ৰৰ পলসুৱা বালি পেলাই কিছুমান ঠাই খেতিৰ উপযোগী কৰি তুলিব পৰা গলহেতেন।

অধ্যক্ষ মহোদয়, এইখিনিতে মই আমাৰ কেইটামান উদ্যোগৰ কথা কওঁ। শিলঘাটত থকা মৰাপাট কলটো আজি বহুদিন ধৰি বন্ধ হৈ থকাৰ পিচত জানুৱাৰী মাহৰ এক তাৰিখৰ পৰা সেইটো খোলা হৈছে আৰু পৰ্য্যায়ক্ৰমে ইয়াৰ কাম আৰম্ভ হোৱা বুলি আমি জানিব পাৰিছো। কিন্তু তেনে পৰ্য্যায়ৰ আন এটা উদ্যোগ "অশোক কাগজ কল" খোলাৰ কাৰণে আজিলৈকে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা আমি দেখিবলৈ পোৱা নাই। এই আটাইবোৰ বিষয়ে নতুন চৰকাৰে সুদৃষ্টি দিব বুলি আশা কৰিলে।

অধ্যক্ষ মহোদয়, বানপানী নিয়ন্ত্ৰণৰ কাৰণে আমাৰ বাজেটৰ এটা বৃহৎ অংশ খৰচ কৰা হয়। কিন্তু এই ধন বাৰিষা অহাৰ লগে লগেহে খৰচ কৰা আমি দেখিবলৈ পাও। বাৰিষা পানীয়ে যেতিয়া আমাৰ সকলো ধুই নিয়ে তেতিয়া টকা খৰচ কৰি কিবা উপকাৰ হয় নেকি সেইটো আন চিন্তা কৰিব লগা বিষয়। আনহাতে যিভাৱে এই টকাবোৰ খৰচ কৰা হয় তাৰ কোনো এষ্টিমেট আদি নোহোৱাৰ কাৰণে এই ধন ঠিকমতে খৰচ কৰা হয় বুলি আমি নাভাবো। তাৰোপৰি আমি শুনিবলৈ পাও যে এই ধনৰ এক বৃহৎ অংশ কিছুমান স্বাৰ্থান্বেষী লোকৰ হাতলৈ গুছি যায়। গতিকে এইবোৰ সোনকালে বন্ধ কৰিব লাগে আৰু যি সময়ত যিটো কাম কৰিব লাগে তাক ঠিক সেই সময়তে কৰিব লাগে।

ইয়াৰ পিচত বিদেশী বিতাৰণৰ ক্ষেত্ৰত কবলৈ গৈ দুষাৰমান কথা কও যে প্ৰকৃততে বিদেশী কোন, অসমত কিমান বিদেশী আছে তাৰ কোনো হিচাব আমি দেখিবলৈ পোৱা নাই। মাননীয় সদস্য শ্ৰীমুহিব মজুমদাৰ ডাঙৰীয়াই সদনত তেখেতে কৈছিল যে এক লাখমান হব। কিন্তু এই বিদেশী সকলক কি ভিত্তিত চিনাক্ত কৰা হব বা তেওঁলোকক কেনেকৈ বা কলৈ বহিস্কাৰ কৰা হব তাৰ কোনো ব্যাখ্যা আমি আজিলৈকে জানিব পৰা নাই। আমি এটা কথা চিন্তা কৰিব লাগিব যে বঙালি ভাষী সকলেই বিদেশী নহয়। আজি পশ্চিম বঙ্গৰ লোক সকলেও বঙালি ভাষা কয় আৰু তেঁও লোকৰ বহুতো মানুহ আমাৰ ইয়াত বসবাস কৰে। কিন্তু তেওলোককো আমি বিদেশী বুলি হাৰাসাস্তি কৰিলে অন্যায় কৰা হব। গতিকে এই আটাইবো কথা নতুন চৰকাৰে বিবেচনা কৰি তেওলোকে জনসাধাৰণক যি প্ৰতিশ্ৰুতি দি ইয়ালৈ আহিছে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব বুলি অনুৰোধ জনালো।

আজি যদি কোৱা হয় যে বাংলাদেশী লোক মানে বঙ্গালী ভাষাত কথা কোৱা লোক সকল সেইটো ভুল হব। কাৰণ অতিজৰে পৰা বৰাক ভেলিৰ লোক সকলে সংখ্যালঘু তেওঁলোকে বঙালী ভাষাত কথা কয়, তেওঁলোককো যদি বাংলাদেশী বুলি কোৱা হয় বা আজি শতকৰা ৪৫ ভাগ লোক যি সংখ্যালঘু ৰ লোক আছে তেওঁলোকক ভাষাৰ ভিত্তিত বিদেশী বুলি কোৱাটো দুখৰ কথা। আমাৰ গোৱালপাৰাজিলাৰ লোক সকলে বঙালী ভাষাৰে প্ৰায় কথা পাতে। ইয়াৰ কাৰণ হৈছে ১৮২৬ চনৰে পৰা এই জিলাত জমিদাৰী প্ৰথা চলি আছে আৰু ১৯৪৭ চনলৈ তাৰ কোৰ্ট কাছাৰীত বাংলা ভাষা প্ৰয়োগ কৰাৰ নিয়মেই আছিল। এতিয়া অৱশ্যে তেওঁলোকে অসমীয়া ভাষা বিছাৰি আছে আৰু লিখাপঢ়াও অসমীয়া ভাষাতে কৰে। গতিকে ভাষাৰ ভিত্তিত বিদেশী বুলি কোৱাটো উচিত নহব। ১৯৫৬ চনত যেতিয়া সেই ঠাইৰ পৰা ভাষাৰ কাৰণে সমদল ওলাইছিল তেতিয়া সেই সমদলত শ্লোগান দিছিল "আমগো ভাষা আসাম্যা"। গতিকে তেওঁলোককো যদি আজি ভাষাৰ ভিত্তিত বিদেশী বুলি গন্য কৰা হয় তেনেহলে অন্যায় কৰা হব। কমতাপুৰ ৰাজ্যৰ কাৰনে আন্দোলন কৰা হৈছিল।

অসমখন এনেয়ে ভাগ ভাগ হৈ গৈ আছে এতিয়া নতুনকৈ ভাগ কৰাৰ উদগনি দিলে অসম, অসম হৈ নাথাকিব। অসমৰ উন্নতি কৰিব বিচাৰিলে সকলো শ্ৰেনীৰ লোকৰ লগতে আলাপ আলোচনা কৰি তেওঁলোকৰ অভাৱ অভিযোগৰ বিষয়ে আগতে জানি লব লাগিব। আজি যি সকল সংখ্যালঘুৰ লোক তেঁওলোকক আতৰাই ৰাখিলে নহব তেঁওলোকক আমি মৰমৰ চকুৰে চাব লাগিব। অগ্ৰদূত খবৰ কাগজত আমাৰ চিন্তাধাৰৰ বিষয়ে পৰামৰ্শ আগবঢ়াইছো আমি আজি তেওঁলোকৰ ওচৰলৈ যাব লাগিব আৰু তেওলোকৰ মনৰ কথাৰ বুজ লব লাগিব। যাতে বিদেশীৰ নামত দেশীয় লোকৰ কোনো হাৰাশাস্তি নহয় সেইটো চাব লাগিব। অসম একৰ্ডৰ পিছত জন্ম মৃত্যুৰ এখন ৰেজিষ্টাৰ্ড মেইনটেইন কৰা কথা আছিল আজিও সেই ৰেজিষ্টাৰ্ড মেইনটেইন কৰা হোৱা নাই। জন্ম মৃত্যুৰ এখন বহী থাকিলে তাৰ পৰা অনুমান কৰিব পাৰিব কিমান লোক বাঢ়িল বা টুটিল। অন্যান্য ৰাজ্য বিলাকৰ চেঞ্চাচ যদি চাঁও বুজিব পাৰিম আমাৰ ইয়াত সংখ্যালঘুৰ লোকৰ সংখ্যা খুব বেছি একো বঢ়া নাই।

শিক্ষাৰ ক্ষেত্ৰত আমি বহুত আলোচনা কৰিলো আমি বিছাৰো অসমত এখন সুস্হ অৰাজনৈতিক শিক্ষা ব্যৱস্হা প্ৰবৰ্ত্তন কৰিব লাগে. এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

At 4. 38 P. M. Mr. Chairman vacated the Chair and hon'ble Mr. Speaker occupied it.

শ্ৰীমহেন্দ্ৰ নাথ ৰায় চৌধুৰী:—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০জানুৱাৰী তাৰিখে আমাৰ মহামান্য ৰাজ্যপাল মহোদয়ে এই সদনত যি ভাষণ দাঙি ধৰিলে আৰু সেই ভাষণৰ ওপৰত আমাৰ মাননীয় মূখ্য সচেতক শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদসুচক প্ৰস্তাৱ আনিছে মই তাক সৰ্ব্বন্তকৰণে সমৰ্থন জনাইছো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ৰাজনৈতিক অৰ্থনৈতিক আৰু সংস্কৃতিৰ দিশত বৰ্ত্তমান চৰকাৰৰ ভাবমূৰ্ত্তিৰ এটি আভাষ ডাঙি ধৰিছে, এই ভাষণ লেখত লবলগীয়া আৰু সেয়ে এই ভাষণৰ প্ৰতি মই আদৰনি জনাইছো। পূৰ্বৰ চৰকাৰৰ দিনত আইন শৃংখলাৰ যি অৱনতি ঘটিছিল বিশেষকৈ ১৯৮৩চনৰ নিৰ্ব্বাচনৰ সময়ত এটা ভয়াবহ পৰিস্হিতিয়ে গোটেই অসমখনক মেঘাচ্ছন্ন কৰি তুলিছিল আৰু জনসধাৰনৰ মাজত সংকাই বিৰাজ কৰিছিল। কিন্তু তাৰ পৰিবৰ্ত্তে ১৯৮৫ চনত যি নিবৰ্বাচন হৈ গল তেতিয়াৰে পৰা নতুন চৰকাৰে অসমত আইন শৃংখলা অটুট ৰখাৰ কাৰনে চেষ্টা কৰিছে আৰু তাৰ আভাষ ৰাজ্যপালৰ ভাষণত দিছে সেয়ে এই ভাষণক মই ওলগ জনাইছো। পূৰ্বৰ চৰকাৰৰ দিনত গোটেই অসমত আইন শৃংখলাৰ নামত ১৪৪ ধাৰা জাৰি কৰা হৈছিল বছৰৰ পিছত বছৰ ধৰি। তথাপিও জনসাধাৰনৰ মাজত নিৰাপত্তা নোহোৱা হৈছিল। আজি অসমৰ জনসাধাৰণৰ মাজত নতুন চৰকাৰৰ প্ৰতিষ্ঠা হোৱাৰ পাছত আকৌ নিৰাপত্তা ঘুৰি অহা বুলি অনুভৱ কৰিছে। সচাকৈ অসমবাসী ৰাইজৰ কাৰণে ই এক আনন্দৰ কথা। পূৰ্বৰ চৰকাৰে পুলিচ প্ৰশাসনক একেবাৰে ৰাজনৈতিক কামত ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ ৰাজনীতি সিদ্ধিৰ কাৰণে পুলিচক ব্যৱহাৰ কৰিছিল। আনকি এওঁলোকৰ ৰাজত্বত যুৱক সকলক ধৰি নি থানাত চুলি খুৰাই দিয়া হৈছিল, বয়োজেষ্ঠ শিক্ষকক থানাত মাতি ছাত্ৰৰ দ্বাৰা চৰোৱা হৈছিল। তেনেকুৱা এই দেশত আইন শৃংখলাৰ উন্নতি হোৱা বুলি ৰাজ্যপালে উল্লেখ কৰাত আমি তেখেতক স্বাগতম জনাইছো। ভবিষ্যতে দেশখনত কেনেধৰনৰ কি ব্যৱস্হা লোৱা হব বা অসম চুক্তি ৰূপায়নত তেখেতে গুৰুত্ব আৰোপ কৰাত আমি তেখেতৰ ভাষণক আদৰনি জনাইছো। লগতে ৰাজ্যপালে অসম চুক্তি কাৰ্য্যকৰী কৰাত সংখ্যালঘুৱে সংকাবোধ কৰিব নালাগে বুলি আশ্বাস দিছে, তাৰ কাৰনে তেখেত ধন্যবাদৰ পাত্ৰ। অসমত যিটো প্ৰচাৰ বিভাগ আছে সেইটো একেবাৰে ৰাইজৰ কামত অহা নাই। এই বিভাগক আগৰ চৰকাৰে ৰাজনৈতিক উদ্দেশ্যৰে ব্যৱহাৰ কৰিছিল। অনাতাৰ কেন্দ্ৰটো অকল তেওঁলোকৰ ঢাকঢোল বজোৱাতে ব্যৱহাৰ কৰিছিল। অনাতাৰ কেন্দ্ৰৰ ওপৰত শেষলৈ ৰাইজৰ বিশ্বাস নোহোৱা হল। সেই সময়ত অনাতাৰ কেন্দ্ৰই এনেকুৱা বাৰ্তাৰ প্ৰচাৰ কৰিছিল যে ৮ বাজি ৫৫ মিনিটতে অসম সচিবালয়ত শতকৰা ৯০ ভাগ কৰ্ম্মচাৰী উপস্হিত আছিল বুলি ঘোষণা দিছিল। এই বিতৃষ্ণাৰ কাৰনে মানুহে অন্য মেডিয়ামৰ দ্বাৰা বাৰ্তাৰ লোৱাৰ ব্যৱস্হা কৰিছিল।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পূৰ্ব্বৰ চৰকাৰৰ লেখিয়াকৈ ব্যৱস্থা লোৱা নহব বুলি যি ইঙ্গিত দিয়া হৈছে সেইটো সচাঁকৈয়ে আদৰণীয়। ১৯৮৩—৮৪ চনত পূৰ্বৰ চৰকাৰে বাতৰি কাকতৰ ওপৰত চেন্সৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰি ল আৰু প্ৰচাৰ মাধ্যম ৰোধ কৰা হৈছিল। তাৰ সলনি জনসাধাৰণৰ মাজত অনাতাঁৰ যোগে ভুল কথা প্ৰচাৰ কৰিছিল। আমাৰ বৰ্ত্তমান চৰকাৰে সেইটো নকৰিব বুলি আশ্বাস দিছে আৰু সেইটো সচাঁকৈয়ে আদৰণীয়। প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত স্বাৰ্থজড়িত মহলে আৰু দালাল সকলে আৰু পূৰ্ব্বৰ চৰকাৰে অসমৰ জনসাধাৰণক পঙ্গু কৰি ৰাখিছিল। আভৰা ভাবিছিল। উদাহৰণ স্বৰূপে কলাইগাঁওৰ পৰা প্ৰকাশিত বাৰ্তাৰ "কণ্ঠস্বৰৰ" সম্পাদক শ্ৰীডেকাক বিচাৰি নাপাই বুঢ়া মাক দেউতাকক গ্ৰেপ্তাৰ কৰি আনি থানাত অত্যাচাৰ কৰিছিল। প্ৰকাশক ডিম্বেশ্বৰ ডেকাক গ্ৰেপ্তাৰ কৰিছিল। "যুগে যুগে সংগ্ৰাম" নামৰ কথাছবিখনৰ প্ৰদৰ্শন বন্ধ কৰি দিছিল। তাৰ ওপৰিও দেশপ্ৰেমমূলক গীত মাত যিমান বিলাক আছে সকলো বিলাকৰ অনাতাঁৰ প্ৰচাৰ বন্ধ কৰি দিছিল। কেৱল ৰাজনৈতিক স্বাৰ্থ সিদ্ধি কৰাৰ কাৰণে অনাতাঁৰ মাধ্যমত কিছুমান ভুৱা খবৰ প্ৰচাৰ কৰিছিল। সম্পূৰ্ণ প্ৰচাৰ যন্ত্ৰটো ৰাজনৈতিক কামত ব্যৱহাৰ কৰা হৈছিল। আনহাতে নিৰ্ব্বাচনৰ সংক্ৰান্তত বিশেষকৈ ১৯৮৩ চনৰ অন্যায় নিৰ্বাচনত বাইজে অসমৰ জনসাধাৰণে মাত্ৰ দহ জন লোকে অংশ গ্ৰহণ কৰি আৰু এই বাৰৰ হৈ যোৱা গণতান্ত্ৰিক নিৰ্বাচনত শতকৰা নিৰান্নবৈ জন লোকে অংশ গ্ৰহণ কৰি পৃথিৱীৰ ভিতৰতে এক অভিলেখ স্থাপন কৰিলে। এনে এক শান্তিৰ বাতাবৰণ সৃষ্টি হৈছে যদিও বিৰোধী পক্ষই ৰাজ্যপালৰ ভাষণৰ ওপৰত সমালোচনা আগবঢ়াইছে। মই বিৰোধী দলৰ সম্মানিত সদস্য সকলক তেনে সমালোচনাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনাইছো আৰু ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰিবলৈ গোহাৰি জনাইছো।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত গড়কাপ্তানী বিভাগৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত এটা কথা কব খোজো যে পূৰ্বৰ চৰকাৰৰ দিনত গড়কাপ্তানী বিভাগটোত অত্যন্ত পৰিমাণে দুৰ্নীতি সোমাই পৰিছিল ইয়াৰ এটা প্ৰধান কাৰণ আছিল ঠিকাদাৰ কলৰ ওপৰত অধিক দায়িত্ব দিয়া হৈছিল। গড়কাপ্তানী বিভাগত কিছুমান যে বেয়া লোক আছে সেইটো অস্বীকাৰ কৰিব নোৱাৰি কিন্তু সকলো বিলাক লোকেই যে ভাল নহয় সেইটো কথাও ঠিক নহয়। শ্ৰমিক বাহিনীৰ নামত একোজন লোকৰ নামত কেৱা ঠাইতো তিনি চাৰি খন শ্ৰম-বাহিনী বুলি লাইচেন্স লৈ কাম কৰাৰ আহিলা লৈছিল। মই মাননীয় মন্ত্ৰী মহোদয়ক এই লাইচেন্স বিলাকৰ ক্ষেত্ৰত পৰীক্ষা—নিৰিক্ষা কৰিবলৈ অনুৰোধ ৰাখিছো। তাৰ উপৰিও কোন বিলাক ঠিকাদাৰ এই বিষয়ত সংশ্লিষ্ট হৈ আছে সেই বিলাক সঠিক ভাবে নিৰ্ণিত হব লাগে আৰু সেইমতে বিহিত ব্যৱস্থা লব লাগে।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত দেখা গৈছে যে পূৰ্ব্বৰ চৰকাৰৰ দিনত এন-আৰ-ই-পি আদি বিভিন্ন আচনিৰ নামত টকা হৈছিল কিন্তু এইবিলাকৰ অধীনত কিমান খিনি কাম কাজ হৈছিল তাৰ কোনো হিচাব ৰখা হোৱা নাই। বননগুৰি আৰু জিলিকাখাট প্ৰাথমিক বিদ্যালয় দুখনত পঞ্চাশ হাজাৰকৈ টকা এই আঁচনিৰ অধীনত দিয়া হৈছিল যদিও কিমান খিনি কাম হৈছে সেইটো তদন্ত কৰিব লাগে, কিয়নো আমি জনাত কাম বিলাক এতিয়াও আধৰুৱাহৈ আছে। ৰাজ্যপালৰ ভাষণত শিক্ষাৰক্ষেত্ৰত যিখিনি কথা উনুকিয়াইছে সেইটো সচাঁকৈয়ে আদৰণীয়। যদি শিক্ষা বিভাগটো নিকা আৰু শক্তিশালী কৰিবলগীয়া হয় তেনেহলে এই বিভাগৰ লোক সকলো নিকা আৰু কৰ্ম্মপটু হিচাপে প্ৰতিভাত হব লাগিব আৰু তেতিয়াহে আমাৰ কাৰণে গৌৰৱৰ বিষয় হৈ পৰিব।

স্বাস্থ্যৰ ক্ষেত্ৰত কবলগীয়া হৈছে যে পূৰ্বৰ চৰকাৰৰ সময়ত চাবচেন্টাৰ কিছুমান তৈয়াৰ কৰা হৈছিল পাবলিক হেল্থ বিভাগৰ অধীনত। কিন্তু সেই চেন্তাৰ বিলাকৰ কাৰণে নাৰ্চ সকলক পোষ্টিং দিয়া হৈছে। বহুত দূৰ দূৰণিৰ পৰা নাৰ্চ সকলক তেনে ভাবে পোষ্টিং কৰাৰ ফলত তেওঁলোকৰ অসুবিধা হৈছে। বহুত ক্ষেত্ৰত ডিফু-জামুগুৰিৰ পৰা নাৰ্চ আনি মঙ্গলদৈ বা বৰপেটাত পোষ্টিং দিয়া হৈছে। ফলত তেখেতসকলে পৰিবেশৰ লগত মিলি যাবলৈ কিছু অসুবিধা পাইছে। তাৰোপৰি গাঁৱত শৌচ—প্ৰসাৱ কৰা শৌচাগাৰ আদি প্ৰায়ে নাথাকে। তেনে ক্ষেত্ৰত স্থানীয় ঠাইৰে নাৰ্চক স্থানীয় ভাবে নিযুক্ত দিলে তেখেতসকলে মিলিজুলি কাম কৰিবলৈ সুবিধা পাব। এই বিষয়ত নতুন চৰকাৰক চিন্তা কৰিবলৈ আৰু এই আসোঁৱাহ সমূহ দূৰ কৰিবলৈ অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ ব্যৱস্থাৰ কথা ৰাজ্যপালৰ ভাষণত উনুকিয়াইছে। বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে এইটো সচাঁকৈয়ে আচৰিত। ৰাজ্যপাল মহোদয়ে কৈছেঃ উন্নয়ণৰ আঁচনিসমূহত জলসিঞ্চনৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে ও ৰাজ্যখনত জলসিঞ্চন আঁচনিৰ অন্তভূক্ত এলেকা মুঠ খেতিৰ মাটিৰ এক পঞ্চমাংশতকৈও কম আৰু ই ৰাষ্ট্ৰীয় হাৰ। বহু তলত আৰ্নাক জলসিঞ্চনৰ ব্যৱস্হা থকা অঞ্চল বোৰতো উৎপাদনশীলতা সিমান উন্নতি হ'ব পোৱা নাই আৰু সামৰি লোৱা অঞ্চলৰ বিকাশো পিচপৰি আছে। জলসিঞ্চনত কৰা বিনিয়োগ উৎপাদন বৃদ্ধি লগত সম্পৰ্ক থকা হব লাগে। ইতিমধ্যে সম্পূৰ্ণ হোৱা জলসিঞ্চন আঁচনিবোৰৰ কাৰ্য্যকাৰীতা বঢ়াবলৈ ব্যৱস্হা গ্ৰহণ কৰা হব আৰু কম সময়ৰ ভিতৰতে জলসিঞ্চন কৰিব পৰা ব্যক্তিগত খেতিয়কৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাত চলি থকা আঁচনি সম্পূৰ্ণ কৰাত অধিকতৰ গুৰুত্ব দিয়া হব।

অধ্যক্ষ মহোদয়, এইটো সঁচাকৈ আদৰণী। পূৰ্ব্বৰ চৰকাৰৰ দ্বাৰা লোৱা তেনে আঁচনি বিলাক ফলৱতী হোৱানাই। উদাহৰণস্বৰূপে খৈৰাবাৰী-- ডিমাৰজান আঁচনি প্ৰায় ছয় লাখ টকা খৰচ কৰা হৈছে যদিও অৰ্দ্ধসমাপ্ত হৈয়েই ৰল। এইটো মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। খৈৰাবাৰী জলসিঞ্চন আচঁনিত প্ৰায় ত্ৰকৈশ লাখ টকা খৰচ কৰাৰ পিচতো সম্পূৰ্ণ হৈ নউঠাতো লজ্জাজনক কথা। এই আঁচনিৰ আধাৰত কৰা সকলো বিলাক এক ফুট বহি গৈছে আৰু ফলত নলীৰে পানী ওলাই নাযায়। এইটো কাৰ্য্যক্ষম কৰি তুলিবলৈ বিহিত ব্যৱস্হা লোৱাৰ কাৰণে মই অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, পৰিবহন বিভাগৰ ক্ষেত্ৰত কব লাগিব যে পূৰ্ব্বৰ চৰকাৰে জধে মধে লাইচেন্স দিয়াৰ ফলত যি বিলাক বাচ চৰকাৰী বাচ লাইনত চলিবলৈ আৰম্ভ কৰিছিল তাৰ ফলত চৰকাৰী পৰিবহন বিভাগে লোকচান ভৰিবলগীয়াহৈছে। এই ব্যক্তিগত বাচ বিলাকক লাইচেন্স দিয়াৰ ক্ষেত্ৰত সাৱধান আৰু চিন্তাশীল নোহোৱা কৰণতে এনেকুৱা ঘটিব পাৰিছে। এই বিষয়ত ব্যৱস্হা লবলৈ মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এইখিনিকে কৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত উঠা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন কৰিছো।

মাননীয় অধ্যক্ষ,ঃ— এতিয়া মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই তোলা বিষয়ৰ ওপৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সম্পৰ্কে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এটা বিবৃতি দিব।

## * Shri BRINDABAN GOSWAMI (Minister)

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই উল্লেখ কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয় সম্পূৰ্ণ বন্ধ হৈ গৈছে লোৱা উক্তিৰ সন্দৰ্ভত মই তলত দিয়া তথ্যপাতি দাঙি ধৰিলো।

যোৱা সাধাৰণ নিৰ্ব্বাচনৰ আগে আগে শ্ৰীআমানুল কৰিম সহ আৰু সাতজন ছাত্ৰই 'অসমৰ ৰাইজলৈ নিৰ্ব্বাচনৰ প্ৰাক মূহুত্তত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এটি নিবেদন' বুলি এখন চাৰি পৃষ্ঠাৰ প্ৰচাৰ পত্ৰিকা উলিয়ায়। প্ৰচাৰ পত্ৰিকাখন সাম্প্ৰদায়িক বিদ্বেষ ভাবেৰে পূৰ্ণ আৰু শ্ৰেণী, জাতি আদিৰ মাজত বিৰোধৰ কথা উল্লেখ, ধৰ্ম্মীয় অপ-প্ৰচাৰৰ লগতে ৰাইজৰ মাজত নিৰ্বাচনৰ আগে আগে অপ-প্ৰচাৰ আৰু শান্তি সম্প্ৰীতি বিঘিনিত কৰাৰ কথাৰে ভৰি আছিল।

নিৰ্বাচনত অসমৰ ৰাইজৰ আশীৰ্বাদেৰে অসম গণ—পৰিষদৰ বিপুল জয়লাভৰ পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নিৰ্বাচিত স্নাতকোত্তৰ একতা সভাৰ সভ্য সকলে বিশ্ববিদ্যালয়ৰ নামত আঠজন ছাত্ৰই এইদৰে কৰ্ত্তৃত্বহীন ভাবে প্ৰচাৰ পুস্তিকা উলিয়াই বিশ্ববিদ্যালয়ৰ নাম কলুষিত কৰাৰ প্ৰতিবাদ

*Speech not corrected

কৰে আৰু এই ছাত্ৰ কেইজনৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ দাবী জনায়। সময় মতে কৰ্ত্তৃপক্ষই ব্যৱস্থা নোলোৱাত ছাত্ৰ একতা সভা ১৭ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈ ধৰ্ম্মঘট কৰে আৰু প্ৰশাসনিক কাৰ্য্য—ব্যৱস্থা অচল কৰে।

বিশ্ববিদ্যালয় উপাচাৰ্য্যই যেতিয়া ১৮ তাৰিখে বিশ্ববিদ্যালয়ৰ কাৰ্য্যকৰী সভাত বিষয়টো উত্থাপন কৰে আৰু বিশ্ববিদ্যালয়ৰ কাৰ্য্যকৰী সভাই বিচাৰ কৰি শ্ৰীআমানুল কৰিম, শ্ৰীদেবব্ৰত শৰ্ম্মা, শ্ৰীঅমৰজ্যোতি গগৈ, শ্ৰীনাহিৰাম দাস শ্ৰীঘণ কান্ত পেগু, শ্ৰীউত্তম গগৈ, শ্ৰীনৰেণ কোঁৱৰ আৰু শ্ৰীমতী ...তা পেগুক আগন্তুক পৰীক্ষা দিয়াৰ পৰা বিৰত কৰে আৰু ছাত্ৰাবাস খালি কৰিবলৈ নিৰ্দ্দেশ দিয়ে।

১৯—২০ জানুৱাৰীত তেতিয়া ছাত্ৰ কেইজনে আৰু লগত আন কেইজনমান ছত্ৰা—ছাত্ৰীক লৈ (মুঠ—১৫) প্ৰশাসনীয় ভৱনৰ সম্মুখত ক্ষোভ প্ৰকাশ কৰে আৰু তেঁওলোকৰ বিৰুদ্ধে লোৱা শাস্তিমূলক ব্যৱস্থা উঠাই লবলৈ দাবী জনায়। বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ সহাৰি নোপোৱাত এই দুৰ্দান্তমেয় ছাত্ৰ কেইজনে ৭২ ঘন্টাৰ ভিতৰত এই বিষয়ত সিদ্ধান্ত বিচাৰে আৰু তেওলোকৰ বিৰুদ্ধে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষই শাস্তিমূলক ব্যৱস্থা উঠাই নললে প্ৰতি আন্দোলন কৰি প্ৰশাসনীয় ব্যৱস্থা অচল কৰিবলৈ ভাবুকি দিয়ে। ইতিমধ্যে উপাচাৰ্য্যই শাৰীৰিক অসুস্থতাৰ কাৰণে অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাৰ কাৰণে ভৰ্ত্তি হয় আৰু বৰ্ত্তমানেও চিকিৎসাধীন হৈ আছে। পঞ্জীয়ক শ্ৰীদিব্যহাস গোস্বামীয়ো গুৱাহাটীলৈ অহাত অধ্যাপক শ্ৰীএ,শ্ৰীবাস্তবে উপাচাৰ্য্যৰ দায়িত্বত থাকে আৰু ২৭ পৰা ২৯ জানুৱাৰীলৈ বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় কাৰ্য্যালয় বন্ধ দিয়ে। কিন্তু শিক্ষা বিভাগ সমূহ খোলা আছে।

গতিকে মাননীয় সদস্যই উল্লেখ কৰাৰ দৰে বিশ্ববিদ্যালয় সম্পূৰ্ণ অচল হোৱাটো সত্য নহয়।

Shri CHARAN NARZARY .—Hon'ble Mr. Speaker Sir, Thank you very much for the prompt steps for giving this statement on the floor of the House.

## GOVERNMENT RESOLUTION

Shri DIGEN CHANDRA BORAH (Minister) .—

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে—এই সদনে ১৯৪৮ চনৰ বিদ্যুৎ যোগান আইনৰ ৬৫ ( ৩ ) ধাৰাৰ উপবন্ধ অনুসৰি, ৰাজ্য চৰকাৰক কাৰ্য্য চলোৱাত সমৰ্থ কৰি তুলিবলৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদলৈ ঋণৰ পৰিমানৰ সৰ্ব্বোচ্ছ সীমা মাত্ৰ ৬২০ কোটি ( ছয় শ বিশ কোটি ) টকালৈ নিৰ্দ্ধাৰণ কৰাত অনুমোদন জনায়।

The light went off for a few seconds)

Mr. SPEAKER.—The resolution is

এই সদনে ১৯৪৮ চনৰ বিদ্যুৎ যোগান আইনৰ ৬৫(৩) ধাৰাৰ উপবন্ধ অনুসৰি ৰাজ্য চৰকাৰক কাৰ্য্য চলোৱাত সমৰ্থ কৰি তুলিবলৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদলৈ ঋণৰ পৰিমাণৰ সৰ্বোচ্চ সীমা মাত্ৰ ৬২০ (ছয়শ বিশ) কোটি টকালৈ নিৰ্দ্ধাৰণ কৰাত অনুমোদন জনায়।

The motion is passed

## CONSIDERATION AND PASSING OF GOVERNMENT BILL

Shri SAHIDUL ALAM CHOUDHURY, (Minister) .—Hon'ble Mr. Speaker, Sir, I beg to move that the Gauhati Municipal Corporation (Amendment) Bill, 1986 be taken into consideration.

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনটো অপৰিহাৰ্য্য হৈ পৰিছে। আগৰ চৰকাৰে গণতান্ত্ৰিক ভাবে নিৰ্বাচিত এখন নিগমক অন্যায় ভাবে ভঙ্গ কৰি দি[illegible] ঠাইত প্ৰশা[illegible] নিয়োগ কৰে। এইটো কৰা হৈছিল আগৰ চৰকাৰৰ নিজৰ সুবিধাৰ কাৰণে। এ[illegible]আমি দেখি[illegible] পাইছো যে আমাৰ এই নতুন চৰকাৰেও আগৰ চৰকাৰৰ বাটে বাটে যেন খোজ মিলাই যাব ওলাইছে। এইটো বৰ শুভ লক্ষণ নহয় যেন পাইছো। গুৱাহাটী পৌৰ নিগমৰ ভাৰ এখন গণতান্ত্ৰিক ভাবে নিৰ্বাচিত লোকৰ হাতত অৰ্পণ কৰাটো উচিত হব। মোৰ মতে ইয়াৰ নিৰ্বাচন অতি সোনকালে হোৱাটো উচিত হব। বিভাগীয় মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জানিবলৈ দিবনেকি যে কেতিয়াকৈনো ইয়াৰ নিৰ্বাচন পতাৰ কথা ভাবিছে ?

Shri SAHIDUL ALAM CHOUDHURY (Minister)—

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক আশ্বাস দিব খোজো যে অতি সোনকালেই আমি গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন পতাৰ কথা ভাবিছো খুউব সম্ভৱ অহা এপ্ৰিল মাহতেই এই নিৰ্বাচন পাতিব পৰা যাব।

Shri BINAI KHUNGUR BASUMATARI :—Mr. Speaker, Sir, When this same Bill came up in this House last year we had demanded that in line with the Constitution of India three seats for tribals should be reserved in Gauhati Municipal Corporation because historically Gauhati is a town belonging to the tribals and particularly Bodos and this capital Dispur where we are sitting, this was a tribal belt. But this belt was withdrawn and. as a result people from this locality, they are to be found nowhere in Assam. They are today probably daily wage earners and there are recognised areas like Ulubari and they are deprived. from taking part in the proceedings of the Corporation. The previous Government assured that two members will be taken-one from scheduled caste and one from scheduled tribe-and since that portion of the amendment is not there and since the earlier Government made an assurance, will this Government remember that while they order for election for the Corporation and ensure that adequate seats are kept for scheduled caste and scheduled tribes.

শ্ৰীসহিদুল আলম চৌধুৰী মন্ত্ৰী :— অধ্যক্ষ মহোদয়, যদি প্ৰতিজন থাকে তেন্তে আমি বিবেচনা কৰিব চাম।

Shri CHARAN NARZARY .—Hon'ble Speaker Sir, the Government is to make a provision if there is no such provision. It is up to the Government.

Shri SAHIDUL ALAM CHOUDHURY (Minister) —এইটো ব্যৱস্থা কৰা হব।

Shri CHARAN NARZARY :—Thank you for that.

Mr. SPEAKER.—Now I put the motion that the Gauhati Municipal Corporation (Amendment) Bill, 1986 be taken into consideration.

The motion is passed.

Now, item No. 12 (b). There is no amendment to clauses 2 and 3 of the Bill. So I put clauses 2 and 3 do form part of the Bill.

Clauses 2 and 3 form part of the Bill.

Now I put clause 1, preamble, enacting formula and short title of the Bill.

Clause 1, preamble, enacting formula and short title of the Bill do for part of the Bill.

Clause 1, preamble, enacting formula and short title form part of the Bill.

Now, item No. 12 (c)

Shri SAHIDUL ALAM CHOUDHURY (Minister).—Hon'ble Speaker, Sir, I beg to move that the Gauhati Municipal Corporation (Amendment) Bill 1986 be passed.

Mr. SPEAKER.—The motion is that the Gauhati Municipal Corporation (Amendment) Bill, 1986 be passed.

The motion is passed. The Bill is passed.

## ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ— চৰকাৰী হিচাপ সমূহৰ সমিতিৰ নিৰ্বাচনৰ ফলা ফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু সমিতিৰ নিৰ্বাচিত হব লগা সদস্য সংখ্যা একে সমান হোৱা হেতুকে নিম্নোল্লেখিত সদস্য সকলক চৰকাৰী হিচাপ সমূহৰ সমিতি লৈ সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত বুলি ঘোষণা কৰা হল। ঃ—

১। শ্ৰীঅভিজিত্ শৰ্ম্মা।

২। শ্ৰীকামাখ্যা চৰণ চৌধুৰী।

৩। শ্ৰীজয়প্ৰকাশ টেওৱাৰী।

৪। শ্ৰীপবিন চন্দ্ৰ ডেকা।

৫। শ্ৰীসিৰাজুল হক চৌধুৰী।

৬। শ্ৰীআব্দুল মুত্তাদিৰ চৌধুৰী।
৭। শ্ৰীঅমৃতলাল বসুমতাৰী।
৮। শ্ৰীৰসিদুল হক।
৯। শ্ৰীবিনাই খুংগুৰ বসুমতাৰী।

আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ (১) নং উপনিয়ম অনুসৰি শ্ৰীআব্দুৰ মুত্তাদিৰ চৌধুৰীক মই উক্ত সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো।

নৱ গঠিত সমিতিয়ে ১৯৮৬ চনৰ ২৯ জানুৱাৰীৰ পৰা ৩০ মাহ অতিক্ৰম নকৰা কাৰ্য্যকালৰ বাবে কাৰ্য্য চলাব।

অসম নগৰ আৰু গ্ৰাম্য পৰিকল্পনা মন্ত্ৰণা পৰিষদৰ নিৰ্বাচনৰ ফলাফল মই ঘোষনা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু পৰিষদলৈ নিৰ্বাচিত হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা হেতুকে নিম্নোল্লোখিত সদস্য সকলক অসম নগৰ আৰু গ্ৰাম্য পৰিকল্পনা মন্ত্ৰণা পৰিষদলৈ সৰ্বসম্মতি ক্ৰমে নিৰ্বাচিত

২। শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী।

১। শ্ৰীচামচিং হাঞ্চে।
২। শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী।
৩। শ্ৰীদীগেন্দ্ৰ পুৰকায়স্থ।

অসম কৃষি বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্বাহক পৰিষদৰ নিৰ্বাচনৰ ফলাফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু পৰিষদলৈ নিৰ্বাচিত হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা হেতুকে নিম্নোল্লোখিত সদস্য সকলক অসম কৃষি বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্বাহক পৰিষদলৈ সৰ্বসম্মতি ক্ৰমে পৰিষদলৈ নিৰ্বাচিত হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা বুলি ঘোষণা কৰিলো।

১। শ্ৰীদেব কুমাৰ বৰা।
২। শ্ৰীঅভিজিত্ শৰ্ম্মা।
৩। শ্ৰীচৰণ নাৰ্জাৰী।

অসম ৰাজ্যিক গৃহ নিৰ্ম্মাণ পৰিষৰ নিৰ্বাচনৰ ফলাফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা পৰিষদলৈ নিৰ্বাচিত হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা হেতুকে নিম্নোল্লেখিত সদস্য সকলক 'অসম ৰাজ্যিক গৃহ নিৰ্ম্মাণ পৰিষদ' লৈ সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো।

১। শ্ৰীৰত্নেশ্বৰ সৰকাৰ।
২। শ্ৰীদেবেশ্বৰ বৰা।
৩। শ্ৰীপ্ৰদীপ হাজৰিকা।

অনুসূচীত জাতি আৰু জনসূচীত জনজাতিৰ কল্যাণ সমিতিৰ নিৰ্বাচনৰ ফলাফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু সমিতিৰ নিৰ্বাচন হব লগা সদস্য সংখ্যা একে সমান হোৱা হেতুকে নিম্নোল্লোখিত সদস্য সকলক অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণ সমিতিলৈ সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত বুলি ঘোষণা কৰা হল।

১। শ্ৰীঅৰুণ চন্দ্ৰ ৰাভা
২। শ্ৰীদেবেন্দ্ৰ নাথ ভৰালী।
৩। শ্ৰীউমেশ চন্দ্ৰ দাস।
৪। শ্ৰীযোগেন্দ্ৰ বসুমতাৰী।
৫। শ্ৰীৰাজেন টিমুং।

৬। শ্ৰী[illegible] সচ[illegible]
৭। [illegible]
৮। শ্ৰী[illegible] কুমাৰ [illegible]ৰীয়া।
৯। [illegible] দাস।
১০। [illegible]
১১। [illegible]

আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ এক [illegible] নিয়ম অনুসৰি শ্ৰীদুৰ্গাদাস বড়োক উল্লেখিত সমিতিৰ সভাপতি হিচাপে মই নিযুক্তি দিলো।

নৱ গঠিত সমিতিয়ে ১৯৮৬ চনৰ ২৯ জানুৱাৰী তাৰিখৰ পৰা ৩০ মাহ কাল অতিক্ৰম নকৰা পৰ্য্যন্ত [illegible] বাবে কাৰ্য্য চলাব।

ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি নিৰ্বাচনৰ ফলাফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু সমিতিৰ বাবে নিৰ্বাচিত হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা হেতুকে নিম্নউল্লেখিত সদস্য সকলক ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিলৈ সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত বুলি ঘোষণা কৰা হল।

১। শ্ৰীময়িদুল ইচলাম বৰা।
২। শ্ৰীপ্ৰদীপ হাজৰিকা।
৩। শ্ৰীহলিৰাম টেৰাং।
৪। শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।
৫। শ্ৰীবলোভদ্ৰ তামুলী।
৬। শ্ৰীশিৱশম্ভু ওজা।
৭। শ্ৰীগৌতম ৰয়।
৮। শ্ৰীশান্তিৰঞ্জণ দাসগুপ্ত।
৯। শ্ৰীআব্দুল জলিল।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ (১) নং উপ নিয়ম অনুসৰি শ্ৰীময়িদুল ইচলাম বৰাক মই উক্ত সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো। নৱ গঠিত সমিতিয়ে ১৯৮৬ চনৰ ২৯ জানুৱাৰীৰ পৰা ৩০ মাহ অতিক্ৰম নকৰা পৰ্য্যন্ত কাৰ্য্যকালৰ বাবে কাৰ্য্য চলাব।

প্ৰাক্কলনৰ সমিতিৰ নিৰ্বাচনৰ ফলাফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু সমিতিৰ নিৰ্বাচন হব লগা সদস্য সংখ্যা একে সমান হোৱা হেতুকে নিম্নোলিখিত সদস্য সকলক প্ৰাক্কলনৰ সমিতিলৈ সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত বুলি ঘোষণা কৰা হল।

১। শ্ৰীসুৰেণ স্বৰ্গীয়াৰী, ২। শ্ৰীচাৰ্মচিং হাঞ্চে, ৩। শ্ৰীনৰেন তাঁতী ৪। শ্ৰীদীনবন্ধু চৌধুৰী ৫। শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা ৬। শ্ৰীকুমাৰ দীপক দাস ৭। শ্ৰীজয়নাথ শৰ্ম্মা ৮। শ্ৰীশেখ ছামান আলী ৯। শ্ৰীগণেশ বড়ো ১০। শ্ৰীস্বৰূপ উপাধ্যায় ১১। শ্ৰীকৰ্ণেন্দু ভট্টাচাৰ্য্য,

আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ (১) নং উপ নিয়ম অনুসৰি শ্ৰীচাৰ্মচিং হাঞ্চেক উল্লেখিত সমিতিৰ সভাপতি হিচাবে মই নিযুক্তি দিলো।

নৱ—গঠিত সমিতিয়ে ১৯৮৬ চনৰ ২৯ জানুৱাৰীৰ পৰা ৩০ মাহ অতিক্ৰম নকৰা কাৰ্য্যকালৰ বাবে কাৰ্য্যচলাব।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰি [illegible]
সদস্য সকলক লৈ গ্ৰন্থাগাৰ সমিতি গঠন কৰিবৰ কাৰণে [illegible]

১। শ্ৰীপ্ৰফুল্ল গোস্বামী ২। শ্ৰীদীপেন তাতী ৩। শ্ৰীঅতুল [illegible] ৪। শ্ৰী [illegible] ৫। শ্ৰীকেশবাম বৰা ৬। শ্ৰীমতী জোত্স্না সোনোৱাল ৭। শ্ৰী [illegible], গো [illegible] ৮। শ্ৰীদেৱান জয়নাল আবেদিন ৯। শ্ৰীমতী অমিয়া গগৈ।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৬ [illegible] মই শ্ৰীপ্ৰফুল্ল গোস্বামীক সভাপতি হিচাবে নিযুক্তি দিলো [illegible] হোৱা তাৰিখৰ পৰা এবছৰ সদময়ৰ বাবে হব।

মই গুৱাহাটী বিশ্ববিদ্যালয় আদালতৰ নিৰ্বাচন [illegible] প্ৰা [illegible] সংখ্যা আৰু আদালতলৈ নিৰ্বাচিত হব লগা স [illegible] সংখ্যা একে সমান [illegible] খিত [illegible] স্য সকলক সৰ্বসম্মতি [illegible] নিৰ্বাচিত হোৱা বুলি [illegible] কৰিলো।

১। শ্ৰীদেৱান জয়ন্যল আবেদিন ২। [illegible] আব্দুল হামিদ ৩। শ্ৰীমসিৰ উদ্দীন শেখ। ৪। শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ৫। শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ৬। শ্ৰীময়িদুল ইছলাম বৰা ৭। শ্ৰীচাৰ্মহিং হাঞ্চে।

মই ডিব্ৰুগড় বিশ্ববিদ্যালয় আদালতৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু আদালতলৈ নিৰ্বাচিত হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা হেতুকে নিম্নোলিখিত সদস্য সকলক সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত [illegible]ৱা বুলি ঘোষণা কৰিলো।ঃ—

১। শ্ৰীঅৰ্ধেন্দু কুমা[illegible]
২। শ্ৰীদিলেশ্বৰ তাঁতি।
৩। শ্ৰীবলোভদ্ৰ তামুলি।
৪। শ্ৰীকিৰণ কুমাৰ গগৈ।
৫। শ্ৰীভবেন বৰুৱা।
৬। শ্ৰীউত্পল দত্ত।
৭। শ্ৰীআব্দুল জলিল।

কাইলৈ পুৱা ইংৰাজী ৩০।১।৮৬ তাৰিখলৈ সদন স্থগিত থাকিব।

## ADJOURNMENT

The House then rose and stood adjourned till 10 A.M. on Thusrday, the 30th January, 1986.

Dispur :
The 29th March, 1986.

Dr. P. N. Hazarika,
Secretary,
Assam Legislative Assembly.

AGP. (Mini) LA.—98/88—1500—5-10-88.